B.H.B. COLLEGE MAGAZINE

SARUPETA

2005-2006

2006-2007

# বি, এইচ্, বি, মহাবিদ্যালয় আলোচনী, সৰুপেটা

২০০৫-২০০৬, ২০০৬-২০০৭ বৰ্ষ




সম্পাদকদ্বয়

খনীন্দ্ৰ দাস

জিণ্টু ডেকা

B.H.B. College Sarupeta



মহাবিদ্যালয়ৰ কাৰ্য্যালয়ত কৰ্মৰত অৱস্থাত কৰ্ম্মচাৰীবৃন্দ



কম্পিউটাৰ প্ৰশিক্ষণ লৈ থকা এক বিশেষ মূহুৰ্ত্তত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক

College, Sarupeta

# ি.এইচ্.বি. মহাবিদ্যালয় আলোচনী

শিক্ষাবৰ্ষ ঃ ২০০৫-২০০৬, ২০০৬-২০০৭

২৭ তম্ সংখ্যা

## বাৰ্ষিক মুখপত্ৰ

বি.এইচ.বি. মহাবিদ্যালয়ৰ
ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত

B.H.B. College, Sarupeta

বধায়কদ্বয়-
ৰ তালুকদাৰ
ৰাণী ডেকা

সম্পাদকদ্বয়-
খনীন্দ্ৰ দাস
জিন্টু ডেকা

# বি.এইচ্.বি. মহাবিদ্যালয় আলোচনী

## (২০০৫-০৬, ২০০৬-০৭ শিক্ষাবৰ্ষ)

**সম্পাদনা সমিতি ঃ**

**সভাপতি**
শ্ৰীচন্দ্ৰকান্ত তালুকদাৰ

**তত্ত্বাৱধায়ক ঃ**
ফনীধৰ তালুকদাৰ
বীণাৰাণী ডেকা

**সদস্য ঃ**
ড° অমিয়া মহন্ত
বীৰেণ কলিতা
ড° গায়ত্ৰী মেধি

**সম্পাদক ঃ**
খনীন্দ্ৰ দাস
জিন্টু ডেকা

**বেটুপাত পৰিকল্পনা ঃ**
তত্ত্বাৱধায়কদ্বয়

**স্থিৰ চিত্ৰ ঃ**
বিউটি ষ্টুডিঅ', আশা ষ্টুডিঅ'

**ডি.টি.পি ঃ**
শ্ৰীকনমনি বৰুৱা
শ্ৰীমহানন্দ কলিতা

**স্কেচ্ছ অংকণ ঃ**
হৰেকৃষ্ণ দাস

**অঙ্গসজ্জা ঃ**
ড° অমিয়া মহন্ত
ড° গায়ত্ৰী মেধি

**মুদ্ৰণ ঃ**
কলিতা মাইক্ৰ' প্ৰিন্টাৰ্ছ, সৰুপেটা।

B.H.B. College, Sarupeta

# অশ্ৰু অঞ্জলি



ভবেন্দ্ৰ প্ৰসাদ তালুকদাৰ



পদ্মলোচন ঠাকুৰীয়া

বি.এইচ্.বি. মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা সমিতিয়ে বিগত সময়ছোৱাত জ্ঞাত-অজ্ঞাত যিসকল ব্যক্তিয়ে আমাৰ মাজৰ পৰাই চিৰকাললৈ হেৰাই গ'ল সেইসকল মহান ব্যক্তিলৈ অশ্ৰুঅঞ্জলি প্ৰদান কৰিছোঁ।

আমাৰ মহাবিদ্যালয়ৰ কৰ্মচাৰী মহাবিদ্যালয়ৰ জন্মৰ প্ৰাকক্ষণৰ পৰাই শিক্ষানুষ্ঠানটো গঢ় দিয়াত অহেতুক স্বাৰ্থ সাধন কৰিছিল সেই উদাৰ আত্মাৰ অধিকাৰী উচ্চবৰ্গৰ সহায়ক ভবেন্দ্ৰ প্ৰসাদ তালুকদাৰৰ অকাল বিয়োগত গভীৰ দুখ প্ৰকাশ কৰিছোঁ। তেখেতৰ অকাল বিয়োগে মহাবিদ্যালয়খনিৰ অপূৰণীয় ক্ষতি হৈছে। তেখেতৰ মহান কৰ্মৰাজিক বি.এইচ্.বি. মহাবিদ্যালয়ে চিৰকালেই শ্ৰদ্ধাৰে সুঁৱৰিব।

আমাৰ মহাবিদ্যালয়ৰ নিম্নবৰ্গৰ সহায়ক একালৰ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক উদীয়মান সমাজকৰ্মী, ৰাজনৈতিক কৰ্মী পদ্মলোচন ঠাকুৰীয়াৰ মহান আত্মাৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

সৌ সিদিনা মহাবিদ্যালয়ৰ তৃতীয় বৰ্ষৰ সংস্কৃত বিভাগৰ মেজৰৰ ছাত্ৰ ত্ৰিদিপ শৰ্মাৰ অকাল বিয়োগে মহাবিদ্যালয় পৰিয়ালক গভীৰভাবে শোকাহত কৰে। তেওঁকো যাচিছোঁ আমি শ্ৰদ্ধাৰ অশ্ৰু অঞ্জলি। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ভৱজিৎ দাসৰ দুৰ্ঘটনা গ্ৰস্ত মৃত্যুয়ো মহাবিদ্যালয়ৰ পৰিয়ালক শোকাহত কৰে। এই ছেগতে মহাবিদ্যালয়ৰ যিসকল প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অকাল বিয়োগ ঘটিছে সেই সকললৈ আমি সম্পাদনা সমিতিৰ তৰফৰ পৰাই গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

গণ শিল্পী দিলীপ শৰ্মা, চিত্ৰ নিৰ্মাতা ইন্দুকল্প হাজৰিকাৰ বিয়োগত আলোচনী সম্পাদনা সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰিছো এই সকল মহান ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

বৌতা, ওদালগুৰিৰ গোষ্ঠী সংঘৰ্ষ আৰু গুৱাহাটী, বৰপেটাৰোড, কোকৰাঝাৰ, বঙাইগাঁৱত ধাৰাবাহিক বোমা বিস্ফোৰণত অ লতে প্ৰাণ হেৰুওৱা মহান ব্যক্তিসকলৰ আত্মাৰ প্ৰতিও গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

সৰ্বোশেষত যিসকল মহান ব্যক্তিয়ে দেশ, জাতি আৰু মানৱতাৰ কাৰণে প্ৰাণ আহুতি দিছে আটাইবোৰ মহান লোকৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

*ইতি,*
*সম্পাদনা সমিতি,*
*আলোচনী বিভাগ, বি.এইচ্.বি মহাবিদ্যালয়, সৰুপেটা।*
*তাং- ২৫/১১/২০০৮ ইং*

B.H.B College, Sarupeta

# উৎসৰ্গা

যি সকল মহান ব্যক্তিৰ অশেষ ত্যাগ আৰু শ্ৰমৰ বলত মহীৰূপ
সদৃশ বৰ্ত্তমানৰ বি.এইচ্.বি. মহাবিদ্যালয় গঢ়ি উঠিছে, অথচ যি সকল
মহানলোক আমাৰ মাজৰ পৰা চিৰকালৰ বাবে গুচি গৈছে
সেইসকলৰ পবিত্ৰ স্মৃতিত বি.এইচ্.বি. মহাবিদ্যালয়ৰ এই
সংখ্যা আলোচনী উৎসৰ্গা কৰিলোঁ।

—সম্পাদনা সমিতি
বি.এইচ্.বি. মহাবিদ্যালয় আলোচনী।

B.H.B. College, Sarupeta

DR. BASANTA KUMAR BHATTACHARYA *M.A. PH. D.*

Phone : 03624/220211

Bidyapur. Lane-8
Nalbari- 781335
Assam. India.

শুভেচ্ছা-বাণী

অসমৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান 'বি. এইচ. বি মহাবিদ্যালয়' (সৰুপেটা)ৰ বাৰ্ষিক মুখপত্ৰখনি অলপতে প্ৰকাশ পাব বুলি জানিবলৈ পাই পৰম সন্তোষ পালোঁ। যিকোনো এখন শিক্ষানুষ্ঠানৰ মুখপত্ৰখনি, সেইখন শিক্ষানুষ্ঠানৰ দাপোণ স্বৰূপ। ইয়াৰ জৰিয়তে সংশ্লিষ্ট শিক্ষানুষ্ঠানখনৰ অন্তৰংগ আৰু বহিৰংগ দিশৰ সম্যক আভাস পাব পৰা যায়। তদুপৰি শিক্ষানুষ্ঠান এখনৰ মুখপত্ৰখনিয়ে সেই খন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীসকলৰ সৃজনশীল প্ৰতিভাৰ পৰিস্ফুৰণতো বিশেষভাৱে সহায়তা কৰিব পাৰে।

প্ৰতিষ্ঠালগ্নৰে পৰা আজিলৈকে উচ্চশিক্ষাৰ বিস্তাৰৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা বি. এইচ. বি মহাবিদ্যালয়ৰ প্ৰকাশিতব্য মুখপত্ৰখনিত অনুষ্ঠানটোৰ গতি প্ৰকৃতিৰ এটি আলেখ্য অংকিত হ'ব বুলি আশা কৰিছোঁ আৰু আশা কৰিছোঁ শিক্ষাৰ্থীসকলৰ সৃজনশীল প্ৰতিভাৰ পৰিচয়ো মুখপত্ৰখনিয়ে দাঙি ধৰিব।

এই মুখপত্ৰখনিৰ লগত জড়িত প্ৰতিজন শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। মুখপত্ৰখনি সঁচা অৰ্থত বি. এইচ. বি মহাবিদ্যালয়ৰ মুখপত্ৰ হওক আৰু ই যেন শিক্ষাৰ্থীসকলৰ বৌদ্ধিক উৎকৰ্ষ সাধনত অৰিহণা যোগাওক — এই কামনাৰে —

বসন্ত কুমাৰ ভট্টাচাৰ্য
(ড° বসন্ত কুমাৰ ভট্টাচাৰ্য)
২৭/১১/০৮

B.H.B. College, Sarupeta

## ঃ কৃতজ্ঞতা স্বীকাৰ ঃ

বি.এইচ্.বি. মহাবিদ্যালয়ৰ শ্ৰদ্ধেয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়, শ্ৰদ্ধেয় শিক্ষাগুৰুসকল, শ্ৰদ্ধেয় হিচাপ ৰক্ষক মহোদয়, মাননীয় গ্ৰন্থাগাৰিক, শ্ৰদ্ধেয় কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ কৰ্মকৰ্তাসকল, শুভাকাংক্ষীসকল, লেখক-লেখিকা সকল, বেটুপাত তথা আলোক চিত্ৰ আৰু স্কেচ অংকন কৰা মাননীয় শিল্পীসকল, আলোচনীৰ আহিঁপত্ৰ পৰীক্ষা কৰা পৰম শ্ৰদ্ধেয় ব্যক্তিসকল আৰু কণিতা মাইক্ৰ' প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী আৰু কৰ্মকৰ্তাসকলৰ প্ৰতি বি.এইচ্.বি. মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা সমিতিৰ তৰফৰ পৰা গভীৰ কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ।

B.H.B. College, Sarupeta



[illegible] দাস(২০০৫-০৬)

# সম্পাদকীয় কলম......



জিন্টু ডেকা(২০০৬-০৭)

[illegible]বিদ্যালয়-মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ আলোচনীখন সেই অনুষ্ঠানটিৰ দাপোনসদৃশ। মহাবিদ্যালয়ৰ আলোচনীখন ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ প্ৰাণ কেন্দ্ৰ বুলিব পাৰি। তদুপৰি এই আলোচনীৰ মাজেৰেই ছাত্ৰ-ছাত্ৰী সকলৰ আশা-আকাংক্ষা অনুভূতিৰ প্ৰকাশ ঘটে।

অসমৰ মহাবিদ্যালয়ৰ আলোচনী সমূহেও অসমৰ সাহিত্য আন্দোলনত এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰি আহিছে। 'কটনিয়ান' আলোচনী সাহিত্যিক অৱদানৰ বি‌ ‌য় তাহানিতে ড° উপেন্দ্ৰ নাথ গোস্বামীয়ে তেখেতৰ 'ভাষা আৰু সাহিত্য' নামৰ গ্ৰন্থত সবিস্তাৰে শ্ৰদ্ধা সহকাৰে মূল্যায়ন কৰি গৈছে। অসমৰ গ্ৰামাঞ্চলৰ বি.এইচ্. বি. মহাবিদ্যালয়। এইখন মহাবিদ্যালয়ৰ আলোচনী সমূহেও এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰী তথা এই অঞ্চলৰ জনসাধাৰণৰ অন্তৰ-মন, ভাষা-সাহিত্য, সংস্কৃতিক য'ত কিঞ্চিত হ'লেও বেঙনি বিচ্ছুৰিত কৰিছে। সেয়ে মহাবিদ্যালয়ৰ আলোচনীখন মহাবিদ্যালয়ৰ বাবে এক গুৰুত্বপূৰ্ণ প্ৰকাশ বুলি গণ্য কৰিব পাৰি।

একবিংশ শতিকাটো গোটেই বিশ্বখনৰ বাবেই এক গুৰুত্বপূৰ্ণ শতিকা। বিশ্বায়ন, ব্যক্তিগত [illegible], অৰ্থনৈতিক উদাৰীকৰণ আদি [illegible] ধাৰণা আৰু নীতি নিৰ্দেশনাই বহু যুগৰৈকে যেন প্ৰগতিৰ নামত কোঙা কৰি পেলাইছে। গোষ্ঠী সংঘৰ্ষ, হত্যা-হিংসা, বিস্ফোৰণে মানৱ ইতিহাসকে যেন ধ্বংস কৰিবলৈ ওলাইছে। জ্ঞান, শিক্ষা সভ্যতা আৰু অৰ্থনৈতিক প্ৰগতি ৰাজনীতিক সকলে চূড়ান্ত মাইলৰ খুটি স্পৰ্শ কৰা বুলি কোৱা এই শতিকাতেই যেন দৰিদ্ৰ, নিবনুৱা, অন্ধ বিশ্বাস, কুসংস্কাৰেও চূড়ান্ত ৰূপ ধাৰণ কৰিছে। এইবোৰ বিশ্বৰূপ প্ৰতিফলনৰ পৰা মহাবিদ্যায়ৰ আলোচনী সমূহেও নিলগত থাকিব নোৱাৰে।

১৯৭১ চনতে স্থাপন হোৱা বি.এইচ্. বি. মহাবিদ্যালয় ২০০৮ চনত বয়সৰ জোখৰে ৩৮ বছৰীয়া এক প্ৰাপ্ত বয়স্ক ৰূপ লাভ কৰা বিশাল অনুষ্ঠান। বিগত সময় ছোৱাত পাৰ কৰি অহা ঘাত-প্ৰতিঘাত সমূহৰো নিৰ্মোহ আৰু বস্তুনিষ্ঠ মূল্যায়ন আলোচনীখনৰ পৃষ্ঠাতেই হ'ব পাৰে। এই মূল্যায়ন মহাবিদ্যালয়ৰ নতুন দিনৰ প্ৰগতিৰ সোপানৰ এক স্মৃতি স্তম্ভ হিচাপেই পৰিগণিত হ'ব। এই দৃষ্টি-ভঙ্গী আগত ৰাখিয়েই বি.এইচ্. বি. মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ প্ৰকাশ কৰিবলৈ লোৱা হৈছে। আশা কৰিছো ইয়াৰ মূল্যয়নো মহাবিদ্যালয়ৰ নতুন প্ৰজন্মই [illegible]।

[illegible] সতীৰ্থৰ আন্তৰিক মৰম, শুভ-কামনা, একান্ত ব্যক্তিগত ইচ্ছা আৰু বি.এইচ. বি মহাবিদ্যালয় নিৰ্বাচনৰ উৎসাহ উদ্দীপনাৰ মাজেৰে আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনত সেৱা কৰা সুযোগ দিলে তাৰ বাবে আটাইলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

বি.এইচ. বি মহাবিদ্যালয়খনে আমাৰ এই অঞ্চলৰ শিক্ষা জগতখনক নেতৃত্ব দি আহিছে। শিক্ষাৰ ক্ষেত্ৰত ইয়াৰ সুনাম সৰ্বজনবিদিত। সংস্কৃতি আৰু সমন্বয় এনাজৰীৰ এক নিবিড় বান্ধোনেৰে বান্ধ খাই আছে বি.এইচ. বি মহাবিদ্যালয়।

B.H.B. College, Sarupeta

আলোচনী এখন সম্পাদনা কৰা সহজ কাম নহয়, যদিহে পূৰ্বৰ অভিজ্ঞতা নাথাকে আৰু কঠিন হৈ পৰে। আ
যিখিনি অভিজ্ঞতা আছে সেইখিনি পৰ্য্যাপ্ত নহয় বুলিয়ে ভাব হয় তথাপি চেষ্টাৰ ত্ৰুটি কৰা নাই পূণাংগ আলোচনী এখন প্ৰ

প্ৰতিবছৰে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা উত্থাপিত সেই একেটা প্ৰশ্নৰ অবসান আমাৰ কাৰ্য্যকালত ঘটাম বুলি ভা
মহাবিদ্যালয়ৰ আলোচনী ওলাওতে পলম হয়। কিন্তু কিয় পলম হয় তাৰ বিচাৰ কোনেও নলয়। এখন উন্নত মানৰ আলোচনী
উন্নত মানদণ্ডৰ লিখনি। কিন্তু তাৰ অভাব বাৰুকৈয়ে উপলব্ধি কৰিব লগাত পৰিছোঁ। মহাবিদ্যালয়ত এবছৰ পলমকৈ ওলোৱ
যাতে ঠিক সময় মতে ওলায় তাৰ বাবে ২০০৫-০৬ বৰ্ষৰ আলোচনী এইবাৰ এখনকৈ আপোনালোকৰ হাতত দিয়াৰ ব্যৱ

আলোচনীখন সৰ্বাংগ সুন্দৰ কৰি আপোনালোকৰ হাতত দিব যাওঁতে জ্ঞাতে অজ্ঞাতে বৈ যোৱা আঁসোৱাহখিনি, ক্ষ
সহানুভূতিৰে বিবেচনা কৰাৰ আশা কৰিছো লগতে আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰা সমূহ লেখক লেখিকা সকলক এই চ
কৃতজ্ঞতা জ্ঞাপন কৰিছো।

*খনীন্দ্ৰ দাস, জিন্টু ডেকা*
*সম্পাদক, আলোচনী বিভাগ।*
*বি.এইচ.বি মহাবিদ্যালয় ছাত্ৰ একতা সভা।*

❑❑❑

B.H.B. College, Sarupeta

# সূচীপত্ৰ

## প্ৰবন্ধ


- মাধৱ কন্দলীৰ ৰামায়ণত ধৰ্ম আৰু নৈতিক দৰ্শন : এটি সম্যক বিশ্লেষণ। — ড° অমিয়া মহন্ত — ১
- সকলোৰে বাবে গ্ৰন্থ; গ্ৰন্থৰ বাবে সকলো। — করুণামোহন শৰ্মা — ৫
- ছহিদ খৰ্গেশ্বৰ তালুকদাৰলৈ শ্ৰদ্ধাঞ্জলি : (এটি অবিস্মৰণীয় দিনৰ উল্লিখন সহ) — বীৰেণ কলিতা — ৮
- ঐতিহাসিক প্ৰেক্ষাপটত উত্তৰ-পূৰ্বাঞ্চলৰ গোষ্ঠীগত বিদ্ৰোহ আৰু গোষ্ঠীগত পৰিচয়ৰ সংকট — কল্পনা বৈশ্য — ১০
- লোক সংস্কৃতিত তামোল পাণৰ বৈশিষ্ট্য — মিনু পাটগিৰী — ১৩
- মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত ' আদি দশম' গ্ৰন্থত সমাজ জীৱনৰ চিত্ৰ : এটি চমু আলোচনা— — নমিতা দাস শুকং — ১৫
- চৰ্যাপদ আৰু দেহবিচাৰৰ গীতৰ মাজত থকা তাত্বিক সাদৃশ্যৰ এক তুলনামূলক আলোচনা : — কঙ্কু বৈশ্য — ২০
- অসমীয়া সমাজ জীৱনত মহাপুৰুষ শংকৰদেৱৰ অৱদান — জুমি দাস — ২২
- হৰণ কাব্য আৰু অনন্ত কন্দলিৰ 'কুমৰ হৰণ' কাব্য — অনুস্মিতা তালুকদাৰ — ২৪


## কবিতা


- সময়ে সামৰি থব নোৱাৰে — বৰুণ তালুকদাৰ — ২৬
- ভালপোৱা — শিৱেন ডেকা
- এজাক বৰষুণৰ অপেক্ষাত — অংকুমনি দাস
- অব্যক্ত বেদনা — ডেইজী দাস — ২৭
- [illegible] অনুভৱ — নীলাক্ষী দাস
- অনুভূতিৰ কবিতা — জোনালী দাস — ২৮
- পুনৰ নেকি দেখা এবাৰ! — পোনাস্মিতা ডেকা
- জোনাক — নবকান্ত পাটগিৰী — ২৯
- প্ৰতীক্ষা — দীপামণি দাস
- প্ৰেমত নপৰো কেনেকৈ — দীপক পাঠক


B.H.B. College Sarupeta

| | |
|---|---|
| ➢ স্নেহাংকৰ | ৰাহুল অধিকাৰী |
| ➢ নৱবৰ্ষৰ মধুৰ ক্ষণত ঃ | বিউতী দাস |
| ➢ আমাৰ প্ৰতিশ্ৰুতি | কমী বৰ্মন |
| ➢ তোমাৰ অপেক্ষাত | জ্যোত্মা বৈশ্য |
| ➢ স্মৃতি | শৰ্মিলা পাঠক |
| ➢ অনাহূত | ছোনিয়া বেগম |
| ➢ সোঁৱৰণি | ইনুমা মজুমদাৰ |
| ➢ জোনাক নিশাৰ বিচ্ছিন্ন সপোন | পম্পী দাস |
| ➢ স্মৃতি | শিবেন ডেকা |
| ➢ ছাত্ৰ-ছাত্ৰীৰ অনুভৱ | সাক্ষাৎ গ্ৰহণকাৰীঃ খনিন্দ্ৰ দাস |


## গল্প


| | |
|---|---|
| ➢ সমৰ্পন | অংকুমনি দাস |
| ➢ খিৰিকিত তোমাৰ মুখ | বৰ্ণালী অধিকাৰী |
| ➢ প্ৰেম এক বৰ্ণিল প্ৰকাশ | ৰীতামণি কলিতা |
| ➢ তেজৰ চেকা | প্ৰণীতা দাস |
| ➢ পূৰ্ণতা | পুতুৰেখা কলিতা |
| ➢ নীলা খামৰ চিঠি | দিগন্ত বৈশ্য |
| ➢ আৰোগ্য | ফনীধৰ তালুকদাৰ |
| ➢ ৰায়থায় | *Ananda Lahary* |


## ENGLISH SECTION


| | |
|---|---|
| ➢ **Gender Discrimination and its Impact on Economic Development of Assam.** | *Dr. Gayatri Medhi.* |
| ➢ **LESSON TAUGHT THE HARD WAY** | *Dr. C. Densingh* |
| ➢ **A FEW WORDS ON ENVIRONMENTAL ETHICS** | *Dr. Dhira Talukdar* |
| ➢ **Development of Logic** | *Mrs. Rina Rani Deka* |
| ➢ **Music, the food of life.** | *Kalyan Kalita* |
| ➢ **SMALL FAMILY NORMS** | *Sri Krishna Talukdar* |
| ➢ বিভাগীয় সম্পাদকৰ প্ৰতিবেদন | |


B.H.B. College Sarupeta

# বি. এইচ্. বি. মহাবিদ্যালয় আলোচনী



এক বিশেষ মুহূৰ্তত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত চন্দ্ৰকান্ত তালুকদাৰদেৱ

B.H.B. College, Sarupeta

# সম্পাদনা সমিতি



শ্ৰীচন্দ্ৰ কান্ত তালুকদাৰ
সভাপতি, সম্পাদনা সমিতি



ড° অমিয়া মহন্ত, সদস্যা



শ্ৰীবীৰেণ কলিতা, সদস্য



ড° গায়ত্ৰী মেধি, সদস্যা



শ্ৰীফনীধৰ তালুকদাৰ,
তত্বাবধায়ক (২০০৫-০৬)



শ্ৰীবীণা ৰাণী ডেকা,
তত্বাবধায়িকা (২০০৬-০৭)



শ্ৰীখনীন্দ্ৰ দাস,
সম্পাদক, (২০০৫-০৬)



শ্ৰীজিন্টু ডেকা
সম্পাদক, (২০০৬-০৭)

B.H.B. College, Sarupeta

প্ৰবন্ধ

# মাধৱ কন্দলীৰ ৰামায়ণত ধৰ্ম আৰু নৈতিক দৰ্শন ঃ এটি সম্যক বিশ্লেষণ।

*ড° অমিয়া মহন্ত,*
*চিলেক্‌চন গ্ৰেড্‌ প্ৰবক্তা, অসমীয়া বিভাগ।*

অনুমানিক তৃতীয় শতিকাত মহামুনি বাল্মিকীৰ দ্বাৰা ৰচিত ৰামায়ণ মহাকাব্যই ভাৰতীয় সভ্যতা সংস্কৃতি আৰু কলা সাহিত্যত এক অভূতপূৰ্ব প্ৰভাৱ বিস্তাৰ কৰিছিল বুলি বিভিন্ন তথ্যই প্ৰতিপন্ন কৰে। ৰামায়ণক 'আদিকাব্য' বোলা হয়। সেয়ে কবি বাল্মিকীকো কোৱা হয় 'আদিকবি'। এই কাব্যখনে সাধাৰণ আৰু পণ্ডিতলোক উভয়কে আকৰ্ষণ কৰিব পৰা হেতুকে ইয়াৰ প্ৰসাৰৰ ব্যাপকতা লক্ষ্য কৰিব পাৰি। অসমতো ৰামকথাৰ প্ৰচলন বহু পুৰণি। এই কথাৰ সত্যতা ৰামকথাৰ উল্লেখ থকা 'কালিকা পুৰাণৰ' সহায়ত নিৰূপণ কৰিব পাৰি।

'কালিকাপুৰাণ'ত আছে—

পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম। (পদ নং ২০৮)

অসমীয়া ভাষাত ৰামায়ণ বুলি কলে মাধৱ কন্দলী বিৰচিত ৰামায়ণক বুজা যায়। প্ৰাক্ বৈষ্ণৱ যুগৰ এইগৰাকী শ্ৰেষ্ঠ কবিয়ে চতুৰ্দশ শতিকাতে উত্তৰ পূৱ ভাৰতৰ সকলো প্ৰাদেশিক ভাষাৰ ভিতৰত প্ৰথম সংস্কৃত ৰামায়ণৰ অনুবাদ কৰি কৃতিত্ব ৰাখিছে। এইগৰাকী 'অপ্ৰমাদী কবি'ৰ স্বকীয় কাব্য প্ৰতিভাৰ বলত অসমৰ লোকসমাজৰ লগতে নৈসৰ্গিক জগতখন ৰামায়ণৰ পাতে পাতে জিলিকি উঠিছে। এই ক্ষেত্ৰত 'পৰিবেশ সংৰক্ষণশীলতা'ক কবিগৰাকীয়ে যে বিশেষ গুৰুত্ব আৰোপ কৰিছিল তাৰ প্ৰমাণ আছে।

মাধৱকন্দলীয়ে ৰামায়ণ ৰচনা প্ৰসঙ্গত লেখা 'দৈৱবাণী নোহে ইটো লৌকিকহে কথা' উক্তিয়ে বিশেষ বৈশিষ্ট্য বহন কৰিছে। একালে মাধৱকন্দলীয়ে ৰামকথাক 'লৌকিক' বুলি কোৱাৰ বিপৰীতে বৈষ্ণৱ যুগত ৰামক 'অলৌকিক' ভগবান ৰূপতহে তুলি ধৰা হৈছিল। 'কুমিসবে নিবন্ধয় লোক ব্যৱহাৰে' কথাষাৰেও ৰামায়ণ যে লোককাব্য এই কথা প্ৰতিপন্ন কৰে।

'সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো' বুলি মাধৱ কন্দলীয়ে লিখিলেও আদি আৰু উত্তৰাকাণ্ড বাদ দি মাজৰ পাঁচটা কাণ্ডহে তেওঁৰ নামত পোৱা যায়। আদিকাণ্ড মাধৱদেৱে আৰু উত্তৰাকাণ্ড শঙ্কৰদেৱে ৰচনা কৰি সপ্তকাণ্ড ৰামায়ণ সম্পূৰ্ণ কৰা হৈছে।

ৰামায়ণৰ ৰচনাকাল তৃতীয়শতিকা বুলি কোৱা হৈছে। ড° এম উইণ্টাৰনিংসে তেওঁৰ History of Indian Literature গ্ৰন্থত ৰামায়ণ ৰচনাৰ কাল খৃঃ পূঃ তৃতীয় শতিকা বুলি লিখিছে।

জুই আৰু কৃষিৰ ব্যৱহাৰে আদিম ভ্ৰাম্যমান সমাজখনত এটা স্থিতাৱস্থা আনি দিছিল আৰু তাৰ ফলতে আৰম্ভ হৈছিল সমাজ-জীৱন। খৃঃ পূঃ তৃতীয় শতিকাৰ ভাৰতবৰ্ষ আছিল বিভিন্ন ফৈদৰ বাসভূমি। এখন আৰ্য্যসমাজ প্ৰতিষ্ঠাৰ লক্ষ্য লৈ উত্তৰ ভাৰতত থিতাপি লোৱা আৰ্য্যসকলে নিজৰ প্ৰতিপত্তি বৃদ্ধিৰ বাবে সেইসময়ত ভাৰতৰ বাসিন্দা অনাৰ্য্যসকলৰ সৈতে সংঘৰ্ষত লিপ্ত হ'বলগীয়া হৈছিল। এওঁলোকক 'অসুৰ' বুলি কোৱা হৈছিল। নিজৰ লক্ষ্যত উপনীত হবলৈ আৰ্য্যসকলে আৰ্যীকৰণ অব্যাহত ৰাখিছিল। 'বানৰ' জাতিৰ লোকসকলৰ সৈতে আৰ্য্য ৰামে বন্ধুত্ব গঢ়ি 'ৰাক্ষস' জাতিৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। ৰাক্ষস সকল অসুৰ দক্ষিণভাৰতৰ অধিবাসী আছিল আৰু তেওঁলোক যুদ্ধবিদ্যা, প্ৰযুক্তিবিদ্যা, চিকিৎসাবিদ্যাত পটু লোক আছিল।

আৰ্য্যসকলে ভালেমান বিচ্ছিন্ন আদিম গোষ্ঠীক পদদলিত কৰি তেওঁলোকৰ বিশ্বাস পৰ্য্যন্ত নিঃচিহ্ন কৰিছিল বুলি ড° ডি ডি কোশাম্বীয়ে তেওঁৰ ৰচিত 'ভাৰতৰ ইতিহাস' গ্ৰন্থত উল্লেখ কৰিছে (পৃঃ ৯১)। পিচত তাৰ অৱশিষ্ট উপাদানৰ সহায়ত নতুন সমাজ এখন গঢ়িবলৈ পৰিকল্পনা কৰিছিল সেইখন সমাজৰ কাঠামো তৈয়াৰ হৈছিল ধৰ্ম আৰু নৈতিকতাৰ দৰ্শনক ভিত্তি কৰি। তেনে ধৰ্ম আৰু নৈতিকতাৰ প্ৰসাৰণ ঘটাবলৈ প্ৰয়োজন হৈছিল তেনে এটি আদৰ্শ চৰিত্ৰৰ। সেই চৰিত্ৰটোৱেই হৈছে উদীয়মান এগৰাকী তৰুণ যুৱক-নাম তেওঁৰ ৰাম। যিখন পৰিকল্পিত ৰাজ্যৰ নীতি আদৰ্শ বহনৰ দায়িত্ব ৰাম নামৰ সেই যুৱকজনে গ্ৰহণ কৰিছিল সেইখন আদৰ্শ ৰাজ্য মাধৱ কন্দলীয়ে ৰামায়ণৰ লঙ্কাকাণ্ডৰ ৫৬ অধ্যায়ত বৰ্ণনা কৰিছে এনেদৰে-

ৰামৰ ৰাজ্যত কিছু অন্যায়ক নোৱাৰয়
উচিতত তুলি লয় কৰ।
পৃথিবীত সৰ্ব্ব শষ্য উপজয় মধুফল
কুসুমে ভূষিত তৰুবৰ।।
বৎসৰ দ্বাদশ শত আৰোগ্য জীৱয় নৰ
আৰ জিয়ে সহস্ৰ সংখ্যাত।

B H B College, Sarupeta

নাৰীসবে সুস্বামীৰ পতিব্ৰতা ধৰ্ম কৰে
পিতৃ আগে পুত্ৰ নোহে পাত।।
ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য শুদ্ৰসবে আচৰয়
যাহাৰ বিহিত যেন ধৰ্ম।
দেৱ দ্বিজ পিতৃ-মাতৃ গুৰু আৰাধন পৰ
কাহাৰে নাহিকে নিত্য কৰ্ম।।

ওপৰত বৰ্ণিত কথাংশৰ মাজেৰে ৰামায়ণ যুগৰ নিৰ্দ্ধাৰিত আদৰ্শ সমাজখন জিলিকি উঠিছে। তাত যি নৈতিক আদৰ্শ প্ৰকাশ পাইছে সেয়া হ'ল পৰম কল্যাণ।

নৈতিক শব্দক ইংৰাজীত Moral বোলে। এই শব্দটো লেটিন বিশেষ্য 'Mores' ৰ পৰা আহিছে। Mores ৰ অৰ্থ ৰীতি-নীতি। আনহাতে গ্ৰীক বিশেষ্য Ethos শব্দৰ অৰ্থও ৰীতি-নীতি। গতিকে Ethicsআৰু Moral সমাৰ্থক শব্দ।

আটাইতকৈ যি ভাল সিয়েই নীতি বা নৈতিকতা। মানুহৰ মনৰ তিনিটা ক্ৰিয়া আছে- চিন্তা, ইচ্ছা আৰু অনুভৱ। এই তিনিটাৰ আদৰ্শ হ'ল সত্য, শিৱ আৰু সুন্দৰ। মানুহৰ আচৰণৰ ভাল বেয়া নিৰূপন কৰা হয় কেতবোৰ নিয়মৰ ভিত্তিত। এই নিয়মবোৰো তৈয়াৰ কৰা হয় পৰম শ্ৰেয়ৰ লক্ষ্যত। পৰম শ্ৰেয়ক নীতি শাস্ত্ৰত Highest good বুলি কোৱা হৈছে। নীতিশাস্ত্ৰবিদ মেকেঞ্জিৰ মতে........to define the highest good as a perfectly ordered universe apprehended and chosen as such". এখন সমাজত যিসকল লোকে বাস কৰিব তেওঁলোকে কৰা আচৰণৰ ভাল বেয়া দিশ নীতিশাস্ত্ৰত বিচাৰ কৰা হয়। Ethics is the study of what is right or good in human conduct (Mackenzie, A manual of Ethics, 1956,Page 184). মানুহৰ আচৰণ কেনে হোৱা উচিত কোনো নৈতিক আদৰ্শৰ প্ৰসঙ্গত মানুহৰ কৰ্মৰ ওপৰত প্ৰমূল্যাত্মক বচন নিৰ্ধাৰণ কৰি এই কাম কৰা হয়।

এখন শৃঙ্খলাবদ্ধ সমাজতহে ব্যক্তিয়ে তেওঁৰ চৰম লক্ষ্যত উপনীত হ'ব পাৰে। এই চৰম লক্ষ্যই পৰম কল্যাণ। নৈতিক জীৱনৰ বাবে সুস্থ ৰাজনৈতিক পাৰিপাৰ্শ্বিকতাৰ প্ৰয়োজন। মানুহ এক সামাজিক জীৱ। মানুহে স্বাৰ্থপৰ ভাৱক প্ৰশ্ৰয় দিলে সমাজৰ শৃঙ্খলা ব্যাহত হ'ব। গতিকে খোৱা-বোৱা, চলা-ফিৰা সকলোতে সংযমী হব লাগে। শুদ্ধ আৰু অশুদ্ধ কৰ্মই চৰিত্ৰৰ গুণ আৰু দোষৰ জন্ম দিয়ে। আনহাতে মানৱ সমাজৰ ঔচিত্য কৰ্তব্য আৰু সদগুণৰ স্বৰূপ জনা নাথাকিলে সি আয়ত্বধীন নহয়। ব্যক্তিৰ সমাজ জীৱনৰ কৰ্মৰ উৎস,কামনা আৰু সুখ, ইচ্ছাৰ স্বাধীনত, ঈশ্বৰ, আত্মাৰ অমৰত্ব, ব্যক্তিৰ সমাজৰ সৈতে সম্পৰ্ক, ব্যক্তিৰ ৰাজ্য বা ৰাষ্ট্ৰৰ সৈতে স[...] কৰ্ম আৰু ব্যক্তিৰ কৰ্ত্তব্য সম্পৰ্কে সম্যক জ্ঞান নাথ[...] সুন্দৰ হ'ব নোৱাৰে।

ৰামায়ণত ওপৰোক্ত নৈতিক দৰ্শন পৰিস্ফুট[...] কাহিনীৰ অৱতাৰণা কৰা হৈছে। ব্যৱহাৰিক জীৱনৰ স[...] শুদ্ধতা, অশুদ্ধতা, তাৰ বাবে প্ৰতিফল ভোগ ৰাম[...] পাইছে। কৰ্ত্তব্যৰ প্ৰতি হোৱা নৈতিক উপলব্ধিয়ে[...] কাৰ্য্যকৰণ সম্ভৱ কৰি তোলে আৰু ইয়াৰ প্ৰভাৱত[...] হয়।

কন্দলী ৰাময়ণৰ কাহিনীত বৰ্ণিত মতে ৰা[...] থকা কৰ্ত্তব্য পালন কৰিছে-

প্ৰদক্ষিণ কৰি ৰামে বুলিলন্ত বাণী।
আমাৰ জীৱন যেন পদ্মপত্ৰ পানী।। ৪৪
পিতৃদেৱ তোমাৰ সত্যক ৰক্ষা কৰি।
নিশ্চয়ে চলিবো বন ৰাজ্য পৰিহৰি।। ৪৫
(আযোধ্যাকাণ্ড, ১৪ অধ্যায়)

ৰামৰ বনবাস গমনে দশৰথক যি মনোকষ্ট দি[...] তেওঁ বহুবিবাহ ব্যৱস্থাকে জগৰীয়া কৰি দশৰথে কৈ[...]

মাথা তুলি পাচে দশৰথ বুলিলন্ত।। ৩৮
স্ত্ৰীজন বঢ়াই বৰ ভৈলোহো হতাশ।
কৈকেয়ীক বৰ দিয়া চিন্তিলো বিনাশ।।

ৰাম আৰু দশৰথৰ ওপৰোক্ত দুয়োটা উক্তি[...] আৰু অশুদ্ধ কৰ্ম ঘোষণা কৰিছে। এনে শুদ্ধ আৰু অ[...] জীৱনৰ অঙ্গীভূত হৈছিল।

'ব্যক্তিৰ বাছনি বা পছন্দৰ লগতহে নৈতি[...] সম্পৰ্ক আছে। ব্যক্তিয়ে যেতিয়া এটা শুদ্ধ কাৰ্য্য নিৰ্ব[...] ভাবে যে সেই কাৰ্য্যই মঙ্গল বা শুভ আনিব, তেতিয়া[...] লগত নৈতিকতা জড়িত "(নীতিবিজ্ঞান, ড° জ্যো[...] পৃঃ ১৭৭) । ৰামৰ বনবাসৰ সিদ্ধান্ত এনে নৈতিকতা[...] হৈছিল। নৈতিক আদৰ্শ আনুযায়ী যি কাম কৰা হয় ত[...] কৰ্ত্তব্যবোধৰ সৈতে নৈতিক বাধ্যতাবোধ সংযুক্ত।[...] কৰ্ত্তব্য হ'ল নিজৰ লগতে আনৰ প্ৰতি শ্ৰদ্ধাশীল হো[...] প্ৰতি যথেষ্ট শ্ৰদ্ধাভাব থকা বাবে বনবাসৰ সিদ্ধান্ত লৈ[...] নিৰ্দোষিতা ঘোষণা কৰিছে-

ৰাজা বৰ দিলা লৈলা কৈকেয়ী সাদৰি।
তান অপৰাধ আচৰিবো কেনে কৰি।।
কৈকেয়ীক নৃপতি পূৰ্বত দিলা বৰ।



B.H.B. College, Sarupeta

[illegible] কিছু দোষ মই নেদেখো বাপৰ।। ১২৫

(অযোধ্যাকাণ্ড ,১০ অধ্যায়)

ঠিক একেদৰে সত্যৰ প্ৰতি শ্ৰদ্ধা আৰু সামাজিক নিয়ম শৃংখলাৰ প্ৰতি শ্ৰদ্ধাও কৰ্তব্যৰ অৰ্ন্তভুক্ত। ৰাজ্য পৰিচালনা কৰাজনৰ নৈতিক জ্ঞানৰ বোধ থাকিলেহে ৰাজ্যবাসীও আগুৱাই যাব পাৰে।

অসৎ আচৰণৰ দ্বাৰা মানুহৰ অকল্যাণ হয়। এনে বৰ্ণনা ৰামায়ণৰ কিষ্কিন্ধা কাণ্ডত পোৱা যায়- 'বালীবধ'ৰ সময়ত বালিৰ মুখেৰে ব্যক্ত হৈছে-

ব্ৰহ্মবধ সুৰাপান গুৰুৰ ভাৰ্য্যাক হৰে
মহাপাপ সুবৰ্ণ হৰণ।
[illegible] পিতৃবধ গুৰু তিৰী মাৰে আনো
আচৰে যতেক পাপগণ।। ১২
মিত্ৰদ্ৰোহ মহাপাপ সবাহতে গুৰুতৰ
ইহাক আচৰে যিটো নৰ।
জানিবা নিশ্চয় ৰাম নৰক ভুঞ্জিয়া মৰে
যাৱে থাকে চন্দ্ৰ দিবাকৰ।। ১৩

[illegible] দুষ্টক দমন কৰা ৰজাৰ বা শক্তিশালীজনৰ কৰ্তব্য। সেয়ে ৰামৰ মুখেৰে ব্যক্ত হৈছে-

নাহি দোষ ভকতদ্ৰোহীক কৰো হত।

'ভকত' বুলি ইয়াত সুগ্ৰীৱক কোৱা হৈছে।

দাৰ্শনিক কৌটিৰ মতে "সমাজৰ হিতৰ অৰ্থে কৰা কামেই ধৰ্ম"। ধৰ্ম হ'ল নৈতিকতাৰ আদৰ্শগত ভিত্তি আৰু নৈতিকতা হ'ল ধৰ্মৰ বাহ্য প্ৰকাশ। সত্যকথা কোৱা , চুৰ নকৰা, দয়া, মৰম ভালপোৱা, সহায় কৰা, লোকৰ দুখত দুখী হোৱা আদি মানৱ ধৰ্ম। ইয়াক পালন কৰাৰ অৰ্থ নৈতিক ভাৱে জীৱন যাপন কৰা।

মনুৱে কৈছে য'ত সমস্ত প্ৰাণীৰ কল্যাণ নিহিত আছে সেয়ে ধৰ্ম। মনুসংহিতাত আছে- "আচাৰঃ পৰম ধৰ্ম"। তাত আকৌ কৈছে- [illegible] প্ৰাচীন সৎ ব্যক্তিসকলে নিতৌ যি পালন কৰে সেয়ে ধৰ্ম। ধৰ্মৰ এটা প্ৰধান অঙ্গ হ'ল- আত্মসন্তুষ্টি। আৰ্য্যসকলৰ ধৰ্ম আছিল যজ্ঞকেন্দ্ৰীক। ৰামৰ অভিষেক উৎসৱৰ দিনা যজ্ঞৰ আয়োজন কৰিছে [illegible] "ৰাম যুৱৰাজ হৈবে সমস্তৰে ইচ্ছা"। অৱশ্যে ৰামৰ [illegible] আয়োজন কৰি আগদিনা বশিষ্ঠ পুৰোহিতে [illegible] কৰিছিল যদিও পিচদিনা যজ্ঞ অনুষ্ঠিত নৌহওতেই ৰাণী কৈকেয়ীয়ে বিৰি পথালি দিলে। ৰামে ৰাজপাট এৰি বনবাসী হ'বলগীয়া হ'ল।

'যজ্ঞ' ক ইমান গুৰুত্ব দিয়াৰ বাবেই সেই যুগত অগ্নি প্ৰধান দেৱতা আছিল। দৰাচলতে জুইৰ আৱিষ্কাৰে সেই যুগত এক বৈপ্লৱিক পৰিবৰ্তন আনিছিল। ধাতুৰ নানা সামগ্ৰী ব্যৱহাৰৰ উপৰিও কৃষিক্ষেত্ৰতো সেই যুগত উন্নত অৱস্থা পাইছিল। সেয়ে অগ্নিদেৱতাই প্ৰাধান্য পোৱা স্বাভাৱিক।

পুৰুষদেৱতাৰ উপৰিও ৰামায়ণত নাৰী দেৱতাৰ পূজা কৰাও দেখা যায়। নাৰী দেৱতা হিচাপে 'পাৰ্বতী' ৰ নাম উল্লেখযোগ্য। আৰ্য্যসকল ভাৰতলৈ অহাৰ আগতে ভাৰতত অনাৰ্য্যসকলে বাস কৰিছিল আৰু তেওঁলোক আছিল মাতৃদেৱতাৰ পূজক। আৰ্যীকৰণ প্ৰক্ৰিয়াৰে আৰ্য্যসকলে অনাৰ্য্যসকলক বশ কৰিছিল আৰু নিজৰ অধীনলৈ আনিছিল। সেয়ে সমন্বয়ৰ স্বাৰ্থত পুৰুষদেৱতাৰ লগতে নাৰীদেৱতাৰ পূজাও সমান্তৰালভাৱে প্ৰচলিত হৈছিল। এনে প্ৰসঙ্গতে India: an Anthropological perspective নামৰ গ্ৰন্থত টাইলাৰে (Stephen A Tyler) লিখিছে- " There is no doubt: that mother Goddess worship continued among the lower orders and non-Aryans right through the period of Aryans predominance" (Page 100) . অৱশ্যে মাতৃদেৱতা পূজিত হলেও তেওঁৰ স্থান আছিল গৌণ। কাৰণ আৰ্য্যসকলৰ সমাজ আছিল পুৰুষতান্ত্ৰিক। তেওঁলোকে ভাৰতলৈ আহিও এখন পুৰুষতান্ত্ৰিক সমাজহে প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল। 'ৰামায়ণ' ত সেয়ে পুৰুষৰ দণ্ডতেই সকলো কাম সম্পন্ন হোৱা দেখা যায়। দেৱতাৰ ক্ষেত্ৰতো সেয়ে পুৰুষ দেৱতাৰ স্থানহে মুখ্য। 'অশ্বমেধ যজ্ঞ'ৰ আয়োজন কৰোঁতে আন দেৱতাৰ লগতে নাৰায়ণো উপস্থিত আছে; কিন্তু ইয়াত কোনো নাৰী দেৱতাৰ উপস্থিতিৰ উল্লেখ নাই। দেখা যায় এই সময়ৰ পৰাই নাৰীৰ সামাজিক জীৱন অৱদমিত হৈছে। ৰামায়ণৰ যুগৰ ধৰ্মীয় জীৱনৰ আভাসপোৱা যায় যাগ যজ্ঞৰ জৰিয়তে। পুৰোহিতসকলে যজ্ঞৰ দৰে এই প্ৰক্ৰিয়াটো সম্পাদন কৰিছিল। দেৱতাৰ সন্তুষ্টিৰ বাবে যজ্ঞৰ মন্ত্ৰপাঠ কৰা হয়। অনেক দেৱতা অৰ্থাৎ নাৰায়ণ, ব্ৰহ্মা, বিষ্ণু, ইন্দ্ৰ, শিৱ (মহেশ্বৰ) পাৰ্বতী, অগ্নি আদি দেৱতাসকলক পূজা কৰিলেও এক ঈশ্বৰৰ বিশ্বাস দেখা যায়। যজ্ঞ সমাপনৰ প্ৰসঙ্গত নাৰী আৰু পুৰুষ উভয়ে সমানভাৱে গুৰুত্ব লাভ কৰিছিল। এই কথা ৰামৰ অশ্বমেধ যজ্ঞ প্ৰসঙ্গত প্ৰকাশ পাইছে। ৰামায়ণৰ 'উত্তৰাকাণ্ড' ত ৰামৰ অশ্বমেধ যজ্ঞৰ কথা কোৱা হৈছে। কিন্তু নিৰ্বাসিত সীতা সেই সময়ত অযোধ্যাত অনুপস্থিত। সেয়ে সমস্যা ডাঙি ধৰিছে ৰামৰ আগত পঞ্চম অধ্যায়ত-

বশিষ্ঠ বদতি শুনা ৰঘুপতি
মিলিল পৰম চিন্তা।
কেনে যজ্ঞ ভূমি প্ৰবেশিবা তুমি
লগত নাহিকে সীতা।। ১

B.H.B College Sarupeta

"আৰ্য্যসকলে অগ্নিক পবিত্ৰ জ্ঞান কৰি তেওঁক ডাঙৰ বৈদিক দেৱতা কৰি লৈছিল"- এই কথা লিখিছে ড° ডি.ডি.কৌশাম্বীয়ে 'ভাৰতৰ ইতিহাস' গ্ৰন্থত। একেখন গ্ৰন্থতে তেওঁ আকৌ লিখিছে- "নিজৰ যুক্তি আৰু কাৰিকৰি শক্তিৰ আয়ত্তৰ বাহিৰৰ ৰহস্যময় পৰিবেশ নিয়ন্ত্ৰণ কৰাৰ চেষ্টাৰ ফল স্বৰূপেই এইবোৰ ধাৰণাৰ জন্ম হয়" (পৃঃ ৩০/৩১)।

'অশ্বমেধ যজ্ঞ' ৰাজতন্ত্ৰৰ সৈতে জড়িত এটি যজ্ঞ। এজন সাৰ্বভৌম নৃপতি হবলৈ ৰামে এই যজ্ঞৰ আয়োজন কৰিছিল।

আনহাতে ৰামায়ণত 'ৰাজসূয় যজ্ঞ' ৰ কথাও আছে। 'অভিষেক প্ৰথা' ৰাজসূয় যজ্ঞৰ এটা অঙ্গ বুলি 'বেদৰ পৰিচয়' গ্ৰন্থতো উল্লেখ আছে (পৃঃ ১৬১ ড° যোগীৰাজ বসু)। ৰাজ্যৰ ৰাজন্যবৰ্গ, পুৰোহিত আৰু প্ৰজা-সকলৰ প্ৰতিনিধিৰ সম্মতি সাপেক্ষে ৰজাৰ অভিষেকৰ আয়োজন কৰা হয়। ৰামায়ণৰ 'অযোধ্যাকাণ্ড' ৰ তৃতীয় অধ্যায়ত ৰামৰ অভিষেক উৎসৱৰ এক আনন্দমুখৰ পৰিবেশৰ বৰ্ণনা আছে। তাত ৰাজপুৰোহিত বশিষ্ঠ, মন্ত্ৰী সুমন্ত,ৰজা দশৰথ আৰু প্ৰজা বা পাত্ৰলোকে মহা আনন্দেৰে অংশগ্ৰহণে সামাজিক মৰ্য্যদা হ্ৰাস পাইছে। পুৰুষে বহুপত্নী ৰাখিব পাৰিছিল, কিন্তু নাৰীৰ সেই অধিকাৰ খৰ্ব কৰা হৈছিল।

অনুমান হয় ৰামায়ণৰ যুগত মনু সংহিতা'ক অনুকৰণ কৰা হৈছিল। মনু সংহিতাত অনুমোদন কৰাৰ দৰেই ৰাৱণৰ কবলৰ পৰা উদ্ধাৰ কৰি অনা সীতাৰ প্ৰতি ৰামে আচৰণ প্ৰদৰ্শন কৰিছে। শয়নে সপোনে সীতাৰ ৰামৰ প্ৰতিয়েই ধ্যান বুলি কোৱাৰ পিচতো ৰামে সীতাক বিশ্বাসত লোৱা নাই। লঙ্কাকাণ্ডৰ পঞ্চাশ অধ্যায়ত ৰামে সীতাক কৈছিল-

ৰাৱণৰ গৃহত আছিলা চিৰকাল।
পুনৰপি তোমাক নিবাক নুহি ভাল।। ৪৮

গতিকে সীতাক ৰামে আকৌ কৈছে একেটা অধ্যায়তে -

লক্ষণত ভক্ত নুহি ভক্ত ভৰতত।
বিভীষণ ভক্ত নোহে জানিয়া তোমাক।
ৰাৱণে ক্ষমিব হেন পতিয়াস কাক।। ৫১

ৰামায়ণত প্ৰকাশ পোৱা এনেবোৰ সমাজ ধৰ্মৰ নৈতিক কথা মনুৱে নিৰ্দ্ধাৰণ কৰা আৰু সেই ধৰ্মীয় নীতি আজিও বৰ্ত্তি আছে।

ৰামায়ণৰ যুগত 'সত্য' ক ধৰ্মজ্ঞান কৰা হৈছিল। ৰামৰ উপৰিও ৰামায়ণৰ আন চৰিত্ৰৰ ক্ষেত্ৰটো এই কথা প্ৰযোজ্য। উদাহৰণ স্বৰূপে 'লঙ্কাকাণ্ড' ৰ ৩৪ অধ্যায়ত বিভীষণে কৈছে

ৰাক্ষস কুলত আমি উতপতি লভিলে
ধৰ্ম্ম ছাৰি নজানিলো আন।

—ইয়াত 'ধৰ্ম্ম' শব্দটো সত্য অৰ্থত ব্যৱহ
সদায় স্থায়ী গতিকে সত্যত আশ্ৰয় ললে মানুহৰ এদিন

আশ্ৰিত প্ৰাৰ্থীজনক আশ্ৰয় দান দিয়া
ভিতৰুৱা। আপোন ৰাজ্য ত্যাগ কৰি কোনেৰে
ললে শত্ৰুজনকো আশ্ৰয় দিয়াটো দায়িত্ব। 'সুন্দৰাকাণ্ড
শৰণ প্ৰসঙ্গত ৰামে কৈছে-

বাপক কাটিয়া যদি শৰণ মাগয়।
সিসবো বৈৰকো ক্ষমা কৰিবে লাগয়।। ৫

ধৰ্ম প্ৰকৃততে কেবা প্ৰকাৰৰো- ৰাজধৰ্ম, প্ৰজাধৰ্ম,

নাৰীবধ মহাপাপ। কিন্তু ৰাজধৰ্মত
অনুমোদন কৰা আছে। নহলে সন্ত্ৰাসৰ সৃষ্টি কৰা
কৰিবলৈ ইতস্তত কৰা ৰামক বশিষ্ঠই কৈছে-

মুনি বুলিলন্ত ৰাম নকৰিবা ভয়।
ৰাক্ষসী মাৰিলে কিছু দোষ নোপজয়।।
বিস্তৰক অপকাৰ যিজনে কৰয়।
নাহি দোষ তাক মাৰি পুণ্যসে লভয়।।

দেশ ৰক্ষাৰ দায়িত্ব লোৱাজনৰ বাবে নাৰীবধ পা
যদিহে সেই নাৰীয়ে দেশৰ অপকাৰ কৰিছে।

ধৰ্ম আৰু নৈতিকতা পৰস্পৰ নিৰ্ভৰশীল।
নৈতিক দৰ্শন ৰামায়ণৰ প্ৰতিটো অধ্যায়তে বিভিন্ন চ
প্ৰকাশ কৰা হৈছে। সৎজীৱন যাপন কৰা, লোকৰ
নৈতিকতা প্ৰিয় সম্পদ সেয়ে তেনে লোকৰ বাবে
একোটা আদৰ্শৰ প্ৰতিমূৰ্ত্তি। সেয়েহে ৰামায়ণৰ জ
পৃথিৱীৰ কোনে কোনে বিস্তৃতি লাভ কৰিছে।

অসমৰ দৰে এখন জ্ঞানৰ অনগ্ৰসৰ ৰাজ
আৰু নৈতিক দৰ্শন প্ৰচলনৰ আদৰ্শ প্ৰকাশ কৰি
শতিকাৰ বৰাহীৰজা মহামানিক্যই মাধৱ কন্দলীক
বুজি পোৱাকৈ ৰামায়ণ অনুবাদ কৰিবলৈ কৈছিল।
বাক্য শিৰত লৈ স্থানীয় ৰহনৰ সংযুতিত কন্দলীয়ে
ৰামায়ণ ৰচনা কৰিছিল। ৰামায়ণত প্ৰকাশ পোৱা
অসমৰ লোকসমাজ আজিও প্ৰভাৱান্বিত।

❑❑❑

প্ৰবন্ধ



# সকলোৰে বাবে গ্ৰন্থ; গ্ৰন্থৰ বাবে সকলো।

কৰুণামোহন শৰ্মা
*প্ৰবক্তা, দৰ্শন বিভাগ, বজালী মহাবিদ্যালয়।*

নগাঁৱৰ নেহেৰুবালিত পোন প্ৰথম বাৰৰ বাবে আৰম্ভ হোৱা গ্ৰন্থমেলাৰ পাছত ১৯৮৪ চনত অসম প্ৰকাশন পৰিষদৰ উদ্যোগত প্ৰথম বাৰৰ বাবে গুৱাহাটীত গ্ৰন্থমেলা আৰম্ভ হৈছিল। তেতিয়াৰ পৰা ধাৰাবাহিক ভাৱে ৰাজ্যখনৰ ভিন ভিন ঠাইত গ্ৰন্থমেলা চলি আছে। বিগত এটি বৰ্ষ নেচনেল বুক ট্ৰাষ্টে 'গ্ৰন্থ বৰ্ষ' হিচাপে পালন কৰিছিল। ন্যাসৰ উদ্দেশ্যই আছিল ৰাইজৰ মাজত গ্ৰন্থ সংস্কৃতি গঢ়ি তোলা। সন্ত্ৰাসে জৰ্জৰিত কৰা ৰাজ্যখনৰ শান্তিকামী জনসাধাৰণেও আজি উপলব্ধি কৰিছে 'আমাক অস্ত্ৰ নালাগে- আমাক কিতাপ লাগে' আৰু সেয়েহে হয়তো ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি আৰম্ভ হৈছে গ্ৰন্থৰ মেলামুখী পয়োভৰ। প্ৰতি গৰাকী প্ৰকৃত পঢ়ুৱৈৰ বাবে নতুন কিতাপৰ গোন্ধ সকলো ফুলতকৈ সুমিষ্ট। খ্যাতনামা ইংৰাজ কবি ৰবাৰ্ট চাউথিয়েও কিতাপক 'স্থায়ী সুহৃদ' বুলি উল্লেখ কৰিছে। এই কথা সত্য যে সুখ আৰু দুখ কোনোটোতে এখন ভাল কিতাপে মানুহক বিশ্বাসঘাতকতা নকৰে। তেওঁ অনুভৱ কৰিছিল যে কিতাপ হ'ল নিৰন্তৰ সংগ দিয়া ব্যতীতহীন সুহৃদৰ দৰে যাৰ সৈতে প্ৰতিদিনে আলাপ কৰিব পাৰি। সঁচাকৈয়ে মানুহ এজনৰ দৰে বহু সময়ত কিতাপো হ'ব পাৰে অন্তৰংগ বন্ধু। গ্ৰন্থ অধ্যয়নৰ অভ্যাসে মানুহক নিচামুক্ত কৰি ৰখাৰ দৰে গ্ৰন্থৰ প্ৰতি মোহাৱিষ্ট কৰি ৰাখিব পাৰে। দীৰ্ঘদিনৰ আগতে পঢ়া এষাৰ কথাৰ তাৎপৰ্য আজিও উপলব্ধি কৰো যে এখন ভগ্ন হৃদয়ৰ বেদনাবোৰ উপশমৰ বাবে, নিঃসংগ সময়বোৰ দূৰ কৰিবৰ বাবে অতি সুন্দৰ উপায় হ'ল কিতাপ পঢ়া।

বিগত '৯৯ আৰু ২০০০ চনত দীঘলীয়া কাৰ্য্যসূচীলৈ কলকাতা বিশ্ববিদ্যালয়লৈ যাওঁতে অতিশয় ব্যস্ততাৰ মাজতো দিনত আধাঘণ্টাৰ বাবে হ'লেও আলিপুৰস্থিত জাতীয় গ্ৰন্থগাৰলৈ গৈছিলো। তাত গ্ৰন্থপ্ৰেমীৰ ভিৰ দেখি যিদৰে তবধ মানিছিলো সেই অনুযায়ী আমাৰ ৰাজ্যখনত গ্ৰন্থৰ সুবাসে আশাব্যঞ্জকভাৱে আজিও মানুহক আকৰ্ষণ কৰিব পৰা নাই। সেই গ্ৰন্থাগাৰতে পৰিলক্ষিত হৈছিল আশীৰ দেওনা পাৰ হোৱা অশীতিপৰ জনৈক বৰ্ষীয়ান লোকৰ অধ্যয়নৰ গভীৰ স্পৃহা। অনুসন্ধানত জানিব পাৰিছিলো পত্নীহাৰা এই অথৰ্ব মানুহজনে যৌৱনোজ্জ্বল অৱস্থাৰে পৰা বিৰতিহীন ভাৱে নিয়মীয়া পঢ়ুৱৈ হিচাবে জাতীয় গ্ৰন্থাগাৰ শুৱনি কৰি আহিছে। দৈহিক শক্তি আৰু দৃষ্টিশক্তি ক্ষীণ হৈ পৰা অসুস্থ বৃদ্ধগৰাকীয়ে কিতাপ পঢ়িবৰ বাবে গ্ৰন্থাগাৰলৈ আহিবলৈ বেলি মূৰৰ ওপৰ পোৱাৰ লগে লগেই পৰিয়ালৰ মানুহক খাটনি ধৰে গাড়ীৰে নি গ্ৰন্থাগাৰত থৈ আহিবলৈ। 'হাইপাৱাৰী চছমা পৰিহিত মানুহজনৰ ঘন্টাৰ পিচত ঘন্টা গ্ৰন্থপ্ৰেম অতুলনীয়েই নহয় আদৰণীয়ও। কিতাপ বন্ধু হিচাপে গ্ৰহণ কৰাজনে সঁচাকৈয়ে সুন্দৰ জীৱন কটায়। দুঃখময় বৰ্তমানক সাৱটি থাকিবলৈ এই বৃদ্ধ গৰাকীৰ দৰে তেওঁৰ সময় নাথাকে। জীৱনৰ গতিপথত

B.H.B. College Sarupeta

সুদূৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে গ্ৰন্থই। জীৱনৰ বিয়লি বেলাতো গ্ৰন্থ হ'ব পাৰে সঁচা সুহৃদ।

কলকাতাৰ কলেজ ষ্ট্ৰীটৰ কিতাপৰ বজাৰ খনলৈ মাজে সময়ে গৈছিলো। তন্ময় হৈ পৰিছিলো কলেজষ্ট্ৰীটৰ দোকানত বংগৰ ভিন্ন বয়সৰ গ্ৰন্থ পাগল মুনিহ-তিৰোতাৰ সমাৰোহ দেখি। পইচাৰ কথা ভাবি কিতাপ কিনিবলৈ সংকোচ কৰা পঢ়ুৱৈ চকুত পৰা নাছিল। আগ্ৰহ আৰু উল্লাসত দোকানে দোকানে ঘূৰি ফুৰিছে পছন্দৰ কিতাপ বিচাৰি অগনন গ্ৰন্থপ্ৰেমী। এই দৃশ্যই মোক মনত পেলাই দিছিল জ'ন মিল্টনৰ তাৎপৰ্য্যপূৰ্ণ কথাষাৰি- ' A good book is the precious life blood of master spirit .'

---

**সকলো বন্ধুতকৈ শ্ৰেষ্ঠতম হ'ল কিতাপ আৰু ই আমাৰ অতিকৈ আপোন। সঁচাকৈয়ে গ্ৰন্থ অধ্যয়নৰ পৰা লাভ কৰা গুণ আৰু আনন্দ ইন্টাৰনেটে দিয়া আনন্দতকৈ সহস্ৰ গুণে শ্ৰেষ্ঠ।........**

---

আশীৰ দশকত অনাতাঁৰ সংগঠনত কাৰ্য্য নিৰ্বাহৰ কালছোৱাত ডিব্ৰুগড়ত সঘনাই লগ পাইছিলো আব্দুল মালিক ছাৰক। এদিন কথা প্ৰসংগত তেওঁ কৈছিল যে কিতাপ হ'ল মানুহে যুগে যুগে আহৰণ কৰা অভিজ্ঞতাৰ সমষ্টি। মানুহৰ অতীত, জ্ঞান-অভিজ্ঞতা, মানুহৰ ইতিহাস আৰু আবেগ,অনুভূতি কিতাপতেই থাকে আৰু সেইবাবে কিতাপৰ ইমান মূল্য।

জধলা কাপোৰ পিন্ধা প্ৰখ্যাত শিক্ষক আৰু চিন্তাবিদ ডঃ চেমুৱেল জ'নচনে হেনো একসময়ত পিতাকৰ দোকানত কিতাপ পঢ়ি পঢ়ি ক'ব নোৱাৰাকৈয়ে টোপনিত লালকাল দিছিল। দোকানৰ গোমস্তাই তেওঁক দাঙি নি শোৱনি কোঠাৰ বিছনাত শুৱাই দিছিল। এটা বয়সলৈ জ'নচন হেনো সেইটো নিয়মীয়া অভ্যাস আছিল।

চীন দেশৰ জনৈক দুৰ্বাৰ কিতাপ প্ৰেমীয়ে হেনো শেষ নিশালৈ পঢ়া কোঠাত অধ্যয়ন কৰিছিল। টোপনিয়ে হেঁচি ধৰি অধ্যয়নত ব্যাঘাত নজন্মাবলৈকে হেনো তেওঁ দীঘল চুলিকোচা ৰছীৰে ওপৰৰ চিলিঙৰ কাঠত বান্ধি থৈছিল।

বিভিন্ন জনৰ কিতাপৰ প্ৰতি দৃষ্টি ভংগীক বক্ৰোক্তি কৰি সাহিত্যাচাৰ্য্য প্ৰয়াত যজ্ঞেশ্বৰ শৰ্মাই বহুদিন আগতে কোৱা কথা এষাৰ উল্লেখযোগ্য। তেওঁ কৈছিল,টেঙৰে কিতাপ লিখে আৰু বিকে, মূৰ্খই কিনে কিন্তু নপঢ়ে। আধামূৰ্খই তালুৰ পৰা
আৰু বুধিয়কে অ'ত ত'ত এশাৰী পঢ়ে যদি নি
দৰাচলতে ভাল গ্ৰন্থ অধ্যয়নে জ্ঞান লিপ্সাক প্ৰসা
লক্ষ্য আৰু আদৰ্শক যথাযথভাৱে গঢ় দিব পাৰে
পঢ়ুৱৈৰ বাবে বিশেষ মন কৰিবলগীয়া কথা। ই
ফ্ৰান্সিচ বেকনে তেওঁৰ- of studies' ৰচনা
উল্লেখ কৰিছে এইদৰে - 'Some books are
others to be swallowed and som
chewed and digested.'

যাঠীৰ দশকতে উৰিষ্যাৰ বালিচো
বঙালীলৈ অধ্যাপনা কৰিবলৈ আহি অসমীয়া ভা
সৃষ্টিৰে চহকী কৰি তোলা বিশিষ্ট চিন্তাবিদ,
পাত্ৰই কিছুদিনৰ আগতে গ্ৰন্থ অধ্যয়নৰ প্ৰসংগত
পঢ়া আৰু কিনাৰ অভ্যাসটো সৰু কালৰে পৰা
ত্ৰিশ বছৰ বয়সলৈকে কিতাপৰ প্ৰেমত পৰা ন
পঢ়া আৰু বুজি পোৱা জীৱনতেই নহয়। ভাল
প্ৰথমতে ভাল পাঠক হ'ব লাগিব। থমাচ বেৰী
আনি তেওঁ আৰু কৈছিল, 'কিতাপৰ প্ৰতি আগ্ৰ
হৈ থকাতকৈ মই বৰঞ্চ কেইখনমান কিতাপকে
দুখীয়া হৈ থাকিম।'

মৃত্যুৰ কিছুদিন আগতে সাহিত্যসেবী
লগ পাই অন্তৰংগ ভাৱে কথা পাতোতে জীৱনে
বুলি সোধা এটি প্ৰশ্নৰ উত্তৰত ছাৰে কৈছিল- জী
কিতাপৰ বন্ধু হ'বলৈ। সুস্থ চিন্তা কৰিবলৈ আ
বাস্তৱিকতে গভীৰ অধ্যয়নৰ প্ৰয়োজন। কিতা
জীৱনত এক ৰুচিপূৰ্ণ অভ্যাস হিচাপে গঢ়ি
দৰ্কাৰী কথা। এই কথা অনস্বীকাৰ্য্য যে অধ্যয়ন
কৰিব নোৱাৰাৰ ফলতে আধুনিক ব্যস্ত জীৱন য
বিয়লি বেলাত মানুহ নিঃ সংগ হৈ পৰে। কৰ্ম ব্য
বহু সময়ত বিকৃত মানসিকতাৰ সৃষ্টি কৰে।
লক্ষ্য ৰাখি গভীৰ মননশীলতাৰে এডবাৰ্ড
অধ্যয়নৰ অন্তস্পৰ্শী মূল্য উপলব্ধি কৰি লিখি
live without poetry, music and a
without conscince and live wit
may live without friends, we ma
cooks but cannot live without
গ্ৰন্থৰ লক্ষ্য হৈছে মানুহে নিজে নিজক



B.H.B. College, Sarupeta

অনুসন্ধান কৰা আৰু আত্মবিশ্বাস জন্মোৱাত সহায় কৰা। গ্ৰন্থ অধ্যয়নৰ অন্যতম লক্ষ্যই হ'ল মংগলময় বিষয়ত আত্মনিয়োগ কৰিবলৈ অন্তৰত সাহস দিয়া আৰু সৌন্দৰ্য্যবোধৰ সূচনা কৰি জীৱনটো পবিত্ৰ কৰা। নতুন প্ৰজন্ময়ো গ্ৰন্থ অধ্যয়নক ৰুচি হিচাপে গ্ৰহণ কৰিব পাৰিলে আমাৰ ৰাজ্যখনত সময়ে সময়ে তেওঁলোকৰ মাজত দেখা দিয়া হতাশা, নিৰাশা, নিসংগতা আৰু বিকৃত মানসিকতাৰ শাম কাটিব পাৰে। গ্ৰন্থ অধ্যয়নে অকল জীৱন সমৃদ্ধ কৰি নোতোলে; ই চেতনা আৰু আত্মা দুয়োকে উদ্ভাসিত কৰি তুলিব পাৰে।

চিন্তাবিদ অ'দ্দছ হলিয়ে গ্ৰন্থকেই মানৱ জাতিৰ প্ৰকৃত অধ্যয়নৰ বিষয় বুলি কৈছিল। আন এগৰাকী চিন্তাবিদ টুপাৰে গ্ৰন্থ অধ্যয়নৰ সম্পৰ্কত মন্তব্য দিছিল যে বন্ধুসকল গুচি যাব পাৰে কিন্তু কিতাপ মানুহৰ যুগমীয়া লগৰীয়া হৈ থাকি যায়। সকলো বন্ধুতকৈ শ্ৰেষ্ঠতম হ'ল কিতাপ আৰু ই আমাৰ অতিকৈ আপোন। সঁচাকৈয়ে গ্ৰন্থ অধ্যয়নৰ পৰা লাভ কৰা গুণ আৰু আনন্দ ইণ্টাৰনেটে দিয়া আনন্দতকৈ সহস্ৰ গুণে শ্ৰেষ্ঠ।

গ্ৰন্থ অধ্যয়নৰ মানসিকতা গঢ়ি তুলিবলৈকে ১৯৮৪ চনৰ পৰাই অসম প্ৰকাশন পৰিষদে দুই দশকতকৈও অধিক কাল জুৰি গ্ৰন্থমেলা আয়োজনৰ অনন্য ব্যৱস্থা হাতত লৈছে। গ্ৰন্থ মেলাই আমাৰ মাজত কিমান পঢ়ুৱৈৰ সৃষ্টি কৰিব পাৰিছে তাৰ শুদ্ধ সমীক্ষা যদিও এতিয়াও কৰা হোৱা নাই। কিন্তু এই কথা অনস্বীকাৰ্য্য যে গ্ৰন্থমেলাই মাথোন এখন খিৰিকিহে খুলি দিব পাৰে যাৰ দ্বাৰা পঢ়ুৱৈয়ে বছৰটোৰ বাবে নিজৰ ভাল লগা কিতাপ নিৰ্বাচন কৰিব পাৰে। কিতাপৰ পয়োভৰেৰে গ্ৰন্থমেলা বছৰি আহিব আৰু গুচি যাব। কিন্তু বছৰজুৰি অব্যাহত থাকিব গ্ৰন্থৰ সৈতে পঢ়ুৱৈ আৰু বিক্ৰেতাৰ মধুৰ সম্পৰ্ক। গ্ৰন্থমেলাই গ্ৰন্থ অধ্যয়নৰ লগতে শৈক্ষিক পৰিবেশৰো সৃষ্টি কৰি আহিছে। গ্ৰন্থমেলাৰ পৰিবেশ উপকৃত কৰি আহিছে লেখক,প্ৰকাশক আৰু পাঠকক। গ্ৰন্থমেলাতেই প্ৰকাশৰ উদ্দেশ্য আগত ৰাখি অনেকজন ব্যস্ত হৈ পৰে কিতাপ লিখাত। অধীৰ আগ্ৰহেৰে প্ৰকাশকেও বাট চায় লেখকৰ নৱ নৱ সৃষ্টিলৈ। এই গ্ৰন্থমেলাতেই উন্মোচিত হয় বহুজনৰ নতুন গ্ৰন্থ। গ্ৰন্থমেলাই বিপণীবোৰক দিয়ে কিতাপ বিক্ৰীৰ ব্যস্ত বজাৰ। ৰেহাই মূল্যত গ্ৰন্থ ক্ৰয়ৰ অৰ্থে পাঠকেও বাট চাই থাকে বছৰৰ গ্ৰন্থমেলাক। দুৰ্লভ গ্ৰন্থকো সহজলভ্য কৰি দিয়ে বাৰ্ষিক গ্ৰন্থমেলাই।

গ্ৰন্থমেলাৰ উপৰি সম্প্ৰতি গ্ৰন্থৰ প্ৰচাৰ আৰু প্ৰসাৰৰ অৰ্থে 'Spring festival of books for children, 'Book March' আদি ভিন-ভিন আকৰ্ষণীয় গ্ৰন্থোৎসৱৰ সূচনা হৈছে। কলকাতাৰ 'শিশু সাহিত্য সংসদে' প্ৰকাশ কৰি উলিওৱা 'Childrens' Diary' ৰ দৰে একোখনি ডায়েৰী গ্ৰন্থৰ প্ৰতি আগ্ৰহ বঢ়াবলৈ আমাৰ ৰাজ্যখনৰ শিশুৰ বাবেও প্ৰয়োজন হৈছে।

জীৱনৰ পৰিপূৰ্ণতাত কিতাপ পঢ়াৰ সহায়ৰ বিষয়ে এযাৰ কথাই ক'ব পাৰি যে কিতাপে জীৱনক প্ৰজ্ঞাৰ আলোকেৰে উদ্ভাসিত কৰি সততা, বিশুদ্ধতা আৰু আত্মাৰ উৎকৰ্ষ লাভৰ পথ প্ৰশস্ত কৰি দিয়ে। তদুপৰি ৰাজহুৱা জীৱনৰ স্বাৰ্থ ৰক্ষাৰ্থেও মানুহে জীৱনৰ স্তৰে স্তৰে খাপ খোৱা গ্ৰন্থৰ অধ্যয়নৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য্য। নিৰন্তৰ অনাহূত চিন্তাৰ পৰা নিজকে নিলগত ৰাখিবলৈকো ভাল গ্ৰন্থ অধ্যয়ন হ'ব পাৰে আনেকজনৰ মানসিক আহাৰ স্বৰূপ। জীৱনত গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা প্ৰকাশৰ বাস্তৱিকতে কোনো ভাষা নাথাকে। অধ্যয়নে চেতনা আৰু আত্মাত যি অমল আনন্দৰ সৃষ্টি কৰে সেই অনুভৱেই বহু সময়ত অতিন্দ্ৰীয়। সেয়েহে বোধহয় যথাযথভাৱেই কোৱা হৈছে খিৰিকি নথকা ঘৰ আৰু কিতাপ নথকা ঘৰৰ মাজত কোনো পাৰ্থক্য নাথাকে।□

> যাৰ বাবে পিন্ধিবৰ বাবে মানুহে সুন্দৰভাৱে যিহকে কৰে, সেয়ে কৃষ্টি।
>
> *—বিষ্ণুপ্ৰসাদ ৰাভা*
>
> প্ৰতিভাৰ নিৰানব্বৈ ভাগেই হ'ল অধ্যৱসায়।
>
> *—টমাছ আলভা এডিছন*
>
> কোনো মানুহক সম্পূৰ্ণৰূপে অনুকৰণ নকৰিবা। প্ৰত্যেক মানুহৰে সৎগুণ যেনেকৈ আছে, অসৎগুণো আছে। অসৎখিনি বাদ দি সৎগুণখিনি বাছি লব পৰাটোতহে মানৱতাৰ কৃতিত্ব।
>
> *—হেম বৰুৱা*

B.H.B. College, Sarupeta

প্ৰবন্ধ

# ছহিদ খৰ্গেশ্বৰ তালুকদাৰলৈ শ্ৰদ্ধাঞ্জলি

## (এটি অবিস্মৰণীয় দিনৰ উল্লিখন সহ)

দক্ষিণ বিজনী উজান বৰবৰী গাৱঁৰ দুখীয়া শিক্ষক পৰিয়ালত খৰ্গেশ্বৰ তালুকদাৰে জন্ম গ্ৰহণ কৰিছিল। পিতৃ গৌৰীকান্ত তালুকদাৰ আৰু মাতৃ সাবিত্ৰী তালুকদাৰৰ পুত্ৰ খৰ্গেশ্বৰ। তেওঁৰ পিতৃৰ অন্য দুই গৰাকী ভাতৃৰ নাম ক্ৰমে হ'ল লক্ষীকান্ত তালুকদাৰ আৰু ৰমেশ তালুকদাৰ। তেওঁৰ জ্যেষ্ঠ ভাতৃৰ নাম প্ৰিয় তালুকদাৰ। খৰ্গেশ্বৰ গৌৰীকান্ত তালুকদাৰৰ দ্বিতীয় পত্নী সাবিত্ৰী তালুকদাৰৰ প্ৰথম পুত্ৰ। তেওঁৰ অন্যান্য ভাতৃ ভগ্নীসকল- ৰাধাকান্ত, নিৰ্মলা,কিশোৰ, কামেশ্বৰ আৰু চন্দ্ৰকান্ত।

খৰ্গেশ্বৰ তালুকদাৰ সৰুৰে পৰা অতি নিৰ্জ্জু স্বভাৱৰ ল'ৰা আছিল।তেওঁ দক্ষিণ বিজনী আদৰ্শ বিদ্যাপীঠ হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি সৰুপেটাৰ বি.এইচ. বি. কলেজত পি.ইউ শ্ৰেণীত নাম ভৰ্ত্তি কৰে। ১৯৭৯ চনত তেওঁ কলেজত পি.ইউ. শ্ৰেণীৰ ছাত্ৰ আছিল। শিক্ষানুষ্ঠানৰ শ্ৰেণীত তেওঁ অতি নিয়মীয়াকৈ শিক্ষা গ্ৰহণ কৰিছিল।

পঢ়া-শুনাৰ উপৰিও খৰ্গেশ্বৰে সৰুৰে পৰা সামাজিক কাম কাজতো জড়িত আছিল। খৰ্গেশ্বৰ উজান বৰবৰী গাৱঁৰ 'হংসবাহিনী যুবক সংঘ' ৰ সম্পাদক আছিল। তদুপৰি সদৌ অসম ছাত্ৰ সন্থাৰ সক্ৰিয় সদস্য হোৱাৰ উপৰিও গণ সংগ্ৰাম সমিতিৰো সক্ৰিয় কৰ্মী আছিল।

১৯৭৯ চনৰ পৰা অসম জুৰি অবৈধ বিদেশী নাগৰিক বহিস্কাৰ আন্দোলন আৰম্ভ। এই আন্দোলনৰ নেতৃত্বত আছিল 'সদৌ অসম ছাত্ৰ সন্থা' আৰু 'অসম গণসংগ্ৰাম পৰিষদ'। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত আৰু সম্পাদক আছিল ভৃগু কুমাৰ ফুকন। বিদেশী বহিস্কাৰ সংগ্ৰামৰ ঢৌৱে গোটেই অসমৰ ইমূৰ সিমূৰ আন্দোলিত কৰিছিল। এই সংগ্ৰামৰ অংশীদাৰ হৈছিল ভৱানীপুৰ, সৰুপেটা অঞ্চলৰ ৰাইজ। স্বাভাবিকতে উজান বৰবৰী গাৱঁৰ ছাত্ৰ-যুবক, শ্ৰমিক-কৃষক,আবাল বৃদ্ধ-বনিতাৰ হৃদয়ো স্পৰ্শ কৰিছিল এই সংগ্ৰামৰ ঢৌৱে। মেট্ৰিক পাছ কৰি উঠা কিশোৰ খৰ্গেশ্বৰেও আন্দোলনত নামি পৰিছিল। এসময়ত '৪২ ৰ আন্দোলনত গহপুৰৰ কিশোৰী কনকলতাই ধৰাৰ বুকুত ইতিহাস

উ

সৃষ্টি কৰাৰ দৰে আপেক্ষিক ভাৱে পশ্চাদপদ
কিশোৰ খৰ্গেশ্বৰেও যেন প্ৰকাৰান্তৰে মাতৃভূমিৰ
কৰিবলৈ প্ৰস্তুত হৈছিল।

অসম আন্দোলনৰ ভৰপক আৰম্ভ হ'ল
সিমূৰলৈ সকলো লোকক বিদেশী বহি
ঢৌৱেজোকাৰি গৈছিল।

---

**অসম চৰকাৰৰ দুজন দণ্ডাধীশৰ**
**মৃতদেহটো ঘৰমুৱা হয়, বাটত হ**
**অহা হয় যদিও অসংখ্য গুণমু**
**মৃতদেহত ধূপ-ধূনা পুষ্পমালা দি**
**থাকে আৰু সকলোকে মৃতদেহ**
**অহাত গুৱাহাটীৰ পৰা উজান বৰ**
**পিছদিনা অৰ্থ্যাৎ বাৰ ডিচেম্বৰৰ**
**৫.০০ বজাত উজান বৰবড়ী**
**পাইছিল।**

---

১৯৭৯ চনৰ ডিচেম্বৰ মাহত অসমৰ
সমষ্টিৰ উপনিৰ্বাচন ঘোষণা কৰা হ'ল। কংগ্ৰে
ফখৰুদ্দিন আলী আহমেদৰ পত্নী চৈয়দা আবিদ
ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদে ঘোষণা ক
নাগৰিকৰ নামত থকা ভোটাৰ তালিকাৰে নিৰ্বা
প্ৰশাসনও নাচোৰ বান্দা, যিকোনো প্ৰকাৰে
অসমৰসংগ্ৰামী জনসাধাৰণে আবিদাৰ মনো
দিবলৈ বদ্ধ পৰিকৰ হ'ল।

ভৱানীপুৰ চ'কত ৰাইজ সমবেত হ'

B.H.B. College, Sarupeta

[illegible] বাহিনীক বাধা দিব। ওৰে দিন ওৰে ৰাতি সংগ্ৰামী ৰাইজ [illegible] হৈ থাকিল। এই সকলৰ মাজত নিশ্চিত ভাবে খৰ্গেশ্বৰ [illegible]ৱেও অংশ গ্ৰহণ কৰিলে।

---

**[illegible]ক্ৰমে দুটামান কোব খাইও পানীৰ যুৰলিলৈ গৈ মেটেকাৰ মাজত মুখ গুজি পৰিক্ষীত দাস ৰক্ষা পৰিছিল কিন্তু খৰ্গেশ্বৰে মুৰত লাঠিৰ আঘাত পাই পানীতে পৰি বৈছিল. পুলিচৰ লাঠিৰ কোবত তেতিয়া কোনেও কাকো ৰক্ষাকৰাৰ চিন্তা কৰিব পৰা নাছিল, চিন্তা হৈছিল কেবল মাত্ৰ নিজক ৰক্ষা কৰাহে।**

---

১৯৭৯ চনৰ ১০ ডিচেম্বৰৰ নিশা সশস্ত্ৰ পুলিচ বাহিনী লগত [illegible] বেগমে মনোনয়ন দিবলৈ বৰপেটালৈ আহি ভবানীপুৰ [illegible] পিকেটিং কাৰীৰ পৰা বাধা পালে। স্বাভাৱিকতে পুলিচ [illegible] লাঠি, বন্দুক বেয়নেটেৰে সেই বাধা ওফৰালে। বহু জনৰ [illegible]। সেই আক্ৰমনতে খৰ্গেশ্বৰ তালুকদাৰে বিদেশী নাগৰিক [illegible] আন্দোলনৰ কাৰ্যসূচীত প্ৰথম ছহিদ হিচাপেই মৃত্যুবৰণ [illegible]।

আমি ছহিদজনাৰ গাওঁ উজান বৰবড়ীৰ বাসিন্দা তথা ১৯৭৯ চনৰ ১০ ডিচেম্বৰৰ গোটেই নিশা সহস্ৰ জনতাৰ লগত থাকি [illegible] যোগদানকাৰী। ছহিদ জনাৰ মৃত্যুৰ পাছত ৰাতিপুৱা [illegible] ৰাইজৰ সন্মুখতে ভবানীপুৰ গাওঁ নিবাসী শ্ৰীবলভদ্ৰ দাসে [illegible] মৃতদেহটো পুখুৰীৰ পানীৰ পৰা পাৰলৈ উঠাই আনি ৰখাৰ [illegible] মৃতদেহটোৰ মূৰত আৰু গাত থকা লাঠিৰ কোবৰ চিন আমিও প্ৰত্যক্ষ কৰিছিলো। খৰ্গেশ্বৰৰ মৃতদেহটো আৰু পুলিচৰ লাঠিৰ কোবত [illegible] সংজ্ঞাহীন হৈ পৰি থকা সাউদৰভিঠা গাওঁৰ শ্ৰীপ্ৰবীন শৰ্মাকো [illegible] প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰলৈ অনা হৈছিল আৰু প্ৰবীন [illegible] হতুৱাই প্ৰাথমিক চিকিৎসাও কৰা হৈছিল। খৰ্গেশ্বৰ, [illegible] আদি লগতে পীল বাহিনীৰ লাঠিৰ কোবত আহত হৈছিল- [illegible] কলিতা, ত্ৰৈলোক্য দাস, পৰীক্ষিত দাস, বিমল [illegible] আদি কৰি বহুজন পিকেটিঙকাৰী। মৃত দেহটো [illegible] নিজগাওঁ উজান বৰবৰীলৈকে অনা হোৱা নাছিল, [illegible] ভৱানীপুৰৰ পৰা সেইসময়ৰ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নেকিবুৰ জামানৰ নেতৃত্বত উজান বৰবড়ী গাওঁৰ সংগ্ৰামী ব্যক্তি শ্ৰীপ্ৰসন্ন তালুকদাৰ আৰু এই প্ৰবন্ধ লেখক শ্ৰীবীৰেণ কলিতাই পোনচাটেই গুৱাহাটী জালুকবাৰী ইউনিভাৰচিটি হাস্পাতাললৈ পোষ্টমৰ্টেমৰ কাৰণে লৈ গৈছিল আৰু পোষ্টমৰ্টেম তাতহে কৰা হৈছিল। তাত অগণন দৰ্শকৰ ভিৰৰ বাবে ১১ ডিচেম্বৰৰ সন্ধিয়া ৮.০০ মান বজাত জালুকবাৰী ইউনিভাৰচিটি হাস্পাতালৰ পৰা অসম চৰকাৰৰ দুজন দণ্ডাধীশৰ তত্বাৱধানত মৃতদেহটো ঘৰমুৱা হয়, বাটত হাজো পথেৰে অহা হয় যদিও অসংখ্য গুণমুগ্ধ ব্যক্তিয়ে মৃতদেহত ধূপ-ধুনা পুষ্পমালা দিয়াৰ বাবে বৈ থাকে আৰু সকলোকে মৃতদেহটো দেখুৱাই অহাত গুৱাহাটীৰ পৰা উজান বৰবড়ী আহোতে পিছদিনা অৰ্থাৎ বাৰ ডিচেম্বৰৰ দিনা ৰাতিপুৱা ৫.০০ বজাত উজান বৰবড়ীৰ নিজগৃহ পাইছিল। ১০ ডিম্বেৰৰ (পৰাহ্ন) নিশাটো বাদেই তাৰ দুদিন আগৰে পৰাই অৰ্থাৎ ৮ ডিচেম্বৰৰ আবেলি ৪-৩০ বজাৰ পৰাই মনোনয়ন পত্ৰ দাখিলৰ বাবে বৰপেটালৈ আহিব লগা আবেদা আহমেদক বাধা দিবলৈ খৰ্গেশ্বৰৰ মৃত্যুৰ কাৰণ হৈ উঠা পুলিচ বিষয়া গীল বাহিনীৰ সেই নিৰ্মম অত্যাচাৰৰ সময়লৈকে শত-সহস্ৰ জনতাই ভৱানীপুৰৰ চ'কতে ৰাষ্ট্ৰীয় ঘাইপথটো অৱৰোধ কৰি ৰাখিছিল।

গীল বাহিনীৰ লাঠিৰ কোব খাই খাই যিয়ে যেনি পায় তেনি দৌৰাৰ দৰে খৰ্গেশ্বৰেও পুলিচৰ লাঠিৰ কোবত চাহদোকানখনৰ পিছফালেলৈ পৰিত্ৰাণ বিচাৰি দৌৰিছিল, কিন্তু ৰক্ষা পোৱা নাছিল, লগতে একেফালে দৌৰিছিল কলবাৰীৰ যুবক শ্ৰীপৰীক্ষিত দাস। দৈবক্ৰমে দুটামান কোব খাইও পানীৰ যুৰলিলৈ গৈ মেটেকাৰ মাজত মুখ গুজি পৰিক্ষীত দাস ৰক্ষা পৰিছিল কিন্তু খৰ্গেশ্বৰে মুৰত লাঠিৰ আঘাত পাই পানীতে পৰি বৈছিল. পুলিচৰ লাঠিৰ কোবত তেতিয়া কোনেও কাকো ৰক্ষাকৰাৰ চিন্তা কৰিব পৰা নাছিল, চিন্তা হৈছিল কেবল মাত্ৰ নিজক ৰক্ষা কৰাহে।

ছহিদ খৰ্গেশ্বৰ তালুকদাৰ মৃত্যুৰ সঁচা কথা ক'বলৈ কলবাৰী গাৱঁৰ পৰীক্ষিত দাস আজিও বিদ্যমান। খৰ্গেশ্বৰৰ মৃত্যুৰ পাছত একাংশ বুদ্ধিজীৱি আৰু লেখকে নানান মনে সজা কাহিনী লিপিবদ্ধ কৰাটো দৃষ্টিগোচৰ হৈছে। প্ৰকৃতাৰ্থত এনে মনেসজা কাহিনী সমূহ লিখাটো অতি হাস্যকৰ আৰু অপমান জনক বুলি গণ্য কৰিব পাৰি। ছহিদ খৰ্গেশ্বৰক অসমবাসীৰ লগতে সৰুপেটা-ভৱানীপুৰ অঞ্চলৰ ৰাইজে চিৰকাল স্মৰণ কৰিব। তেওঁৰ জীৱন দান অথলে নাযায়। অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ এতিয়াও অন্ত পৰা নাই। প্ৰকৃতাৰ্থত খৰ্গেশ্বৰ মৰিও অমৰ।

□□□

B.H.B College, Sarupeta

**প্ৰবন্ধ**

# ঐতিহাসিক প্ৰেক্ষাপটত উত্তৰ-পূৰ্বাঞ্চলৰ গোষ্ঠীগত বিদ্ৰোহ আৰু গোষ্ঠীগত পৰিচয়ৰ সংকট

*কল্পনা বৈশ্য*
*প্ৰবক্তা, অসমীয়া বিভাগ।*

প্ৰাচীন অসম বিভিন্ন জাতি জন-গো
প্ৰাচীন সংস্কৃত গ্ৰন্থ ৰামায়ণ, মহাভাৰত আৰু পু
অসমক প্ৰাগজ্যোতিষপুৰ আৰু কামৰূপ বুলি
সকলক 'ম্লেচ', 'কিৰাত', ' চীনা' আদি নামা
ভাৰতৰ উত্তৰ পূব অঞ্চলত বসবাস কৰা সং
লোক সকলেই হ'ল কিৰাত সকল। এই 'ম্লেচ
আছিল দ্ৰাবিড়, অষ্ট্ৰিক আৰু মঙ্গোলীয় জা
বিভিন্ন সময়ত অহা এই জনগোষ্ঠী বিলাক
ঘটি অসমীয়া জাতি হিচাপে চিহ্নিত হৈছে।

কালক্ৰমত অসমলৈ পশ্চিমৰ অ
সকলৰো প্ৰব্ৰজন হৈছিল আৰু আৰ্যেতৰ জ
লগত এই গোষ্ঠীৰ লোকৰ সংমিশ্ৰণ ঘটিছি
আছিল অসমীয়া জাতিৰ জাতীয় জীৱন
মঙ্গোলীয় জনগোষ্ঠী বিলাকৰ লগত আৰ্যগো
সংমিশ্ৰণ হ'লেও এই সংমিশ্ৰণ সম্পূৰ্ণ নহ'
কাৰণ নথকা নহয়।

ডঃ বি-এন, পুৰীয়ে তেখেতৰ ১৯
স্মাৰক বক্তৃতাত প্ৰাচীন অসমক ভিন-ভিন
যাদুঘৰৰ লগত তুলনা কৰি কৈছিল "মান
প্ৰব্ৰজন পথত অৱস্থিত হোৱাত অসমক জা
যাদুঘৰ বুলি ধৰা হয়। এই দেশৰ মাজেদি ভা
এছিয়াৰ মাজত বিপৰীত দিশত অহা যোৱা
উপাদান সমূহে অসমৰ পাহাৰ আৰু উপত্য
চাব ৰাখি গৈছিল। উত্তৰৰ তিব্বত, নেপাল
পশ্চিমৰ গংগা আৰু ইয়াৰ উপনৈ বিলাকৰ
আৰু ব্ৰহ্মপুত্ৰৰ ব-দ্বীপ আৰু বঙ্গোপ সাগৰে
অহা যোৱা থকাত আৰু শেষত অসম বাৰ্মা
পূবে লিডু-মাঘেৰিটা পথৰ পৰা পাটকাই
হোকোৱাং (Hokowang ) উপত্যকাৰ
আৰু আনটো দক্ষিণ পূবে মণিপুৰ আৰু কা
থকাত অসম সকলো ফালৰ হেঁচাৰ বাবে

অসমৰ সুচল ভৌগোলিক অৱস্থা
কালতেই অষ্ট্ৰিক, দ্ৰাবিড় আৰু মঙ্গোলীয়
প্ৰব্ৰজন ঘটিছিল। ইয়াৰ পিছত নগা আৰু
আৰু জয়ন্তীয়া লোক সকল আৰু দ্ৰাবিড়
ভূমধ্য সাগৰীয় কৈৱৰ্ত্ত আৰু বণিয়া লোক স
আছে।

এনেদৰে মঙ্গোলীয় আৰু আৰ্য



B.H.B. College, Sarupeta

সহ-অৱস্থানৰ ফলত জাতিগত সংমিশ্ৰণ আৰু সংহতিৰ এটা প্ৰক্ৰিয়া আৰম্ভ হৈছিল।

চীন তিব্বতীয় বা মঙ্গোলীয় জন গোষ্ঠীৰ ভিতৰত বড়ো গোষ্ঠীৰ লোক সকল সংখ্যা গৰিষ্ঠ। ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমভূমি অঞ্চল, উত্তৰ কাছাৰ আৰু গাৰো পাহাৰ, বঙ্গ আৰু বিহাৰৰ উত্তৰাঞ্চল, ত্ৰিপুৰা, বাংলাদেশৰ শ্ৰীহট্ট আৰু মৈমনসিং জিলা লৈকে বিয়পি পৰে।

অসমৰ কছাৰী, মেছ, গাৰো, লালুং, ৰাভা, চুতীয়া, কোচ, মিচিং, মৰাণ, বৰাহী আদি জনগোষ্ঠীৰ লোক সকল বড়ো গোষ্ঠীৰ অংশ বিশেষ। মিজো সকলো বড়ো সম্প্ৰদায়ৰ লোক। মিছিং লোক সকল অৰুণাচলৰ অকা, আদি আৰু মিছিমিৰ লগত বসতি কৰিছিল যদিও তেওঁলোক ভৈয়ামলৈ নামি আহি বসবাস কৰিবলৈ লৈছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে স্থান আৰু সংস্কৃতিৰ ভিন্নতা বাঢ়ি যোৱাত এই জনগোষ্ঠী বিলাক পৃথক জাতি সত্ত্বাত পৰিণত হ'ল।

অসমৰ পশ্চিমৰ আৰ্য সকলৰ আগমন সম্পৰ্কে যোগেশ দাসে এনেদৰে মন্তব্য কৰিছে-

"গংগা উপত্যকাইদি পূবফালে বিয়পি পৰিবলৈ আৰ্যসকলৰ কেইবা শতিকাও লাগিছিল। তেওঁলোক আহি উত্তৰ বিহাৰ খ্ৰীঃ পূঃ ৭০০ মানত পাইছিল বুলি কোৱা হয়। গতিকে তেওঁলোক অসমলৈ নিশ্চয় পিছত আহে।"

এডৱাৰ্ড গেইট চাহাবে তেখেতৰ ' A History of Assam ' গ্ৰন্থত এনেদৰে উল্লেখ কৰিছে-

"ভাৰতৰ ৰজা সমুদ্ৰই ১০৫ খ্ৰীষ্টাব্দত অসমৰ মাজেদি পাৰ হৈ উজনি ব্ৰহ্মদেশত শাসন প্ৰতিষ্ঠা কৰিছিল আৰু তেওঁৰ লগত আৰ্য হিন্দু লোক অসমলৈ আহিছিল।"

প্ৰাচীন অসমৰ বৰ্মন, শালস্তম্ভ আৰু পাল বংশৰ হিন্দু ৰজা সকলেও বদান্যতা দেখুৱাই ব্ৰাহ্মণ আদি "উচ্চ" হিন্দু সকলক এই দেশত বাস কৰিবলৈ উৎসাহিত কৰিছিল।

সংখ্যাত ব্ৰাহ্মণ লোক তাকৰ আছিল যদিও তেওঁলোকৰ চেষ্টাতে বৈদিক যুগৰ আৰম্ভণিৰ পৰা প্ৰাচীন অসম হিন্দু ভাৰতৰ অংশ ৰূপে পৰিগণিত হৈছিল।

হিন্দু ধৰ্মৰ আগতে অসমৰ প্ৰচীন জনজাতীয় গোষ্ঠী বিলাকৰ মাজত আদিম জন বিশ্বাস জড়োপাসনা আদি ৰীতি-নীতি আছিল সৰল আৰু সক্ৰিয়। ভিন ভিন জনগোষ্ঠীৰ মাজত উপাস্য দেৱ-দেৱী উপাসনাৰ স্থান আৰু ৰীতি-নীতি সকলো বিলাকৰ অৱশিষ্ট আজিও বৰ্তমান। অৱশ্যে হিন্দু ধৰ্মক বাধা দিব পৰা উন্নত মানৰ ধৰ্ম বা সংস্কৃতি প্ৰাচীন জন জাতীয় সমাজখনত নাছিল, সেই কাৰণে উল্লেখনীয়। সেয়েহে প্ৰাচীন অসমৰ জন-জাতীয় ৰজা সকলে কাৰ্য্য পৰিচালনা আৰু শিক্ষা-দীক্ষাৰ সুবিধাৰ বাবে সংস্কৃত ভাষা আৰু হিন্দু ধৰ্মক উদাৰতাৰে গ্ৰহণ কৰিছিল।

এনেদৰে আৰ্যৰ ভাষা আৰু ধৰ্মই জন-জাতীয় সমাজখনৰ বুকুত নিজৰ সুকীয়া স্থান দখল কৰিছিল আৰু ভৱিষ্যতৰ অসমীয়া ভাষা-সংস্কৃতিৰ কেন্দ্ৰ বিন্দুত পৰিণত হৈছিল।

হিন্দু ব্ৰাহ্মণ সকলে জন-জাতীয় সমাজ খনক হিন্দু পৰম্পৰাৰ ভিতৰুৱা কৰি তাৰ মাজেদি হিন্দুৰ প্ৰভাৱক এই দেশৰ পুৰণি আৰু সৰ্বগ্ৰাসী পৰম্পৰা হিচাপে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল।

হিন্দু ব্ৰাহ্মণ আৰু পৰৱৰ্তী সময়ত অহা কায়স্থ লোক সকল শিক্ষা-দীক্ষা, কূট-নীতি, ৰাষ্ট্ৰ-ব্যৱস্থা, ধৰ্ম প্ৰচাৰ আৰু বৌদ্ধিক অনুশীলনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। সেয়েহে ৰাজকাৰ্য্যৰ উপদেশ, শাস্ত্ৰৰ প্ৰচাৰ, ভাষাৰ বিকাশ আৰু সাহিত্য সৃষ্টিৰ সুযোগ আৰু দায়িত্ব তেওঁ লোকেই বহন কৰিছিল।

প্ৰাক আহোম যুগৰ অসমৰ জাতীয় সংমিশ্ৰণৰ ধাৰাটো আছিল মন্থৰ। ইয়াৰ কাৰণ হ'ল ঃ

১। প্ৰাচীন অসমৰ জাতিবোৰৰ মাজত সংমিশ্ৰণ মুক্ত আৰু দ্ৰুত হ'ব পৰাকৈ এটা সুচল আৰ্থ সামাজিক পৰিবেশ সৃষ্টি হোৱা নাছিল।

২। জনজাতীয় কৃষি ব্যৱস্থা আছিল অনুন্নত আৰু আদিম যুগীয়।

সেয়েহে গোষ্ঠী বিলাকৰ পাৰস্পৰিক বিচ্ছিন্নতা দূৰ হোৱা নাছিল আৰু পশ্চিমৰ পৰা অহা হিন্দু ব্ৰাহ্মণ আদি অন্য শ্ৰেণীৰ লোক সকলে জনজাতীয় লোক সকলৰ সমাজখনৰ আত্ম কেন্দ্ৰীকতা দূৰ কৰিব পৰা নাছিল।

সমাজ জীৱনৰ গতিপথ নিৰ্ণয়ত ইতিহাসৰ ভূমিকা অপৰিসীম। সেই ইতিহাসত যদি বিভেদ আৰু বিভ্ৰান্তিৰ বীজ নিহিত থাকে তেনেহলে তেনে অনুকূল পৰিবেশত সেই বীজ অংকুৰিত হৈ ভাতৃঘাতী সংঘৰ্ষৰে একোখন সমাজৰ ঐক্য সংহতি বিনষ্ট কৰি তাক ভাঙি-চিঙি টুকুৰা-টুকুৰ কৰিব পাৰে। লক্ষ্মীনাথ তামুলীয়ে এনেদৰে মন্তব্য কৰিছে-

"অসমৰ সমাজ সভ্যতা আৰু সংস্কৃতি সকলোবোৰ জনগোষ্ঠীৰ উমৈহতীয়া সহিষ্ণুতা, পাৰস্পৰিক সহযোগিতা আৰু সৌহাৰ্দ্যৰ ফল। ই এটা গোষ্ঠীৰ এদিনীয়া বৰঙণিত সৃষ্টিহোৱা বুলি তথ্য বা বিশ্লেষণী প্ৰমাণ দাঙি ধৰিব নোৱাৰি। ইতিহাস চাই ৰাজবংশ এৰি জনসাধাৰণৰ দৃষ্টি কোণৰ পৰা অতীত অৱলোকন কৰিলে গোষ্ঠীগত বা সম্প্ৰদায়গত দৃষ্টিকোণৰ গুৰুত্ব স্বাভাৱিক ভাৱেই কমিব।"

B.H.B. College Sarupeta

ব্ৰিটিছৰ পূৰ্বযুগৰ অসমৰ সমাজখন আছিল বৰ্ণ হিন্দু প্ৰধান। অসমীয়া সমাজখনক বুকুত লৈ তাৰ চাৰিওফালে আছিল জাত-পাতৰ বিচাৰ নথকা মুক্ত বুদ্ধিৰ জনজাতীয় লোক সকলৰ সমাজ। বৰ্ণ হিন্দু প্ৰধান অসমীয়া হিন্দু সমাজ খনৰ উচ্চ বৰ্ণ লোক আৰু এওঁলোকেই আছিল নতুন অসমীয়া মধ্য শ্ৰেণীৰ আদি পুৰুষ। আধুনিক শিক্ষাৰ প্ৰৱৰ্তনৰ লগে লগে প্ৰথমে সেই সুবিধা বৰ্ণ হিন্দু প্ৰধান অভিজাত শ্ৰেণীৰ সন্তান সকলে গ্ৰহণ কৰিব পাৰিছিল। মনকৰিবলগীয়া যে বৰ্ণ হিন্দু প্ৰধান অভিজাত শ্ৰেণীটোৰ জীৱনলৈ অহা পৰিবৰ্তন জনজাতি প্ৰধান অসমৰ জনজীৱনক স্পৰ্শ কৰা নাছিল। সেয়েহে জনজাতীয় লোক সকলে নিষ্ঠুৰ শোষণ নিপীড়নৰ বিৰুদ্ধে থিয় দিয়াৰ বাবে প্ৰস্তুত হৈছিল।

বড়োসকলে তেওঁলোকৰ দীৰ্ঘদিনৰ ক্ষোভ আৰু বঞ্চনাৰ উপশম বিচাৰিছিল। সমগ্ৰ জনজাতীয় সমাজখনৰ ক্ষোভ আৰু সংগ্ৰামক প্ৰতিনিধিত্ব কৰিব পৰাকৈ তেওঁলোক এতিয়া প্ৰস্তুত হৈছে। বড়ো আন্দোলন শক্তি আৰু উগ্ৰতাৰ প্ৰধান জগৰীয়া হ'ল অসমৰ পুৰণি জনজাতি বিৰোধী চৰকাৰী নীতি, অ.গ.প. চৰকাৰৰ অবাঞ্চিত অৱহেলা আৰু সাধাৰণভাৱে অসমীয়া জাত্যাভিমান। বৰ্তমান বড়োসকলে বি.টি.এ.ডিৰ জৰিয়তে অধিকাৰ লাভ কৰিছে।

সেইদৰে কাৰ্বি আংলং জিলা পৰিষদৰ আৰ্থিক আৰু ৰাজনৈতিক ক্ষমতা বৃদ্ধি কৰি কাৰ্বি সমস্যাৰ সমাধান কৰিব পাৰি।

সময় থাকোতেই চৰকাৰে ৰাজ্যখনক অন্যান্য জ
লগত মুক্তভাৱে আলোচনা কৰি তেওঁলোকৰ
বিলাক বিচাৰ কৰা যুগুত।

অসমৰ জাতীয় জীৱন সুস্থিৰতাৰ বাবে
আৰু চাহ বনুৱা সকলৰ সহযোগিতা অপৰিহাৰ্য।
অংশই অসমীয়া ভাষা সংস্কৃতি গ্ৰহণ কৰিছে। যে
আন্দোলনেও জোকাৰি যোৱা অসমত শা
তেওঁলোকৰ অধিকাৰ সুৰক্ষিত কৰিব লাগিব।

অসমৰ প্ৰায় এক চুতৰ্থাংশ জনসংখ্যা
আজিও অসমীয়া বুলি পৰিচয় দিয়ে। তেওঁলে
দীক্ষাৰ অভাৱ, নিবনুৱাৰ সংখ্যাও দ্ৰুততৰ ভা
জনজাতিৰ লোক সকলৰ মাজতো ক্ষোভ অ
লাহে গা কৰিব ধৰিছে। চৰকাৰে চাহ বনুৱা সক
পুৰণ, শিক্ষা-সংস্কৃতি আৰু জীৱন-জীৱিকাৰ
লোৱা উচিত।

শেষত ইয়াকে ক'ব পাৰি যে গোষ্ঠী
কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ মিলিত 
সমাধান কৰিলে অনৈক্যৰ মাজত ঐক্য সাধন 



B.H.B. College, Sarupeta

প্ৰবন্ধ

# লোক সংস্কৃতিত তামোল পাণৰ বৈশিষ্ট্য

*মিনু পাটগিৰী*
*প্ৰাক্তন ছাত্ৰী*



অসমীয়া সমাজত তামোল পাণ হৈছে আপ্যায়ন বা আচাৰ [illegible] মুখ্য উপাদান। পুৰণি অসমৰ ইতিহাসৰ পাততো তামোল পাণৰ বিষয়ে বৰ্ণনা কৰা আছে। ৰজাঘৰৰ সকলো কাম-কাজ তামোল পাণ নহলে চলা নাছিল। লাচিত বৰফুকনৰ দেউতাক মোমাই তামুলীয়ে [illegible] সিংহৰ দিনতে ৰজাঘৰ তথা নিজৰ বাৰীখনো তামোল পাণেৰে জাকজমকীয়া কৰি তুলিছিল। আগৰ দিনত সকলো [illegible] কাম-কাজ তথা সভা-সমিতিলৈ তামোল পাণ এজোৰেৰে [illegible] নিমন্ত্ৰণ জনোৱা নিয়ম আছিল। আচলতে আৰ্য্য গোষ্ঠীৰ [illegible] কৃষিকাৰ্য্যৰ লগত তামোল পাণৰ বাৰীখনো পাতি [illegible] আলহী ঘৰলৈ গলে বহিবলৈ পীৰাখন আগবঢ়াই দি বটাত তামোল পাণ দিয়া নিয়ম আছিল। অতি পুৰণি কালত বাঁহৰ বটা [illegible] কৰি তাৰে ওপৰত তামোল পাণ দি আলহীক শুশ্ৰূষা কৰা নিয়ম আছিল। তেতিয়াৰ পৰা ক্ৰমান্বয়ে বৰ্তমানলৈয়ো সেই পৰম্পৰা [illegible]। অসমীয়া সকলে ভাত মুখ্য আহাৰ হিচাবে গ্ৰহণ কৰে। [illegible] খাই উঠি তামোল পাণ মুহদি হিচাবে ব্যৱহাৰ কৰে। তামোল [illegible] ধপাত আৰু চূণ পৰিবেশন কৰা যায় তেতিয়া [illegible] লগা হয়। ৰঙ্গীয়াল হৈ পৰে দুই ওঁঠৰ ভিতৰখন। [illegible] পুৰণি অসমীয়া সমাজৰ পৰিয়ালবোৰত শামুকৰ চূণ ব্যৱহাৰ [illegible] শামুকৰ খোলাবোৰ পথাৰ বা বালি পৰীয়া মাটিৰ পৰা বুট [illegible] গোবৰৰ মাজত ৰাখি জুই জ্বলাই পোৰে আৰু বগা [illegible] জুইৰ মাজৰ পৰা তুলি আনি পানীত দিয়ে। তেতিয়া চূণ [illegible] আৰু ওপৰৰ বাটিকটীয়া পানীখিনি বটলত ভৰাই থয় বগা অংশবোৰৰ চূণ তৈয়াৰ হয়। সেই চূণ কেঁচা তামোল আৰু কেঁচা পাণৰ সতে জুতি লগাকৈ খাই পৰম তৃপ্তি লাভ কৰা গাওঁৰ মানুহৰ এই খাদ্যৰ সাংঘাতিক গুণাগুণো মন কৰিবলগীয়া। শামুকৰ চূণৰ পানীয়ে হজম শক্তিৰ কাম কৰে। পিত্ত বা গেচ্‌ট্ৰিকৰ বাবে বৰ উপকাৰী। সৰু ল'ৰা-ছোৱালীকো লুথৰি বা গাখীৰ আদি খাদ্যত এটোপাল শামুকৰ চূণৰ পানী পেলাই দি খুৱালে ক্ৰিমিৰ পৰা হাত সাৰিব পৰা যায় বুলি পুৰণি দিনৰ মানুহে বিশ্বাস কৰিছিল। শামুকৰ চূণো গেচ্‌ট্ৰিক বা পাকস্থলীত হজম শক্তিৰ কাম কৰে। কেঁচা পাণৰো গুণাগুণ নথকা নহয়। তেজ চলাচল, তেজ পৰিস্কাৰ কাৰ্য্যত সহায় কৰে। সকলো বস্তুৰে অতিমাত্ৰা ব্যৱহাৰে অপকাৰ কৰে। তেনেদৰে বেছিকৈ তামোল পাণ খালে শৰীৰৰ অপকাৰ কৰে।

---

**আচলতে মদাৰ গছৰ পাণ খাবলৈ সোঁৱাদ বুলি কোৱা হয়। ড° ভূপেন হাজৰিকাই এটি গীতত গাইছে- "মদাৰ গছত বগোৰা পাণ খাবলৈহে ভাল" বুলি।**

---

বিখ্যাত কবি ৰামসৰস্বতীৰ 'ভীম চৰিত' পুথিত তামোল পাণৰ প্ৰথাৰ বিষয়ে সুন্দৰকৈ বৰ্ণনা কৰা আছে। অসমীয়া জনজীৱনত তামোল পাণৰ প্ৰভাৱ তামোল পাণেৰে দায় ভঙা নিয়ম আছে। ছোৱালী উলিয়াই দিলে হাটীক দিবলৈ তামোল পাণকে মুখ্য কৰি লোৱা হয়। হোম-যজ্ঞ, পূজা-পাতল সকলোতে অসমীয়া সমাজৰ লোকে তামোল পাণ আগবঢ়ায়। বিয়াৰ পানীতোলা, সুৱাগ জৰা আদিত তামোল-পাণ এজোৰ আগবঢ়াই জলদেৱতাক আৰাধনা কৰিহে পানী তোলা হয়। জোৰণত এথোক তামোল আৰু কেইগোটমান পাণ অত্যন্ত জৰুৰী। অষ্ট্ৰিয়ান সকলেও হেনো তামোল পাণ ব্যৱহাৰ কৰা নিয়ম আছে। কালিকা পুৰাণ, বিষ্ণুপুৰাণ, যোগিনীতন্ত্ৰতো তামোল পাণৰ কথা পোৱা যায়। আচলতে অসমীয়া সমাজত তামোল ব্যৱহাৰ কৰে কাতি বিহুৰ দিনাখনৰ পৰা। কুহি তামোল আৰু পাণ শৰাইভাগত আগবঢ়াই দি সিদিনাৰ পৰাই

B.H.B College Sarupeta

তামোল পাণ মুখত দিবলৈ আৰম্ভ কৰে। অসমীয়া লোকবিশ্বাসত ধান পাণ একেলগে ব্যৱহাৰ নকৰে। আনক ধান দিলে লগত পান নিদিয়ে। লক্ষী অসন্তুষ্ট হয় বুলি প্ৰবাদ আছে।

তামোল পাণক লৈ গীত-পদ, কবিতা আদি ৰচনা কৰা হৈছে। তামোল পাণ প্ৰেম-প্ৰণয়ৰো প্ৰতীক। হুচৰি বা বিহুগীতত তামোল পাণ শব্দটো ব্যৱহাৰ কৰা হৈছে। প্ৰেমত ব্যৰ্থতা বা বিৰহ আদি প্ৰকাশ কৰিবলৈ বিহুনামত এনেদৰে প্ৰকাশ কৰা হৈছে—

"চাঙৰ মৰাপাত　　　　শুকান কলাপাত
থুৰিয়া তামোলকবান্ধো ;
থুৰিয়া তামোলক　　　দিবলৈ নেপাই মই
গাঁথিত বান্ধি থৈ কান্দো।

প্ৰেমৰ বিলাপ,বিৰহৰ আবেগ প্ৰকাশি তামোলক মাধ্যমত লোৱা গীতবোৰ বৰ দৰদী।

"থুৰিয়াই থুৰিয়াই　　　তামোল কাটি দিছিলি
তাৰ মাজত দিছিলি লং
মোলৈ আহিম বুলি　　　কাপোৰ ধুই দিছিলি
মনত লাগাইছিলি ৰং। ইত্যাদি

তেনেদৰে গাৱঁলীয়া অভিজ্ঞতা, সামাজিক বান্ধোন, ৰীতি নীতিৰ পৰম্পৰাগত চিত্ৰ, আধুনিকতাকো তামোল পাণৰ দ্বাৰাই উদাহৰণ দি বৰ্ণনা কৰা গীতবোৰ মন কৰিবলগীয়া।

"আগবাৰী গুৱনি　　　　কাকিনী তামোলে
পাছবাৰী গুৱনি পাণ।
ৰৰঘৰ গুৱনি　　　　　জীয়ৰী ছোৱালী
উলিয়াই দিবলৈ টান।

তেনেদৰে পুণৰ তামোল গছৰ ঢকুৱাকো সাঙুৰি প্ৰকাশ কৰিছে গীতত—

"তামোলৰ ঢকুৱা　　　　জোনাকী পৰুৱা
কিয় মনেমাৰি থাক
থাকো মনেমাৰি　　　　লোকৰ ঘৰে বাৰী
কাইলৈ উলিয়াই দিব।

আধুনিক সভ্যতাৰ জখলাত বগোৱা সমাজৰ গীতমাতবোৰ আধুনিকভাৱে সজাওঁতে থুৰিয়া তামোল, হাঁচতিৰ তামোল খনিৰ কথা অৱশ্যে বৰ্ণনা কৰিছে।

"থুৰিয়াই তামোলৰ　　　নুৰিয়াই বান্ধিলা
আহুদি ক'তনো পাই
ছেগ্ চাই টিপতে　　　সৰুকাই যাচিলা
যোবাবেলি বিহুতে পাই।

বিহুগীতবোৰত বেচ সুন্দৰকৈ স্থান পোৱা তামোল পাণে জন-জীৱনৰ লগত সাঙুৰি থকা নীতি
ৰাখিছে। তামোলৰ যে কিমান নাম কি
নাই বিশ্লেষণ।

"উলিকৈ তামোলৰ পুলি." বু
"হাতৰে কাটা তামোল হাততে লুকাইল

হুচৰি গাওঁতে বটাত　গামে
আগবঢ়াই ৰাইজক সেৱা কৰি গায়-

হুচৰি বাই ঐ দলৌ
তামোলথোক পাণগুছি ক

সাধাৰণতে তামোল গছত পাণ ৰুই পাণ
আজিকালি তামোল পাণৰ দামো বাঢ়ি
পাণ খাবলৈ সোঁবাদ বুলি কোৱা হয়। 
গীতত গাইছে- "মদাৰ গছত বগোৱা প
বৈষ্ণৱী সংস্কৃতিতো তামোল পাণৰ ব্যৱ
মহাপুৰুষীয়া নামঘৰত গুৰু দুজনাৰ স
ভকতসকলে তামোল পাণ ব্যৱহাৰ কৰি

বিহুনাম, বিয়ানাম, হুচৰি, পূজ
আইনাম, গোঁসাই নাম ইত্যাদি বোৰ
মনকৰিবলগীয়া। অসমীয়া সমাজৰ নৈ
নিদিলে নৈবেদ্য সম্পূৰ্ণ নহয় বুলি লো
পূজা বা আই (বসন্তৰোগ) ওলালে
আগবঢ়াই আয়তীয়ে এনেধৰণে গায়-

"তামোল দিয়া পূজিম আই
পাণ দিয়া পূজিম আই কুতিৰ

গোৱালপৰীয়া সমাজত তামোলক গুৱা
দিনতো গুৱা বুলিয়ে কৈছিল। জোৰা না
তামোল পাণৰ বৰ্ণনা হাঁহি উঠাকৈ গোৱ

পাণো আনিলা
ঐ ৰাম তামোলো আনি
কেনি পাৰ হলা　　দ
ঐ ৰাম দিনতে দুচকু

মুঠতে তামোল পাণৰ বৰ্ণনা অসীম। অ
সাঙোৰ খাই আছে এই তামোল পাণ। লে
তামোল পাণক বাদ দি অসমীয়া সমাজে
নোৱাৰে। অসমীয়া কৃষ্টিৰ কথা ভাবিলে
কথা আহি পৰে। যুগৰ পৰিবৰ্তন হলেও
প্ৰভাৱ পৰিলেও তামোল পাণ কেতিয়াও
নেযায়। ই জন-জীৱনৰ ওতঃপ্ৰোত অঙ্গ

B.H.B. College, Sarupeta

প্ৰবন্ধ

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিৰচিত ' আদি দশম' গ্ৰন্থত সমাজ জীৱনৰ চিত্ৰ ঃ এটি চমু আলোচনা—

*নমিতা দাস গুৰ*
*প্ৰবক্তা, অসমীয়া বিভাগ*

অসমীয়া সমাজ জীৱনৰ বাবে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সুকীয়া সুকুমাৰ এখন বিশাল পঢ়াশালি সদৃশ। সাধক শংকৰদেৱৰ চকুত নতুন অনাবিষ্কৃত দিগন্তৰ ছয়া-ময়া ছবি হয়তো ভাঁহি উঠিছিল—এখন শুদ্ধ, সত্ত্ব, বাপ্ত বৈষ্ণৱ সমাজ, এখন নিস্বাৰ্থ ভক্তৰ সমাজ, এখন সাম্য আৰু মানৱতাৰ ভিত্তিত প্ৰতিষ্ঠিত সুন্দৰ সমাজ। ভক্তৰ অনুভূতিৰে উত্তপ্ত এখন শোষণমুক্ত সমৃদ্ধ সমাজ। নিৰক্ষৰ, অৰ্দ্ধশিক্ষিত দৰিদ্ৰ হ'লেও গীত, নৃত্য, বাদ্য, নাট, অভিনয় কলাৰ অধিকাৰী এখন মানসিক ভাবে স-ৃদ্ধ আৰু ঐশ্বৰ্যশালী সমাজ, জীৱনৰ নতুনমূল্য আৰু তাৎপৰ্য্য উপলব্ধি কৰিবলৈ উদ্যত আৰু সমৃদ্ধ এখন নতুন মানুহৰ সমাজ। কছাৰী-চুতীয়া, মৰাণ, আহোম, মিৰি, কেওট, কলিতা, ব্ৰাহ্মণ, দৈৱজ্ঞ, মুছলমান, বৌদ্ধ, পৰ্বতীয়া, জোলাকীয়া, কৈবৰ্ত্ত, চণ্ডাল সকলোকে সামৰি লৈ এখন নতুন বিৰাট সমাজ। এই সকলো জাতি, উপজাতিৰ আশা, আকাংক্ষা, শ্ৰম, মৰম, স্নেহ, দয়া, মায়া, চেতনাৰ সমন্বয়ৰ মাজেদি গঢ়ি উঠা ভগৱানক চিনি পোৱা, জীৱনৰ অৰ্থ বুজি পোৱা এখন হৰিভকতৰ সমাজ। এই পুণ্যভূমি ভাৰতবৰ্ষৰ বুকুত প্ৰাচীন উপলব্ধি আৰু অক্ষয় মূলধনেৰে ব্যৱসায় হাট বেহাবলৈ সাজু এদল নতুন মানুহৰ সমাজ। এক নতুন ভক্তিপ্ৰেমৰ পবিত্ৰ নদীৰ শীতল পানীত অৱগাহন কৰি নিৰ্মল নিকা হৈ পৰা এনে নিজ নিজ বৃত্তিত আত্মাৰে লাগি থাকি সমাজৰ কল্যাণ আৰু অগ্ৰগতি অব্যাহত ৰাখিবলৈ সংকল্পবদ্ধ সমাজ।

কেৱল হৰিৰ নাম শ্ৰৱণ আৰু কীৰ্ত্তন কৰি মনত শান্তি লভিব পৰা, মায়া-মোহেৰে ভৰা এই সংসাৰৰ পৰা মুক্তি লভিব পৰা সহজ উপায় সমাজত প্ৰদান কৰি গ'ল শংকৰদেৱে। বৈকুণ্ঠত বিৰাজ কৰা প্ৰেমৰস পৃথিৱীলৈ বোৱাই আনিলে শংকৰদেৱে-

** 'হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে*
*প্ৰেম অমৃতৰ নদী,*
*শ্ৰীমন্ত শংকৰে পাৰ ভাঙি দিলা*
*বহে ব্ৰহ্মাণ্ডক ভেদি।*
*দেখা কিনো নামৰ মহিমা*
*অজামিলৰ পাপৰ নাই সীমা।*
*নাৰায়ণৰ নামলৈ বৈকুণ্ঠ চলিয়া যায়*
*দেখা কিনো নামৰ মহিমা।।*

শ্ৰীমদ্ভাগৱত পুৰাণৰ অন্তৰ্গত 'দশম স্কন্ধ' 'নবৈ' টা অধ্যায়ৰ সমষ্টি। ভগৱান কৃষ্ণৰ আদি, মধ্য, অন্ত্য লীলাৰ জীৱন বৰ্ণনা দশমত কৰা হৈছে।

১ ম অধ্যায়ৰ পৰা ৪৯ শ অধ্যায়লৈ-- আদ্যদশম। আদ্যদশমত শ্ৰীকৃষ্ণৰ গোকুলৰ লীলা-খেলা বৰ্ণনা কৰা হৈছে।

৫০ শ অধ্যায়ৰ পৰা ৮০ শ অধ্যায়লৈ-- মধ্যদশম। ইয়াত শ্ৰীকৃষ্ণৰ মথুৰাৰ লীলাৰ বৰ্ণনা কৰা হৈছে।

৮১ শ অধ্যায়ৰ পৰা ৯০ শ অধ্যায়লৈ-- অন্ত্যদশম। অন্ত্যদশমত শ্ৰীকৃষ্ণৰ দ্বাৰকাৰ লীলাৰ বৰ্ণনা কৰা হৈছে।

'আদিদশম' মহাপুৰুষৰ শেষ বয়সৰ ৰচনা। অনুমানিক ১৪৫৫ শকৰ (খ্ৰীঃ ১৫৪৩ চন) পৰা ১৪৯০ শকৰ (খ্ৰীঃ ১৫৬৮ চন) ভিতৰত মহাপুৰুষ শংকৰদেৱে 'আদিদশম' ৰচনা কৰে।

*'মহা ভাগৱত কথা দশম স্কন্ধৰ।*
*বিৰচিলা পদ কৃষ্ণ কিংকৰ শংকৰ।।'*

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমীয়া সমাজখন আগত ৰাখিহে আদি দশম ৰচনা কৰিছিল। আভিজাত্য, বিদ্যাভিমানী সমাজৰ বাবে ৰচিত ভাগৱত পুথিখনক ইমান সহজ সৰল ভাবে শংকৰদেৱে উপস্থাপন কৰিলে যে-- পুথিখনে জনসমাজত বিপুল জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হ'ল। লোকশিক্ষাক বিশেষ ভাবে গুৰুত্ব দিয়া মহাপুৰুষ শংকৰদেৱে তেওঁৰ 'আদি দশম' ৰচনাত জটিলতাক পৰিহাৰ কৰা দেখা যায়।

*'মুকং কৰোতি বাচলং পঙ্গুং লঙ্ঘয়তে গিৰিম্।*
*যৎ কৃপা তমহং বন্দে পৰমানন্দ মাধৱম্।।*

ভাগৱতৰ কাহিনী যিখন সমাজত গঢ়লৈ উঠিছিল সেইখন সমাজ আছিল - গতিশীল সমাজ। গোকুল, বৃন্দাবনবাসী লোক সকল আছিল সংস্কৃতি সম্পন্ন। তেওঁলোক আছিল সহজ- সৰল, ঈৰ্ষা-কপটতা শূন্য। ৰজা-প্ৰজা সকলো আছিল সমান। নন্দ ৰজা হৈও গৰুৰ বাথানলৈ যায়,গাখীৰ খীৰায়, গাখীৰৰ ভাৰ বান্ধি কঢ়িয়াই

B.H.B College, Sarupeta

আনে। ৰাণীয়েও ঘৰৰ সকলো কাম কৰে আৰু ৰাজকুমাৰ কৃষ্ণই লগৰীয়াৰ লগত গৰু চৰাবলৈ যায়।

*'শুক নিগদতি পাছে শুনা মহীপাল।*
*ভৈলা ৰাম-কৃষ্ণ দুয়ো প্ৰধান গুৱাল।।*
*বৎসক এতিয়া চৰাই ফুৰে ধেনুগণ।*
*পৱিত্ৰ কৰিলা পাছে সিটো বৃন্দাবন।।*

*আদি দশম-৫১৪*

গোপ বালক সকলৰ লগত গৰু চৰায় নাচি- বাগি, বাহী বজাই ফুৰা কৃষ্ণ যেন সমাজৰ বাবে সংস্কৃতিৰ শ্ৰেষ্ঠ প্ৰতীক। আনহাতে অত্যাচাৰী শোষণকাৰী কংস হ'ল সমাজৰ অপসংস্কৃতিৰ ৰূপকস্বৰূপ।

সমাজে; জনগণে মুক্তি বিচাৰে। কু-সংস্কাৰৰ পৰা মুক্তি, শোষণ-নিপীড়নৰ পৰা মুক্তি, অপসংস্কৃতিৰ পৰা মুক্তি। কংসৰ পৰাও সেই সমাজখনে মুক্তি বিচাৰিছিল আৰু মুক্তি প্ৰদান কৰিছিল কৃষ্ণই।

সেই সময়ত সমাজতো শিশু জন্ম হ'লে উৎসৱ-পাৰ্বন পতাৰ ব্যৱস্থা আছিল।

*'দধি দুগ্ধ ঘৃত সন্দেশ ধৰি আটি।*
*নন্দৰ গৃহক লাগি যাই ধৰি বাটি।।*
*গোপগনো শুনে পুত্ৰ ভৈল যশোদাৰ।*
*উৰুক-মুৰুক কৰি পিন্ধে অলংকাৰ।।*

*আদি দশম-১৪৬*

আনহাতে ' নামকৰণ' অনুষ্ঠান পতা ব্যৱস্থাও সেই

*সময়ত সমাজত দেখা গৈছিল।*
*শুকমুনি বোলন্ত শুনিয়ো পৰীক্ষিত।*
*গৰ্গঋষি নামে যাদৱৰ পুৰোহিত।।*
*বসুদেৱ পঠাইলা নন্দৰ গৃহে আইল।*
*দেখি নন্দে আনন্দে পৰম প্ৰীতি পাইলা।। ২৪০*
*বিষ্ণুবুদ্ধি পূজি পড়ি কৰিলা প্ৰণাম।*
*কিবা কাৰ্য্য সাধো গুৰু তুমি পূৰ্ণকাম।*
*জ্যোতিষকো জানা তুমি বেদতো পাৰ্গত।।*
*কৰিয়োক পুত্ৰ দুইৰ জাত কৰ্ম যত।। ২৪১*

আদিম সমাজত পুৰুষৰ দৰে নাৰীৰো আছিল অবাধ স্বাধীনতা। কালক্ৰমত নীতি-নিয়ম, অনুশাসন আদিৰ কবলত পৰি নাৰী হৈ পৰিল বন্দী। আদি দশমৰ ' ৰাসক্ৰীড়া' অধ্যায়টোত যেন সমাজৰ নাৰী সকলক মুক্ত কৰি দিয়াৰ প্ৰয়াসহে কৰা হৈছে। স্বামী, পুত্ৰ, শহুৰ, জ্যেষ্ঠজন কাৰো বাধা নামানি ভগবান কৃষ্ণৰ চৰণত শৰণ ল'বলৈ গোপীসকলে বৃন্দাবনলৈ ঢাপলি মেলা দৃশ্যটো অতি তাৎপৰ্য্যপূৰ্ণ।

*বৃন্দাবনে আনন্দে কৰিয়া*
*শুচাইলা গোবিন্দে গোপিকাৰ ক*
*শুনিয়োক বুধজন জনম*
*কামজয় নামে ইটো কেশ*
*মোক্ষ যেৱে পাইবা পাপ ক*
*কৃষ্ণ কথামৃত কৰা কৰ্ণভৰি*

সেই সময়ৰ সমাজতো পৰকী

হৈছিল। সেয়েহে পৰীক্ষিতে শুকক প্ৰশ্ন

*হেন শুনি পাছে পু*
*মহাৰাজ পৰীক্ষি*
*পৰম ঈশ্বৰ কৃ*
*কেনে হেন পৰিহ*
*ধৰ্মক ৰাখিতে ভৈ*
*যিটো জগতৰ বা*
*পৰ গোপনাৰী ৰা*
*আপুনি কৰিলা পা*

সেই সময়ৰ সমাজতো আজিৰ শক্তিশালী, ধনশালী সকলৰ পাপক পাপ সেয়েহে পৰীক্ষিতৰ প্ৰশ্নৰ উত্তৰ স্বৰূপে

*পূৰ্বতে ব্ৰহ্মায়ে নি*
*ৰমিলা উন্মত কা*
*চন্দ্ৰে হৰি নিয়া কৰি*
*গুৰুভাৰ্য্যা তাৰা নামে।*
*ইন্দ্ৰে অহল্যাক হ*
*পায়া আতি কামপী*
*বিশ্বামিত্ৰ ঋষি মে*
*সহিতে কৰিলা ক্ৰী*
*তেজস্বীক কিছো পা*
*আত কোন দোষ উ*
*যেন সৰ্ব ভক্ষ্য বহি*
*তাংক কোন জনে বাছে*

আনহাতে এটা কথা মন কৰিবল দেৱী ৰাৱণৰ ঘৰত অকলে বন্দী অৱস্থাত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতো সমাজে অস্বীকাৰ কৰিছে। কিন্তু আদি দশমৰ সমা দেখা যায় যে-- গোপীনি সকলে মানব বুলি জানিও কোনো আপত্তি কৰা দেখা

*অনেক ৰজনী এ*

B.H.B. College, Sarupeta

তথাপি নুপুৰে মন।
কৃষ্ণ অঙ্গ সঙ্গে    গোপী নজানয়
যায় যেন অৰ্দ্ধক্ষণ।।
পতি পুত্ৰ গৃহ    সবে পাসৰিল
শৰীৰতো নাহি চিত।
অতি অনুৰাগে    গাবন্ত আনন্দে
গোবিন্দৰ গুণগীত। ১৫৪৪

'আদি দশম'ৰ সমাজ ব্যৱস্থাত আন এটা মন কৰিবলগীয়া কথা হ'ল—সেই সময়ৰ সমাজত মানুহৰ জীৱিকা নিৰ্বাহৰ মুখ্য উপজীৱিকা আছিল পশুপালন। 'আদি দশম'ৰ নায়ক কৃষ্ণৰ গোপাল গোবিন্দ আদি নাম যেন সেই বৃত্তিৰ প্ৰতীক স্বৰূপ। সেই সময়ৰ কৃষি বাস্তৱৰ উল্লেখ 'আদি দশম'ত পোৱা নাযায়।

আদি দশমত প্ৰকাশ পোৱা আন এটি সামাজিক ঘটনা হৈছে 'গোপ গোপী সকলৰ বৃন্দাবনলৈ গমন'।

দিনেক আসিয়া    বৃদ্ধ বৃদ্ধ গোপে
পাতিলা বসি সমাজ
নন্দ আদি কৰি    চিন্তিবে লাগিলা
গোকুলৰ হিত কায।।
আছে উপনন্দ    নামে একজন
বৃদ্ধ গোৱালৰ যাগি।
সবাকো সম্বুধি    বোলে এতিক্ষণে
আসা ঐৰ গুচো ভাগি। ৩৪০

নন্দ যশোদা আদি গোপ গোপী সকলে গোকুলত নানা দৈত্য-দানৱৰ আক্ৰমণত অশান্তি পাই বৃন্দাবনলৈ গমন কৰিছিল। অনুকূলতাৰ আকাংক্ষাত সমাজতো পৰিলক্ষিত।

অসুৰ আৰু দেৱতাৰ মাজত যি সংঘাত আদি দশমত দেখুওৱা হৈছে সেয়া যেন আৰ্য আৰু অনাৰ্যৰ মাজৰ সংঘাত। আৰ্য্য-অনাৰ্যৰ মিলনো আদি দশমৰ আন এক উল্লেখযোগ্য দিশ। আদি দশমৰ নায়ক কৃষ্ণৰ জন্ম হৈছে আৰ্য আৰু অনাৰ্যৰ মিলনত। বাসুদেৱ আৰ্য আৰু দৈৱকী অনাৰ্য। ভাৰতীয় সমাজত চলি অহা অনৈক্যৰ মাজত ঐক্যতাই যেন আদি দশমত স্পষ্ট ৰূপত দেখা দিছে।

আছেহি মথুৰাত আছে সুৰ যদুপতি।
তাহানে তনয় বসুদেৱ মহামতি।।
অনেক সাদৰে তাঙ্ক আনিয়া গৃহক।
দৈৱকীক বিহা বঙ্গে দিলন্ত দৈৱক।। ২১

আমাৰ সমাজত এতিয়াও চলি থকা যাদু-মন্ত্ৰ, পূজা, মন্ত্ৰজপ শিক্ষা, নজৰ লগা আদি প্ৰথাবোৰ পুৰণি কালৰ পৰাই চলি আহিছে। আদি দশমতো ইয়াৰ নিদৰ্শন পোৱা যায়—

দেখি গোপীগণে ধৰিলেক আথে-বেথে।
ৰাখিলো ৰাখিলো বুলি থুথুৱাৰে মাথে।।
ৰোহিণী যশোদা আসি ধৰিল সাবটি।
ৰক্ষা মন্ত্ৰ বান্ধি কৰে আসটি কুসটি।।
গাৱত মেহ্লাইলা নিয়া গৰুৰ ঘসি ধুলি। ১
পুত্ৰ দেৱই দৈল বুলি যশোদাৰ ভয়।
কৃষ্ণৰ গাৱত নিয়া লিপিল গোময়।।
নকৰিলে গোপীগণে আচন্ত প্ৰথমে।
বাহু অঙ্গে ৰক্ষা বান্ধিলন্ত বাহু নামে।। ১৮

বৃহৎ আকাৰৰ পুতনা ৰাক্ষসীৰ বুকুৰ ওপৰত বহি থকা অকণমানি কেচুৱা কৃষ্ণক দেখি আটায়ে ভয় খাইছে আৰু চক খোৱা বুলি কৃষ্ণক মূৰত থু-থুৱাই দিছে। আজিও আমাৰ সমাজত শিশুৰে ভয় খালে ভয় নাশ কৰিবলৈ থু-থুৱাই দিয়া হয়। আজিৰ শিক্ষিত সমাজে ভাবি নাচায় যে 'থু'ৰ দ্বাৰা শিশুটিৰ গালৈ বীজাণু সংক্ৰমিত হ'ব পাৰে।

'শকট ভঞ্জন' কৰাৰ পিছতো শিশু কৃষ্ণক ৰক্ষা কবচ দিবৰ বাবে ব্ৰাহ্মণ মাতি চণ্ডীপাঠ কৰিছে—

বলবন্ত গোপ গণে    শকটক উভতাই
পূৰ্বৰিতে ভাণ্ড থৈলা তুলি।
ব্ৰাহ্মণৰ হাতে হোম    পূজা কৰাইলন্ত নন্দে
পুত্ৰৰ কল্যাণ হৌক বুলি।। ২১২
বিপ্ৰক পঢ়ায়া চণ্ডী    বস্ত্ৰ অলংকাৰে মণ্ডি
অসংখ্যাত ধেনু দিলা দান।
দ্বিজ গণে ঋচ পঢ়ি    আশংসিলা উচ্চ কৰি
থাকা নন্দ সপুত্ৰে কল্যাণ।।

আজিও আমাৰ সমাজত শিশু বা পৰিয়ালৰ মঙ্গলৰ বাবে চণ্ডীপাঠ, বিষ্ণু পূজা, ভাগৱত পাঠ, নাম কীৰ্ত্তন আদি কৰা হয়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ভাৰতবৰ্ষত চলা লোকৰীতি সমূহ অসমীয়া সমাজত খাপ খোৱাকৈ সুন্দৰ ভাৱে অংকণ কৰিছে।

'আদি দশম'ৰ সময়ত সমাজত বিভিন্ন বৃত্তিধাৰী লোক থকাৰ উমান পোৱা যায়- মালিনী, তাতী, ধুবী, চন্দন যোগাওঁতী আদি।

বোলে নানা খৰ্ব্ববাণী    দৈৱকীনন্দনে শুনি
অধম ধোৱাৰ অহংকাৰ।
কোপে আগ পাচ চান্ত    আটোপে কামুৰি দান্ত
চৰৰে ছিণ্ডিলা মুণ্ড তাৰ।।

B.H.B. College, Sarupeta

*যত লগৰীয়া তাৰ          বস্ত্ৰৰ পেন্থায়া ভাৱ*
*মহাভয়ে সবে দিল লৰ।*
*গোপগণে চাপি পাশ          বিঙ্গজোত কৰৈ হাস*
*ৰাম কৃষ্ণেৰ্য্য বৰ্ম্ম ভৈলা বৰ। ১৮৯১*

'দশমত' যুদ্ধ বুলিলে মল্লযুদ্ধকেই প্ৰাধান্য দিয়া দেখা যায়—

*হেন জানি আসা তুমি আমি বন্ধ ধৰো।*
*নৃপতিৰ প্ৰীতি সাধি মল্লযুদ্ধ কৰো।।*
*ৰাজা তুষ্ট ভৈলে সৰ্ব্বলোকে তুষ্ট হয়।*
*সৰ্বভূতময় ৰাজা শাস্ত্ৰতো কহয়।। ২০১৯*

আনহাতে অস্ত্ৰৰ ভিতৰত গদা আৰু ধনুৰ উল্লেখ পোৱা যায়।

বজ্ৰসম দৃঢ় আতি ধনু অনুপাম।
ঠাই-ঠাই লগাই আছে সুৱৰ্ণৰ কাম।। ১৯৩৩

সেই সময়ত সমাজৰ উচ্চশ্ৰেণীৰ মানুহ খিনিয়ে বাহন হিচাপে 'ৰথ' (ঘোঁৰাই টনা গাড়ী) আৰু গোপ-গোপী আদিৰ নিচিনা মধ্যবিত্ত আৰু নিম্ন শ্ৰেণীৰ মানুহে 'শকট' (গৰু গাড়ী) ব্যৱহাৰ কৰিছিল। নাৱৰ প্ৰচলন হয়তো সেই সময়ত নাছিল।

'দশম'ৰ সময়ৰ সমাজখনত বিনিময় প্ৰথাৰ বাবে গাই গৰু, সোণ ৰূপ, বস্ত্ৰ, অলংকাৰ, তিল আদিৰ ব্যৱহাৰ কৰা হৈছিল।

*দেব পিতৃগণক আছিলা যেন শক্য।*
*ব্ৰাহ্মণক দিলা দান ধেনু দুই লক্ষ।। ১৪১*
*নিৰ্মলন্ত তিলৰ পৰ্ব্বত গোটা সাত।*
*থানে থানে থৈলা তাত ৰত্ন অসংখ্যাত।।*
*সুৱৰ্ণ ৰজত বস্ত্ৰে কৰিয়া আবৃত।*
*তাকো নন্দে দিলা দান হয়া কৃতকৃত্য।। ১৪২*

'আদি দশম'ৰ এঠাইত 'ধান'ৰ কথাও উল্লেখ আছে।

*কোনে যদ্ধ জৈবে বুলি ডাকিল পসাৰী।*
*ধান্য দিয়া হাত পাতি থাকন্ত মুৰাৰি।*
*কৃষ্ণৰ হস্তক ভৰি দিল ফল বাছি।*
*সুৱৰ্ণ ৰজতে তাইৰ উপচিল পাচি।। ৩২৬*

আজিৰ সমাজত এনেদৰে ধানৰ বিনিময়ত ফল পোৱা নাযায় যদিও, কোনো কোনো অঞ্চলত এতিয়াও বস্তুৰ বিনিময় প্ৰথাৰ প্ৰচলন থকা দেখা যায়।

সেই সময়ৰ সমাজতো ৰজাৰ প্ৰতিবাদী সকলক নিষ্ঠুৰভাৱে শাস্তি প্ৰদান কৰাৰ কথা আদিদশমত উল্লেখ আছে। আজিও চৰকাৰৰ বিপক্ষে গ'লে অনাহক শাস্তি ভুগিব লগীয়া হয়।

*দেৱতাসবৰ মাধৱেসে আদি মূল।*

*যজুৰ্ব্বেদী বিপ্ৰেসে বিষ্ণুৰ অ*
*হেন জানি তপসী ঋষিক স*
*ধেনুমানে মাৰো যত যজ্ঞক নিবে*
*আপুনি মৰিব হৰি খাইবাক*
*বিষ্ণুৰ বধৰ ইসে পৰম উপ*
*হেন শুনি কংস কালে বিমোহি*
*ব্ৰাহ্মণ হিংসাকে মানিলেক মহা*

ভাৰতবৰ্ষত সেই সময়ৰ সমাজত থকা বিদ্বেষ ভাব ইয়াত প্ৰস্ফুটিত হোৱা দে

'আদি দশম'ৰ সময়তো পুৰুষ সক কম আছিল আছিল। সেই কথা দশমত স্পষ্ট

*একে স্ত্ৰী বনচাৰী আৰো ব্য*
*তাহাৰো অধীন ভৈলা ঈশ্বৰ*
*নচাৰে অজাতি জাতি পাপী*
*ভকতিতে বশ্য কিনো প্ৰভু ভগৱ*

** ** ** ** **

*একে গোপী স্ত্ৰী জাতি          আৰো*
*সদায় মনত ভ্ৰমে মাত্ৰ*
*আশ্চৰ্য্য আশ্চৰ্য্য কিনো          এস*
*পৰম ভক্তিৰ ভৈল পাত্ৰ।।*

আমাৰ দেশৰ কিৰাত সকল আ আজিও তেওঁলোকে বলি বিধান, পূজা-পাত আছে। কিন্তু 'আদি দশম'ৰ সময়ত কিছুমান প্ৰতি আকৰ্ষিত হোৱা দেখা যায়।

*কিৰাতৰ ভাৰ্য্যাগণে শুনি সিটো*
*উত্ৰাৱল প্ৰেমত নধৰে আউৰ*
*হয়া ভোল কৃষ্ণৰ খোজৰ লব*
*শিব শৰীৰতো ঘষে শুদ্ধ হও বু*

আনহাতে কিছুমান কিৰাট লোক আছিল। যেনেদৰে আজিৰ সমাজতে বহু উপলৃতা কৰি বলি বিধানেৰে মহা পয়োভৰে আদি দশমত সেই সকল কিৰাটক মহাপুৰু ভাবে 'পৰম অজ্ঞানী' বুলি উল্লেখ কৰিছে—

*পৰম অজ্ঞানী যে কিৰাতী স*
*মুকুতাক তেজি গুঞ্জামনি পিন্ধে*
*হৰিভক্তি এড়ি সিটো আন ক*
*জানিবা পাইলেক তাক সেহি প*

'দশম'ত উল্লেখ থকা ভগৱান কৃষ্ণ

B.H.B. College, Sarupeta

সাৰ্বজনীন দৃশ্য। তেনে দৃশ্য আজিৰ সমাজৰ কিশোৰ- কিশোৰী, বুঢ়া-বুঢ়ী, আদিৰ মাজতো বিদ্যমান।

*কদাচিত বনত ভুঞ্জিবে ঈচ্ছা কৰি।*
*প্ৰভাতে উঠিয়া শিঙ্গা ডাক দিলা হৰি।।*
*নিশাৰ বুজিয়া গোপশিশু অখংখ্যাত।*
*লৈলা সিকিয়াত বান্ধি কান্ধে দধি-ভাত।। ৩৬৩*

'আদি দশম'ৰ ভগবান শ্ৰীকৃষ্ণৰ যি অকপট লীলাৰ বৰ্ণনা, সেই বৰ্ণনাই পৰোক্ষ আৰু প্ৰত্যক্ষ ভাবে ভাৰতীয় সমাজ জীৱনৰ এক সুন্দৰ চিত্ৰ দাঙি ধৰে। সেয়েহে 'আদি দশম'ক 'সমাজ অধ্যয়ন'ৰ এটি বিশিষ্ট উপাদান আখ্যাও দিব পাৰি।

হৰি ভক্তিত জাতি বৰ্ণৰ কোনো ভেদ ভাব নাই। শংকৰদেৱৰ সত্ৰ ব্যৱস্থাই সমাজ চেতনাৰ বিকাশৰ গতি পথত ব্ৰাহ্মণ ক্ষত্ৰিয়ৰ পৰা, শূদ্ৰ, কৈবৰ্ত্ত, ম্লেছ আৰু চণ্ডালকো মানৱ ধৰ্মৰ অধিকাৰী বুলি স্বীকাৰ কৰি আহিছে।

শংকৰদেৱে প্ৰথমতে তেওঁৰ ৰচনাৰ পৰা ৰাধাক প্ৰায় সম্পূৰ্ণ বাদ দিলে। প্ৰতিবেশী বঙ্গদে·ত তেতিয়া ৰাধা-কৃষ্ণ প্ৰেমৰ বিপুল প্ৰভাৱ। গীত গোবিন্দ কাব্যৰ প্ৰভাৱ অপৰিসীম। তেনে এক কালত কৃষ্ণক গ্ৰহণ কৰি ৰাধাক বাদ দিয়াৰ উদ্দেশ্য হ'ল- অসমৰ ক্ষুদ্ৰ সমাজত ৰাধাৰ প্ৰৱেশ মঙ্গলজনক নহ'ব। বঙালী সমাজত নাৰীক ৰাধাৰ সখী জ্ঞান কৰা হয় প্ৰায়ে- সেয়া হ'ল ৰাধাৰ প্ৰভাৱ। সন্দেহ নাই ৰাধা কৃষ্ণৰ প্ৰেম আছিল অপাৰ্থিৱ, পৱিত্ৰ।

ৰাধা আছিল বিবাহিতা, কৃষ্ণতকৈ প্ৰায় দহ বছৰৰ জ্যেষ্ঠ। সাধাৰণ মানুহে সেই সম্পৰ্কক বিকৃতৰূপে ল'ব পৰাৰ আশংকাত শংকৰদেৱে ৰাধাক তেওঁৰ ৰচনাৰ পৰা প্ৰায় বাদ দিলে।'

'শংকৰদেৱ যিখন সমাজৰ সন্তান, যি সামাজিক আৰু ৰাজনৈতিক অস্থিৰতা আৰু মূল্যবোধহীনতাৰ তেওঁ সন্মুখীন হ'ব লগীয়া হৈছিল, সেই ব্যৱস্থাত তেওঁৰ মন আৰু হৃদয়ে যিটো বিচাৰিছিল, জীৱনৰ যি সত্যক পাবলৈ তেওঁ ব্যাকুল হৈছিল, সেয়া তেওঁ নাপালে সমাজৰ বিক্ষিপ্ত আৰু সৰ্ব্বনাশী ৰূপটোতেওঁ দেখা পালে প্ৰকটৰূপে'।

'ঈশ্বৰৰ চকুত প্ৰত্যেক মানুহে সমান। শূদিৰেও বামুণৰ দৰে হ'ব পাৰে। ব্ৰাহ্মণ্য ক্ৰিয়াকৰ্ম, যাগযজ্ঞ, মূৰ্ত্তিপূজা, পুৰোহিত ইত্যাদিৰ সহায়তো হৰিভকতে মুক্তি লভিব পাৰে। এইবোৰ শিক্ষাই আছিল শংকৰদেৱ আৰু মাধৱদেৱৰ ভক্তিধৰ্মৰ অন্তৰ্নিহিত গণতান্ত্ৰিক উপাদান। এই ধৰ্মৰ জনপ্ৰিয়তাৰ উৎসও আছিল এই বোৰেই। তথাপি এইটো কথা মন কৰিবলগীয়া যে সামাজিক জীৱনত খুতি পুতি থকা জাত পাত প্ৰথাৰ প্ৰতি কোনো সুস্পষ্ট প্ৰত্যাহ্বান নৱবৈষ্ণৱবাদত নাছিল। মাথো আধ্যাত্মিক জীৱনৰ ক্ষেত্ৰত জাত পাতৰ বিচাৰ কিছু ঢিলাই দিয়া হৈছিল।'

"প্ৰাক শংকৰী যুগৰ কুসংস্কাৰ, অনাচাৰ-ব্যভিচাৰে সমাজত এক অস্থিৰ অৱস্থাৰ সৃষ্টি কৰিছিল। তন্ত্ৰ-মন্ত্ৰৰ প্ৰাদুৰ্ভাৱ ঘটা সেইকালৰ দেৱ-দেৱীকে সৰ্বোচ্চ শক্তিমান বুলি ঠাৱৰ কৰিছিল। আনহাতে উচ্চ-নীচৰ বেৰখন, ধৰ্মৰ প্ৰকৃত তত্ত্ব সাধাৰণ মানুহৰ বাবে সাঁথৰ হৈ পৰিছিল। কিন্তু নাম ধৰ্মৰ যোগেদি আৰু শান্তিৰ বাণী। শংকৰদেৱৰ তত্ত্ব মতে নিস্কাম সাধন মাৰ্গত সকলোৰে সমান অধিকাৰ, ইয়াত উচ্চ-নীচৰ প্ৰশ্ন নুঠে। ব্যক্তিগত প্ৰচেষ্টা আৰু অনুশীলনৰ দ্বাৰা মানুহ মাত্ৰেই উচ্চ নৈতিক জীৱনৰ অধিকাৰী হ'ব পাৰে। ভক্তিহীন, আচাৰহীন তথা বংশ মৰ্য্যাদাৰে স্থান লাভ কৰা ব্ৰাহ্মণ বা গুৰুতকৈ প্ৰকৃত জ্ঞানী আৰু ভক্তিমান চণ্ডালজনো শ্ৰেয়।'

'ধৰ্ম সংস্কৃতিৰ এক ডাঙৰ অঙ্গ। সংস্কৃতিৰ কাম হৈছে বিচ্ছিন্নতাৰ বিপৰীতে সমাজক ঐক্যবদ্ধ কৰা। সকলো বন্যতাৰ বিপৰীতে সংযম শিকোৱা। ভোট, যৱন, মিৰি, গাৰো, নগা, কছাৰী, মুছলমান আদি জাতি , জনজাতি, হিন্দু-মুছলমান লোকসকলৰ মাজত এক উদাৰ, মানৱতাবাদী ধৰ্ম বিলাই, শ্ৰীশ্ৰীশংকৰদেৱে অসমীয়া শক্তিশালী জাতি গঠনৰ এক অপূৰ্ব, দূৰদৰ্শী প্ৰক্ৰিয়া আজিৰ পৰা চাৰে পাঁচশ বছৰৰ আগতেই প্ৰথম অসমত আৰম্ভ কৰিছিল।'

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ 'আদি দশম' গ্ৰন্থত সমাজ জীৱনৰ চিত্ৰ অতি নিখুঁত ৰূপত ফুটি উঠিছে। আজিৰ পৰা প্ৰায় দুশ বছৰ আগৰ অসমীয়া সমাজখনৰ লগত যে আজিৰ সমাজখনো বহু ক্ষেত্ৰত মিলি যায় সেয়া এক লক্ষ্যণীয় বিষয়।


সহায়ক গ্ৰন্থপঞ্জী-

১। আদি দশম- মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ
২। আদি দশম (এক বিজ্ঞানসম্মত ঐতিহাসিক বিশ্লেষণ) শশী শৰ্মা দলৈ।
৩। শ্ৰীশ্ৰীশংকৰদেৱ- ড° মহেশ্বৰ নেওগ।
৪। শংকৰদেৱৰ সাহিত্য প্ৰতিভা (প্ৰথম খণ্ড) ড° হৰিনাথ শৰ্মা দলৈ।
৫। শংকৰদেৱৰ সাহিত্য প্ৰতিভা- (দ্বিতীয় খণ্ড) ড° হৰিনাথ শৰ্মা দলৈ।
৬। শ্ৰীমন্ত শংকৰদেৱ সমাজ আৰু সংস্কৃতি - সম্পাঃ ড° প্ৰদীপ জ্যোতি মহন্ত
৭। শ্ৰীমন্ত শংকৰদেৱ, ধৰ্ম,দৰ্শন, ভাষা-সাহিত্য আৰু সংস্কৃতি সম্পাঃ ড° পৰমানন্দ ৰাজবংশী।
৮। বৈষ্ণৱ বাদৰ পৰা মায়ামৰীয়া বিদ্ৰোহলৈ- ড° অমলেন্দু গুহ।
৯। শংকৰদেৱৰ ব্যক্তিত্ব আৰু সত্ৰ ব্যৱস্থা- বাপচন্দ্ৰ মহন্ত
১০। ভাষা-সাহিত্য ৰস-ড° অমিয়া মহন্ত।


B.H.B. College, Sarupeta

প্রবন্ধ

# চৰ্যাপদ আৰু দেহবিচাৰৰ গীতৰ মাজত থকা তাত্বিক সাদৃশ্যৰ এক তুলনামূলক আলোচনা ঃ

কঞ্জু বৈশ্য,
প্ৰাক্তন ছাত্ৰী।

যিকোনো প্ৰচাৰ মাধ্যমৰ ক্ষেত্ৰত
গ্ৰহণ কৰা দেখা যায়। গীতৰ মাধ্যমেৰে ক
আৰু আকৰ্ষণীয় হৈ পৰে। সেয়ে প্ৰাচীন কা
প্ৰচাৰৰ ক্ষেত্ৰটো গীতৰ সহায় লোৱা হৈছে। 
সহজাত প্ৰবৃত্তি যে কথাতকৈ গীতৰ প্ৰতি ম
এনেকুৱা কাৰণতে অষ্টম দ্বাদশ শতিকাত চ
সহজযান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচিত চৰ্যাগীত
ধৰ্মীয় গীতি সাহিত্যৰ ভঁৰাললৈ বিশেষ
ভাষা,সাহিত্য আৰু ধৰ্মৰ ক্ষেত্ৰত এইবোৰৰ 
অসমীয়া সঙ্গীতৰ পৰম্পৰা বিচাৰৰ ক্ষেত্
সিমানেই বেছি। চৰ্যাগীতৰ পৰৱৰ্তী কালৰ অ
ভঁৰাল দেহবিচাৰৰ গীত,শাক্ত ধৰ্মীয় গীত, উ
বৈষ্ণব গীতসমূহে চহকী কৰি ৰাখিছে।

বিষয়বস্তু, ভাব আৰু উদ্দেশ্যৰ ফাল
আৰু চৰ্যাগীতৰ মাজত ভালেখিনি সাদৃশ্য
হ'ল চৰ্যাগীতবোৰ সহজযানী মতবাদ ব
আনহাতে দেহবিচাৰৰ গীতত কোনো বিশে
হোৱা নাই। এইবোৰত সহজযান, শৈৱ,বৈষ্ণ
তত্ব নিহিত হৈ আছে।

ড° পৰীক্ষিত হাজৰিকাদেৱে 
"চৰ্যাগীত আৰু বৰগীতৰ সংযোগ সেতু"
তেখেতে দেহবিচাৰৰ গীতবোৰে কোনো নি
নকৰিলেও সেইবোৰক তত্বমূলক গীত বুলি

চৰ্যাগীত আৰু দেহবিচাৰৰ গীতৰ 
সেয়েহে তাত একেধৰণৰ চিন্তা-ভাৱনাৰ উ
গীতত দেহটোকেই জগৎ ব্ৰহ্মাণ্ডৰ প্ৰতিৰূপ
সংসাৰ সাগৰত দেহ হৈছে নাও আৰু মন
হৈছে একমাত্ৰ ভৰসা। একাধিক গীতত এই
হৈছে-

"অ' গুৰুত সুধি লয়ৰ দেহ বিচাৰ
"গুৰু বাণী শিৰে লইয়া পথে বাঢ়
ভৱ নদী পাৰ হইয়া কৰা মুক্তি লা

চৰ্যাগীততো গুৰুবাদৰ প্ৰতি গুৰুত
প্ৰায়বোৰ গীততে। আচলতে দেহতত্বৰ এই
সহায় অত্যাৱশ্যকীয় নহয় বৰং এই সাধ
একমাত্ৰ পথ-

লুই ভণই গুৰু পুছিঅ জান ।। (

B.H.B. College, Sarupeta

বহত্তু কামলি সদগুৰু পুচ্ছী (চৰ্যা ৮)

চৰ্যাত প্ৰতীয়মান হৈছে যে শিক্ষাৰ জগতত শিক্ষকৰ আৰ্শীৰ্বাদ পৰম সম্পদ-

গুৰু গোবিন্দ দুনো খৰে কাকু লগ পাওঁ।
বলিহাৰী গুৰুদেৱ কী জিন গোবিন্দ দিয়ে বতাই।।

ব্ৰহ্ম উপলব্ধিৰ বাবে দেহ, মন,চিত্ত, অহংকাৰ এই অন্তৰায়বোৰ জয় কৰা অতি জৰুৰী-

গুৰুক মাৰিবা, ভকতক মাৰিবা, মাৰিবা সোদৰৰ ভাই।
সঙ্গৰ হৰি ভকতক, মৰিয়াই মাৰিবা, তেহে গুৰুক
হাততে পাই।

ইয়াত গুৰু, ভকত, সোদৰৰ ভাই আৰু হৰিভকত শব্দকেইটাই যথাক্ৰমে মন, ৰিপু আৰু হাত দুখন অৰ্থাৎ অহংকাৰ আৰু দেহাটোক বুজাইছে। এনে ভাব চৰ্যাগীততো স্পষ্ট-

মৰিআ সাসু ননন্দ ঘৰে সালী
মাঅ মাৰিআ কাফ ভইঅ কবালী।। (চৰ্যা ১১)

বিষয় বাসনা বা মায়া মোহ সম্পৰ্কত চৰ্যাগীত বা বৰগীতৰ তুলনাত দেহবিচাৰৰ গীতবোৰো বৰ সচেতন,কাৰণ উচ্চতম উপলব্ধিৰ বাটত এইবোৰেই সদায় হেঙাৰ হিচাপে থিয় দিয়ে-

কহয় মাধব শুনা মোৰ বন্ধুসব
এৰিয়ো বিষয় ধান্দা।

দেহবিচাৰৰ কিছুমান গীতত তান্ত্ৰিক সাধনাৰ প্ৰায় সোঁতপতীয়া ব্যাখ্যা প্ৰতীকী অৰ্থত ব্যক্ত হৈছে-

ছয় চক্ৰ ৰাম ৰূপ মেৰুত বসতি।
নাৰী গঙ্গা দুই জন জলে থলে থিতি।।

চৰ্যাগীতৰ দৰে দেহবিচাৰৰ গীততো নাও, নাৱৰীয়া আৰু কাণ্ডাৰীৰ কথা বৰ্ণিত হৈছে। বোধহয় নদীপ্ৰধান অসমৰ আবহাৱাত সৃষ্টি হোৱা গীতবোৰ কবিয়েই নাও, নদী আদিক প্ৰধান উপমা হিচাপে ব্যৱহাৰ কৰিছিল-

সুকাঠীকাঠৰ নৌকা ৰিঙ্কিলে ঘুণে।
তল যায় পৰা নৌকা উটে তিনি দিনে।।

আগে নাই গোৰে নাই মধ্যে নাই চিৰি।
গোৰত কাণ্ডাৰি নাই নৌকা ফুৰে ঘূৰি।।

চৰ্যাগীততো এনে ভাব স্পষ্ট-

ভৱ ণঈ গুণ গম্ভীৰ বেগে বাহী।
দু আন্তে চিখিল মাঝে ন থাহী।। (চৰ্যা ৫)
কাঅ নাৱড়তি খন্টি মন কেড়ুআল।
সদ্‌গুৰু বঅণে ধৰ পতবাল।। ( চৰ্যা-৩৮)

অসমীয়া দেহবিচাৰৰ গীতবোৰ একলগ কৰিব পাৰিলে চৰ্যাগীতৰ সৈতে প্ৰায় একে বক্তব্যৰ অনেক গীত ওলাব। কাৰণ দুয়োবিধ গীতৰ প্ৰেক্ষাপট একেটাই। তদুপৰি বৰগীতৰ তুলনাত দেহবিচাৰৰ গীতবোৰ চৰ্যাগীতৰ আৰু ওচৰ চপাৰ কাৰণ হ'ল তত্বগত মিল আৰু এই গীতবোৰ প্ৰচলিত হোৱা সমাজখন। বৈষ্ণৱবাদে তাৰ ভেটি প্ৰতিষ্ঠা কৰিছে সমসাময়িক অসমৰ শিক্ষিত তথা প্ৰতিষ্ঠিত শ্ৰেণীটোৰ মাজত; পিছলৈ ই প্ৰসাৰিত হৈছে আৰু সমাজৰ তলৰ শ্ৰেণীকো সামৰি লৈছে। কিন্তু ইয়াৰ চৰ্চা আৰু বিকাশ ঘটিছে শিক্ষিত সম্পদায়টোৰ মাজতে। আনহাতে চৰ্যাগীত আৰু দেহবিচাৰৰ গীত দুয়োবিধতে অতি নিম্নস্তৰৰ সমাজ এখন প্ৰতিফলিত হৈছে। দুয়োবিধ গীতৰ ভাব ভাষাত তাৰ স্পষ্ট প্ৰমাণ উদ্ভাসিত হৈছে। তদুপৰি বৰগীত যিমান বেছি পাৰমাৰ্থিক তত্বৰে সমৃদ্ধ,জীৱনৰ প্ৰতিচ্ছবি সিমান স্পষ্ট নহয়, কিন্তু জীৱনৰ উপলব্ধি অতি গভীৰ। বৰগীতত মায়াময় জীৱনৰ অসাৰত্বৰ উপলব্ধিৰ পৰা ব্ৰহ্মত্ব লাভৰ বাবে ভকতৰ আকুতি আছে প্ৰাণোচ্ছলভাৱে, কিন্তু জীৱনৰ ছবি তাত ক্ষীণ, আনহাতে দেহবিচাৰৰ গীতবোৰত এনেবোৰ কথাও প্ৰকাশিত হৈছে জীৱনৰ ছবিৰে, চৰ্যাগীত এইক্ষেত্ৰত এখোপ আগবঢ়া। ইয়াৰ মূল কাৰণ হ'ল সামাজিক আৰু অৰ্থনৈতিক পটভূমি প্ৰায় একেধৰণৰ আৰু সেয়ে এই দুয়োবিধ গীতৰ সাদৃশ্যও বহুত বেছি। তৎসত্বেও দেহবিচাৰৰ গীতবোৰক আমি বৰগীতৰ আগৰ বা চৰ্যা আৰু বৰগীতৰ সংযোগ সেতু বুলিব নোৱাৰোঁ।

❑❑❑



B.H.B. College, Sarupeta

প্ৰবন্ধ

# অসমীয়া সমাজ জীৱনত মহাপুৰুষ শংকৰদেৱৰ অৱদান

জুমি দাস
স্নাতক তৃতীয় বৰ্ষ।



প্ৰাচীন কামৰূপত বিষ্ণুৰ উপাসনা কৰা হৈছিল আৰু 'প্ৰাকশঙ্কৰী কবি' সকলেও বিষ্ণুৰ মহিমা প্ৰচাৰ কৰিছিল যদিও শংকৰদেৱৰ জন্মৰ সময়ত সমগ্ৰ উত্তৰ-পূৱ ভাৰতক অনৈক্য, অনাচাৰ আৰু অজ্ঞানতাই গ্ৰাস কৰিছিল। মনত শান্তি দি আধ্যাত্মিক চেতনাৰে জীৱনক সমৃদ্ধ কৰাৰ সলনি তেতিয়া প্ৰচলিত হোৱা ধৰ্মসমূহে মানুহক বিভ্ৰান্তহে কৰিছিল।

ধৰ্মৰ এই বিকৃত ৰূপ ভাৰতবৰ্ষত বহু আগৰে পৰাই চলি আছিল। তাৰে সংস্কাৰ-সাধন কৰিবলৈ মধ্যযুগৰ বৈষ্ণৱ ধৰ্মগুৰুসকল আগবাঢ়ি আহিছিল। তেওঁলোকে বিশ্বাসযোগ্যভাৱে কৈছিল যে নানা দেৱ-দেৱীক পূজা কৰাৰ কোনো অৰ্থ নাই, মাথোন এজন ঈশ্বৰক পূজিলেই হ'ল। এয়ে একেশ্বৰবাদ। শ্ৰীমদ্ভাগৱত গীতাৰ শ্ৰীকৃষ্ণজনক ভগৱান বুলি স্বীকাৰ কৰি তেওঁলোকে একেশ্বৰবাদৰ সত্যক প্ৰতিষ্ঠা কৰিছিল।

নৱবৈষ্ণৱ ধৰ্ম তথা এক শৰণ নাম-ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শংকৰদেৱৰ আঁচনি অধিক ব্যাপক আছিল। তেওঁ সমাজ উন্নয়নৰ

কেইবাটাও দিশলৈ চকু দিছিল। ৰজা সকলৰ
পক্ষৰ ষড়যন্ত্ৰ আৰু বিভিন্ন গোষ্ঠীৰ মাজত
বাগৰে ভাৰতৰ সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলক বি
ইয়াকে দেখি শ্ৰীমন্ত শংকৰদেৱ হতাশ হো
প্ৰতিকূল পৰিৱেশে তেওঁক লক্ষ্যভ্ৰষ্ট কৰিব
কি কৰিলে প্ৰকৃত ধৰ্ম পালন কৰি মনক শান্তি
তুষ্ট কৰিব পাৰি আৰু সংসাৰৰ জ্বালা-যন্ত্ৰণাৰ
এই বিষয়ে সৰ্বসাধাৰণ লোকে একো নেজানি
শাস্ত্ৰজ্ঞ পণ্ডিতৰ প্ৰৱঞ্চনাৰ বলি হৈছিল। কাৰণ
ভাষাত থকা কাৰণে ই পণ্ডিত সকলৰ মাজতে
ফলত সাধাৰণ মানুহৰ মানসিক উন্নতি নঘটাৰ
বিদ্বেষ বাঢ়িছিল আৰু বৰ্বৰতাই দেশৰ প্ৰাণশ

এইবোৰ দেখি শংকৰদেৱে সমাজৰ
অনাৰ হকে সমগ্ৰ জীৱনত কাম কৰি যাবলৈ দৃঢ়
মহেন্দ্ৰ কন্দলিৰ টোলত নানা শাস্ত্ৰ অধ্যয়ন ক
ৰৰ চিন্তিত হৈ পৰিল। শিৰোমণি ভূঞা হিচাপে
বেছি অসুখীহে হ'ল। অৱশ্যে ভাৰতৰ ভ
ধৰোঁতা সকলৰ কাৰ্য-কলাপৰ কথা জানিব প
হ'ল। কাৰণ তেওঁলোকে নিজৰ নিজৰ ভাষালৈ হি
অনুবাদ কৰিছিল আৰু জাতি-ভেদ প্ৰথাৰ বিৰু
ভক্তি-ধৰ্মত উচ্চ-নীচৰ প্ৰভেদ নাছিল।

শংকৰদেৱৰ (১৪৪৯-১৫৬৮ খ্ৰী.) প্ৰ
একেশ্বৰবাদী বা অদ্বৈতবাদী একশৰণ নাম-ধ
ধৰ্ম পালন কৰা পথটো দেখুৱাই দিয়া। তাকে
ধৰ্মাচাৰ, তন্ত্ৰ-মন্ত্ৰ আৰু ধৰ্ম-পালনৰ ব্যয় বহুলত
পাইছিল, উত্তৰ-পূৱ ভাৰতৰ বৃহৎ ভূখণ্ডত
পাইছিল। মানুহৰ মাজত আধ্যাত্মিক চেতনাই
সমাজত হিংসা-বিদ্বেষ আৰু বৰ্বৰতা হ্ৰাস
শংকৰদেৱৰ একশৰণ নাম-ধৰ্ম আছিল অহিংসা
স্নেহ-সম্প্ৰীতিৰ ওপৰত প্ৰতিষ্ঠিত।

সেই সময়ত অঞ্চলটোৰ মানুহ অজ্ঞান-
আছিল। কিন্তু শংকৰদেৱৰ বিৰচিত পুথিসমূহৰ প
বুজি পোৱা হ'ল, শংকৰদেৱ আৰু তেওঁৰ অনু
ধৰ্মাধিকাৰসকলৰ শাস্ত্ৰৰ ব্যাখ্যায়ো লোক-সমাজ
স্পষ্ট ধাৰণা দিলে আৰু শংকৰদেৱ লোকশিক্ষা

সেই সময়ত এখন সুস্থ সমাজ সংস্কৃতি
শংকৰদেৱে নিজৰ ধৰ্মটো লোক সমাজত সদৰি ক
কৰিলে কেবাটাও মাধ্যমৰ। সেইবোৰ হ'ল- সু

B.H.B College Sarupeta

অজস্ৰ পুথি, বৰগীত, ভটিমা, চপয়, নাটক, ভাওনা আৰু নৃত্য-গীত। ইয়াৰ সমষ্টিয়েই হ'ল শংকৰদেৱে উদ্ভাৱন কৰা সংস্কৃতি, যাক শংকৰী-সংস্কৃতি বা সত্ৰীয়া-সংস্কৃতিও বুলিব পাৰি। এই সংস্কৃতি এক বৈষ্ণৱী সংস্কৃতি। কাৰণ আৰ্য সংস্কৃতি আৰু অঞ্চলটোৰ ভিন্-ভিন্ন লোক সংস্কৃতিৰ উমৈহতীয়া উপাদানেৰে এই সংস্কৃতিক গঢ় দিয়া হৈছিল। সেয়েহে ধৰ্ম-প্ৰচাৰক শংকৰদেৱে তেওঁৰ ধৰ্মীয় সংস্কৃতিৰ যোগেদি সমগ্ৰ উত্তৰ-পূৰ ভাৰতক তথা তাহানিৰ বৰ-অসমক এক কৰিব পাৰিছিল আৰু জনসাধাৰণক সংস্কৃতিবান কৰি তুলিছিল। তেওঁ প্ৰতিজন ভকতক শিল্পী কৰি তুলিব পাৰিছিল। শংকৰদেৱে উদ্ভাৱন কৰা সংস্কৃতিৰ মানদণ্ড উচ্চ পৰ্যায়ৰ আছিল। ই তেওঁৰ এক অতি মহৎ সৃষ্টি। এই শংকৰী-সংস্কৃতি জনসাধাৰণৰ মাজত আজিও এনেভাৱে সোমাই পৰি সমাজত প্ৰভাৱ বিস্তাৰ কৰিছে যে ইয়াক লোক সংস্কৃতি বুলিও ক'ব পাৰি।

হৰিমন্দিৰ বা সত্ৰৰ ওচৰতে ভকতৰ হাটী থাকে আৰু সত্ৰাধিকাৰ জনৰ সুকীয়া বাহা থাকে। ইয়াৰে বিস্তাৰিত ৰূপ হ'ল সত্ৰ। অৱশ্যে সত্ৰসমূহে পূৰ্ণতা পায় মাধৱদেৱৰ দিনতহে। তথাপি সত্ৰৰ ধাৰণাটো শংকৰদেৱৰ নিজৰ। তেওঁ প্ৰতিষ্ঠা কৰা থানসমূহেই পিছত সত্ৰ নাম পায়। যেনে- বৰদোৱা থান বা বৰদোৱা সত্ৰ।

সেই সময়ত জাতি ভেদ প্ৰথাই সমাজক পংগু কৰিছিল। উচ্চ বৰ্ণৰ হিন্দুৰ কাৰণে কিছুমান জাতিৰ মানুহ অস্পৃশ্য হৈ আছিল। তেওঁলোকক পূজা-সেৱা কৰা ঠাইত সোমাবলৈকে দিয়া হোৱা নাছিল। শংকৰদেৱে উপলব্ধি কৰিছিল যে নিম্ন বৰ্ণৰ বা নীহকুলীয়া বুলি পৰিচিত এই সমাজত পিছ পৰি থকা মানুহখিনিক ওপৰলৈ তুলিব নোৱাৰিলে,তেওঁলোকক সমাজে স্বীকৃতি নিদিলে আৰু একশৰণ নাম ধৰ্মত দীক্ষা দি তেওঁলোকৰ আধ্যাত্মিক চেতনা জগাই তুলিব নোৱাৰিলে দেশ আৰু সমাজৰ কেতিয়াও উন্নতি হ'ব নোৱাৰে। সেই বাবে তেওঁ জনাই দিলে যে তেওঁৰ ধৰ্মই জাতি ভেদ নামানে, তেওঁৰ ধৰ্মত জাত-পাতৰ বিচাৰ কৰা নহয় আৰু ধনী দুখীয়া সকলো সমান। তেওঁৰ ভক্তি ধৰ্মই মানুহৰ শ্ৰেণী বিভাজন নিবিচাৰে আৰু ঈশ্বৰক ভক্তি কৰিবলৈ এজন মানুহ দেৱতা,ঋষি বা ব্ৰাহ্মণ হোৱাৰ প্ৰয়োজন নাই।

এনে উদাৰতা আৰু মহানুভৱতা থকা বাবেই শংকৰদেৱৰ একশৰণ নাম-ধৰ্মই পিছপৰা শ্ৰেণীৰ লোকক আকৰ্ষিত কৰিলে। আনকি আন আন ধৰ্মৰ লোকেও এই ধৰ্ম গ্ৰহণ কৰিলে। যিবোৰ জনজাতীয় লোকৰ কোনো ধৰ্ম নাছিল, তেওঁলোকেও শংকৰৰ ধৰ্ম গ্ৰহণ কৰি লাভবান হ'ল।

শংকৰদেৱে অনুগামী ভক্ত সকলক জাতি-কুলৰ বিচাৰ নকৰি সকলোকে সমানে ব্যৱহাৰ কৰিবলৈ উপদেশ দিছিল। তেওঁ 'কীৰ্তন-ঘোষা' ত লিখিছিল-

*ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।*
*দাতাত চোৰত যেন দৃষ্টি এক তুল*
*নীচত সাধুত যাৰ ভৈল এক জ্ঞান।*
*তাহাকেসে পণ্ডিত বুলিয় সৰ্বজন।।*

শংকৰদেৱে ভাগৱতৰ দশম স্কন্ধত কৈছে যে একান্তমনে ঈশ্বৰক সোঁৱৰণ কৰা চাণ্ডাল এজন ধৰ্মৰ নীতি-নিয়ম পালন কৰি থকা ব্ৰাহ্মণ এজনতকৈও শ্ৰেষ্ঠ।

এনে এটা আদৰ্শৰ পৰা বিচ্যুতি নোহোৱা কাৰণেই চান্দসাই (চান্দখাঁ) নামৰ এজন মুছলমানলোকে শংকৰদেৱৰত শৰণ লৈ পিছত এজন প্ৰধান ভক্ত হৈ পৰিছিল। সেয়ে একশৰণ নাম-ধৰ্ম সমন্বয়ৰ ত্ৰিবেনী সঙ্গম হৈ পৰিছিল।

শংকৰদেৱৰ এজন জীৱনীকাৰ ৰামানন্দ দ্বিজে শংকৰদেৱৰ সংস্কাৰধৰ্মী কাৰ্যৰ তাৎপৰ্য উপলব্ধি কৰি লিখিছিল যে, ম্লেচৰ দেশ কামৰূপত অপবিত্ৰ ম্লেচেও নাম-কীৰ্ত্তন কৰি বৈকুণ্ঠ লাভ কৰিব পৰা হ'ল। সেইবাবে শংকৰদেৱৰ বৈষ্ণৱ ধৰ্মই অহিন্দুকো আকৰ্ষণ কৰিলে,তেওঁলোক শংকৰৰ শিষ্য হ'ল, লেতেৰা হৈ থকা নীহকুলীয়া দুখীয়া মানুহখিনিয়েও এক পৰিস্কাৰ পৰিচ্ছন্ন জীৱন যাপন কৰি সমাজখন শৃংখলাবদ্ধ কৰিলে। শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ পিছত এজন ম্লেচ বা খুব লেতেৰা হৈ থকা অস্পৃশ্যলোক তেনে হৈ নাথাকিল,তেওঁ সমানে হৰিনাম লৈ আনৰ সৈতে একে হৈ পৰিল।

শ্ৰীমন্ত শংকৰদেৱে সকলো সম্প্ৰদায়ৰ লোককে শৰণ দি আৰু ভাৱে ভালেমানক আতৈ বা আতা পাতি দি তেওঁৰ ধৰ্মৰ উপকাৰ আৰু সাৰ্বজনীনতাৰ প্ৰমাণ দিলে। তেওঁৰ প্ৰধান শিষ্য সমূহৰ ভিতৰত আছিল-ব্ৰাহ্মণৰ মহেন্দ্ৰ কন্দলি আৰু ভট্টদেৱ, কায়স্থৰ মাধৱদেৱ আৰু নাৰায়ণ আতা, বনিয়াৰ দামোদৰ দাস, নগাৰ নৰোত্তম, আহোমৰ নৰহৰি ইত্যাদি। মুঠতে ক'ব পাৰি যে শংকৰদেৱৰ নামঘৰ বা সত্ৰ আছিল সকলো সম্প্ৰদায়ৰ মিলনভূমি আৰু একশৰণ নাম ধৰ্ম আছিল সামাজিক বিৱৰ্তনৰ অগ্ৰদূত। ধৰ্ম-সংস্কাৰক আৰু সমাজ সংস্কাৰক শ্ৰীমন্ত শংকৰদেৱ আছিল অসমৰ নৱজাগৰণৰ নেতা। তেওঁ অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ পুৰুষ। গতিকে অসমীয়া সাহিত্যলৈ মহাপুৰুষৰ অনবদ্য অৱদানসমূহ সাফল্যৰ অনুপম কৃতি।

*"জয়গুৰু শংকৰ সৰ্ব গুণাকৰ*
*যাকেৰি নাহিকে উপাম।*
*তোহাৰি চৰণক ৰেণু শত কৌটি*
*বাৰেক কৰোঁহো প্ৰণাম।'* ❑

B.H.B. College, Sarupeta

# হৰণ কাব্য আৰু অনন্ত কন্দলিৰ
# 'কুমৰ হৰণ' কাব্য

আখ্যান প্ৰধান ভক্তিমূলক কাব্যসমূহক প্ৰধানতঃ ড°সত্যেন্দ্ৰনাথ শৰ্মাই চাৰিটা উপশ্ৰেণীত ভগাইছে—

(ক) পৰিণয়,

(খ) প্ৰণয়,

(গ) বধকাব্য আৰু

(ঘ) মাহাত্ম্য কাব্য

কিন্তু ড° মহেশ্বৰ নেওগদেৱে পোণপ্ৰথমে হৰণ কাব্য সম্বন্ধে উল্লেখ কৰিছে। তেওঁ 'ৰুক্মিণী হৰণ' আৰু 'কুমৰ হৰণ'ৰ দৰে অসমীয়া প্ৰণয়মূলক গাঁথাক হৰণ কাব্য নামেৰে অভিহিত কৰিছে। হৰণ কাব্যৰ লক্ষণ সম্বন্ধে ড° মহেশ্বৰ নেওগে এনেদৰে কৈছে ঃ "জতুৱা জীৱনৰ ছবি শংকৰদেৱৰ 'ৰুক্মিণী হৰণ'ৰ লগত বসন্তৰ মধুৰ স্বপ্নৰ বাৰ্তাৰ দৰে অনন্ত কন্দলিৰ 'কুমৰ হৰণ' অসমীয়া প্ৰণয় গাথা 'হৰণ কাব্য'ৰ ঐতিহ্যৰ তৰংগ শীৰ্ষত অৱস্থিত.......।"

হৰণ কাব্যৰ লক্ষণসমূহ অসমীয়া কাব্য সাহিত্যত শংকৰদেৱৰ ৰুক্মিণী হৰণ আৰু শ্ৰীচন্দ্ৰ ভাৰতীৰ কুমৰ হৰণতহে প্ৰকৃত অৰ্থত ফুটি উঠিছে। প্ৰেম আৰু পৰিণয়ৰ মাজেৰে ভক্তিৰস আস্বাদন কৰোৱা এই দুখন কাব্যতহে হৰণ কাব্যৰ লক্ষণসমূহৰ সমাবেশ ঘটিছে।

হৰণ কাব্যৰ লক্ষণসমূহ প্ৰধানতঃ অনন্ত কন্দলিৰ 'কুমৰ হৰণ' কাব্যত কেনেদৰে ফুটি উঠিছে সেই সম্পৰ্কে এটি আলোচনা যুগুত কৰা হ'ল।

১। আদি, মধ্য আৰু অন্তস্বৰ সম্বলিত এটি সুসংহত কাহিনী,

(ক) কাহিনী হৰিবংশ আৰু ভাগৱত পুৰাণৰ পৰা আহৰণঃ

চন্দ্ৰ ভাৰতীৰ 'কুমৰ হৰণ' কাব্যৰ মুল তেওঁ ভাগৱতৰ পৰা গ্ৰহণ কৰিছে। তেওঁ এই কথাৰ প্ৰকাশ কৰিছে এনেদৰে,

"হেন ভাগৱত কথা পদবন্ধ কৰি।
বিৰচিবো হৈয়ো মোত সুপ্ৰসন্ন হৰি।।"

(খ) কৃষ্ণ বৰ্ণনাৰে কাহিনী আৰম্ভ ঃ

'কুমৰ হৰণ' কাব্যত শ্ৰীচন্দ্ৰ ভাৰতীয়ে কাহিনী বিন্যাসৰ প্ৰাৰম্ভতে 'শ্ৰীকৃষ্ণয়ে নমঃ' বুলি এটি বন্দনা গীতেৰে কৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে ঃ

"জয় নমো কৃষ্ণ-বিষ্ণু বৈকুণ্ঠ ম
জয় ত্ৰিজগতপতি জগত বান্ধৱ
জয় হৰি অপাৰ সাগৰে কৰা পা
জয় জয় দৈতাৰি দানৱ অনিবাৰ

(গ) নায়িকাৰ পিতৃ বংশাদিৰ প

শ্ৰীচন্দ্ৰ ভাৰতীয়ে 'কুমৰ হৰণ' ক
দাঙি ধৰিছে এনেদৰে—

"বাপৰ ৰাজ্যত বলৱন্ত মহাৰাজ
পুত্ৰৱতে স্বধৰ্মে পালন্ত সৱে প্ৰ
তপো-জপো-বলে- বীৰ্য্যে বান
সমুখ ভ্ৰমৰে ত্ৰিদশতো নগনয়।

(ঘ) নায়ক নায়িকাৰ ৰূপ-গুণৰ

'কুমৰ-হৰণ' কাব্যত চন্দ্ৰভাৰতী
প্ৰসঙ্গত উচ্চপৰ্য্যায়ৰ উপমা ব্যৱহাৰ কৰি

"উষাৰ ৰূপৰ উপমাৰ নাহি ঠাই
যেহি অঙ্গে দৃষ্টি পৰে তাকে থা

(ঙ) পূৰ্বৰাগৰ সঞ্চাৰ ঃ

হৰণ কাব্যৰ এটি উল্লেখনীয় বি
স্তৰৰ সামৰণি পৰে নায়ক-নায়িকাৰ মনত
অৱস্থাত।

(চ) প্ৰতিবন্ধকতাৰ সৃষ্টি তথা মি

হৰণ কাব্যৰ দ্বিতীয় স্তৰ আৰম্ভ
আৰু মিলনৰ প্ৰয়াসেৰে।

কুমৰ হৰণ কাব্যতো উষা আৰু
বাণৰজাই সংঘাতৰ সৃষ্টি কৰিছিল যদিও
সম্ভৱ হ'ল।

(ছ) হৰণ-কাৰ্য সিদ্ধি ঃ

চন্দ্ৰ ভাৰতীৰ কুমৰ-হৰণ কাব্য
মায়াত ৰনত ভ্ৰমৰী হৈ লৌহময় ঘৰৰ মাজ

B.H.B. College Sarupeta

হৰণ কৰি আনি উষাৰ মিলনৰ প্ৰয়াস পূৰ্ণ কৰে।

(জ) মিলন ভংগৰ আশংকা, যুদ্ধযাত্ৰা-নায়কৰ জয় তথা পুনৰ মিলন ঃ

'কুমৰ হৰণ কাব্যত উষাৰ শয়ন কোঠাত বাণৰজাই কুঁজীৰ কুমৰ অনিৰুদ্ধ কোঁৱৰৰ উপস্থিতিৰ কথা গম পাই নিজে গৈ এনে মিলন দৃশ্য প্ৰত্যক্ষ কৰে, উষাৰ মনত এই সময়খিনিত বিৰহৰ আশংকা প্ৰকাশ হৈছিল।

এই দৃশ্য প্ৰত্যক্ষ কৰি বাণৰজাই কোঁৱৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। যুদ্ধত কোঁৱৰ অনিৰুদ্ধৰ জয় হ'ল। ইয়াৰ পিছত অনিৰুদ্ধৰ লগত উষাৰ বিবাহ সম্পন্ন হয়ঃ

"অনিৰুদ্ধ কুমৰক অনাইলেক বাণ।
উষাক অনায় বিধিমতে দিলা দান।।"

২। চৰিত্ৰ-চিত্ৰণ ৰীতি ঃ

হৰণ-কাব্যৰ এটি উল্লেখনীয় বৈশিষ্ট্য হ'ল চৰিত্ৰ-চিত্ৰণ। হৰণ কাব্যৰ নায়ক-নায়িকা সকলোৱে পৰিচিত প্ৰসিদ্ধ চৰিত্ৰ হোৱা উচিত। চন্দ্ৰ ভাৰতীৰ 'কুমৰ-হৰণ' কাব্যৰ নায়ক-নায়িকা উষা-অনিৰুদ্ধ সকলোৱে পৰিচিত চৰিত্ৰ।

কাব্যখনত চৰিত্ৰসমূহৰ দুটা ৰূপ ঃ এটা ৰাজকীয় বা অভিজাতসম্পন্ন, আনটো ঘৰুৱা। কাব্যখনত থকা চৰিত্ৰসমূহ কেৱল ৰজা-ৰাণী, কোঁৱৰ-কুঁৱৰী হোৱাৰ উপৰিও কাৰোবাৰ পিতৃ-মাতৃ, পতি-পত্নী, বাই-ভনী আদি সম্পৰ্কেৰে জড়িত।

হৰণ কাব্যৰ চৰিত্ৰ নাৰীকেন্দ্ৰিক। শ্ৰীচন্দ্ৰ ভাৰতীৰ 'কুমৰ-হৰণ' কাব্যৰ কাহিনী অংকুৰিত হৈছে উষাৰ এটি সপোনক কেন্দ্ৰ কৰিয়েই। গতিকে হৰণ-কাব্য চৰিত্ৰপ্ৰধান।

৩। ছন্দ প্ৰয়োগ ঃ

হৰণ কাব্যতছন্দ প্ৰয়োগৰ ক্ষেত্ৰতো দৃঢ় বন্ধন মানি চলা দেখা যায়। শ্ৰীচন্দ্ৰ ভাৰতীয়ে 'কুমৰ-হৰণ' কাব্যত পয়াৰ ছন্দসজ্জাহে ব্যৱহাৰ কৰিছে।

৪। শৃংগাৰ ৰসৰ প্ৰাধান্য ঃ

হৰণ কাব্যত বীৰ, বীভৎস, কৰুণ, হাস্যাদি ৰসৰ সমাবেশ ঘটিলেও শৃংগাৰ ৰসেহে প্ৰাধান্য লাভ কৰে।

'কুমৰ-হৰণ' কাব্যত নায়ক-নায়িকাৰ মিলনত সম্ভোগ শৃংগাৰ ৰসে প্ৰাধান্য লাভ কৰিছে ঃ

"অনন্তৰে ৰতি ৰঙ্গ ভৈলেকে দোহাৰ।
কৈলা মনোৰথ সিদ্ধি ষোড়শ শৃঙ্গাৰ।।"

ইয়াৰ উপৰিও নানা ধৰণে চন্দ্ৰ ভাৰতীয়ে কাব্যখনত শৃংগাৰ ৰসৰ অৱতাৰণা কৰিছে।

৫। কবিৰ জাতীয় চেতনাৰ প্ৰতি সজাগতা ঃ

হৰণ কাব্যৰ এটি উল্লেখনীয় বৈশিষ্ট্য হ'ল কবিৰ জাতীয় চেতনাৰ প্ৰতি সজাগতা। কাব্যৰ কাহিনী, চৰিত্ৰ, পৰিবেশ, আচাৰ-অনুষ্ঠান, জনবিশ্বাস, শব্দচয়ন আদি সকলো ক্ষেত্ৰ তে অসমীয়া সমাজখনলৈ দৃষ্টি ৰখা হৈছে।

শ্ৰীচন্দ্ৰ ভাৰতীৰ কুমৰ-হৰণ কাব্যত সমাজ জীৱনৰ বহুবোৰ দিশত অনেক চিত্ৰ ব্যঞ্জিত হৈছে। বিপদ সঙ্কুল পথ অতিক্ৰম কৰি চিত্ৰ লেখাই উষা-অনিৰুদ্ধক মিলন ঘটাই দিয়াৰ পিছত ভোজন কৰাবলৈ লওঁতে অনিৰুদ্ধই চিত্ৰলেখাৰ জাত-পাতৰ বিচাৰ কৰা কথাখিনিত আমাৰ অতীত সমাজৰ অতি চিনাকি এখন ছবি দেখিবলৈ পাওঁ।

"ভুঞ্জিবাক বসি কুমৰে পোচে আদি মূল।
মঞি অন্ন ভুঞ্জিবো তোমাৰে কিবা কুল।।"

উষা -অনিৰুদ্ধক ভোজন কৰাবলৈ পথাইখন ব্যঞ্জনেৰে সজোৱা কাঁহিখনো আমাৰ অসমীয়া খাদ্য সম্ভাৰেৰে পৰিপূৰ্ণ—

"কচে-বচে বেসুমাৰি শোলেমূলে সঙ্গ।
মাণ্ডৰে বাসনা দিল কাৰৈত পালঙ্গ।।"

কাব্যখনত অনেক সম্বন্ধবাচক শব্দৰ প্ৰয়োগ হৈছে। যেনে- পিতৃ-মাতৃ, ভাই-ভগিনী ইত্যাদি।

'কুমৰ-হৰণ' কাব্যত ভক্তি ৰসৰ প্ৰাধান্যও দেখা যায়। উষা আৰু অনিৰুদ্ধ কোঁৱৰক প্ৰেমিক-প্ৰেমিকাৰ মিলনতে সীমাবদ্ধ নাৰাখি ভক্ত-ভগৱানৰ মিলন ৰূপেহে জনপ্ৰিয়তা আৰু প্ৰসিদ্ধি দিয়া দেখা যায়

সংখ্যাগত দিশৰ পৰা তাকৰীয়া হলেও গুণগত মানদণ্ডেৰে 'হৰণ-কাব্য' আখ্যান প্ৰধান ভক্তিতত্ত্বমূলক কাব্যৰ এক অমূল্য সম্পদ।

❑❑❑

B.H.B. College, Sarupeta

# সময়ে সামৰি থব নোৱাৰে

*বৰুণ তালুকদাৰ*
*প্ৰাক্তন ছাত্ৰ*



সময়ে সামৰি থব নোৱাৰে
সকলো দুখ
পাহাৰৰ দৰে পৰি আছে
বুকুৱে বুকুৱে
সেই সোতৰ মে'ৰ দুপৰীয়া
কত মানুহৰ চকুলো নৈ হৈ বৈ গ'ল
শোক-ক্ৰোধ-বাদ-প্ৰতিবাদ
ৰজাৰ চোতালত ফিৰিঙতি হৈ জ্বলিল
ৰজাই ক'লা-জোলোঙাত সুমুৱাই থলে ঘাতক
মুকলি হলেই
খহি পৰিব
ৰাজ মহল
খলপা খলপে
ৰজাই জানো নাজানে
সময়ে যে সামৰি থ'ব নোৱাৰে সকলো দুখ।❑

# ভালপোৱা

*শিৱেন ডেকা*
*স্নাতক তৃতীয় বৰ্ষ*

তুমি নৈখনৰ সিটো পাৰৰ কহুৱাজাকৰ বাবে উদ্বাউল
আৰু মইও জোনাকক খেদিফুৰা যাযাবৰী পথিক
অন্ধ গহ্বৰত আঁকি দিয়া মোৰ তেজৰঙা সপোন
শৰাধ পাতিব তৰাই আঁউসী নিশাৰ উদং দেহৰ ভাঁজত।❑



# এজাক বৰষুণৰ অ

বননিডৰা বৈ থাকে
এজাক বৰষুণৰ অপেক্ষাত।
অবতৰীয়া এজাক বৰষুণ আহক
হালিজালি নাচি উঠিব সেইজাক বৰষুণত।
ৰাতিপুৱাৰ কুমলীয়া ৰ'দজাকে তাইক চুই
দুপৰীয়া ৰ'দজাকত তাই লাজতে মুখ লুকা
ৰাতিৰ জোনটোৱে
মুঠি মুঠিকৈ তাইলৈ ছটিয়াব পোহৰ
তৰাবোৰে কৰিব তাইক ফিচিঙা ফিচিঙি
আৰু
তাই বৰষুণজাকত তিতা খবৰটো
সকলোকে দিব।
বননিডৰা বৈ থাকে.........আশাৰে..........❑

B.H.B. College Sarupeta

# অব্যক্ত বেদনা

*শ্ৰীডেইজী দাস*
*স্নাতক তৃতীয় বৰ্ষ।*

কবিতা, তোৰ প্ৰেমত পৰাৰ
দিনৰে পৰাই
মই কল্পনা কৰিব শিকিলোঁ।
প্ৰেম আগমনৰ বাবে
মইতো খেলা নাছিলোঁ
হৃদয়ৰ জঁপনা,
মোৰ হৃদয়ত এজাঁক
প্ৰেমে বলিছিল,
আৰু তেতিয়াই খোল খাইছিল
মোৰ হৃদয়ৰ
প্ৰেমৰ পথৰ জঁপনাখন।
মোৰ অজানিতে,
তেতিয়াই তই সোমাই গৈছিলি
মোৰ বুকুৰ তেজৰ কণিকাৰ মাজত।
আৰু তেতিয়া মই,
তীব্ৰ যন্ত্ৰণা অনুভৱ কৰিছিলো।
তাৰ পিছতেই-
মই গম পাইছিলো
মই প্ৰেমত পৰিছোঁ
অ' কবিতা, তোৰ প্ৰেমত
মাথো তোৰ প্ৰেমত।❏



# জীৱনৰ অনুভৱ

*নীলাক্ষী দাস*
*উঃ মাঃ দ্বিতীয় বৰ্ষ*

বসন্তৰ এজাক বৰষুণে
পথাৰত শুভ্ৰতাৰ বাতৰি মেলি
তিয়াই গৈছে ক্লান্ত পৃথিৱীক;
শিমলুবুলীয়া সপোনৰ
আস্থাৰ আচ্ছাদন পৰিধান কৰি
আশাৰ সান্নিধ্য প্লাৱনত,
বাধাহীন উৰ্মিমালাৰ
নীলিম সলিল ৰাশি,
বিচাৰো নিসংগ মৰুযাত্ৰাৰ বাঁহী।
জীৱন মৰুৰ উদ্‌ভ্ৰান্ত গতিত
নিৰ্যাসিত এমুঠি উন্মীলিত জোনাকে
আকাশৰ নীলাৰে নিজক সজাই,
প্ৰত্যাহিক জীৱনৰ ব্যস্ততাৰ বাবে
কাঁইটৰ খোচতে ৰৈ যায়
উৱলি যাবলৈ ধৰা
মনৰ কথা।
জীৱনৰ স্বপ্নিল বাসনাক
অন্তহীন আকুল অনুৰাগে
উত্তাল জোৱাৰ তোলে।
নিৰৱতাত বাংময় হৈ ৰয়
মাথোন।
স্বপ্নৰ উদ্যানত সুখৰ নীড়।❏



B.H.B. College, Sarupeta



# অনুভূতিৰ কবিতা

*শ্ৰীজোনালী দাস*

ৰিক্ত আজি মোৰ বুকু!
আছে মাথো এবুকু শূন্যতা,
বুকুৰ সেউজীয়াবোৰ হালধীয়া হৈ
উথলি উঠিছিল জিলমিলকৈ মৰমবোৰ,
সেয়াও আজি হেৰাই গ'ল!
সপোন ভঙা দুচকুত অশ্ৰুৰ নিজৰা,
হৃদয়ত ঢল বিষাদৰ,
হাঁহিবোৰ লুকাল মোৰ বিৰিণাৰ মাজত,
ইমান যন্ত্ৰনাদায়ক হ'ব পাৰে জানো
ভালপোৱা?
পাৰেনে হ'ব অনুভূতিবোৰ বিষদায়ক?
বিচাৰিছিলো হেঁপাহৰ একাঁজলি অনুভূতি,
পালো মাথো বুকু ভৰা যন্ত্ৰণা !
শূন্যতাই আজি মাথো লগৰী,
সঁহাৰি মাথো অশ্ৰু নিজৰাৰ?
এয়ে মোৰ জীৱনৰ কবিতা
এটি অনুভূতিৰ কবিতা....................!!

# পাওঁ নেকি দেখা এ

*শ্ৰীপে*

জানো মই তুমি নিৰাকাৰ
তথাপি বন্দী মই
শয়নে, সপোনে, দিঠকে
তোমাকে বিচাৰি ফুৰো
পাওঁ নেকি দেখা এবাৰ?
পুবাৰ সমীৰণৰ মৃদু পৰশে
কাণে কাণে কয়, আছা তুমি
মোৰ নিচেই কাষতে
ৰঙা সূৰুযৰ প্ৰখৰ উত্তাপত
থৰ হৈ চাই ৰওঁ, পাওঁ নেকি দেখা এবাৰ
আবেলিৰ ৰিব্ ৰিব্ বতাহ জাকে
কাণে কাণে কয়, আছা তুমি
মোৰ কাষে কাষে।
পূৰ্ণিমাৰ জোনাকৰ জোনটিলৈ চাই ৰওঁ
পাওঁ নেকি দেখা এবাৰ জোনবাইৰ তুল
নীল আকাশৰ অলেখ তৰাৰ মাজত
বিচাৰি চাওঁ, পাওঁ নেকি দেখা এবাৰ।





B.H.B. College, Sarupeta

# জোনাক

নৱকান্ত পাটগিৰী
স্নাতক প্ৰথম বৰ্ষ

জোনাকৰ শীতল নিশা
খোলা খিৰিকিখনৰ সম্মুখতে বহি আছোঁ
আকাশলৈ চাই......................
নীলিম আকাশৰ বুকুত উজ্বলি থকা জোনটোৱে
প্ৰেয়সী পৃথিৱীলৈ যেন ৰ লাগি চাইছে।
তুমিতো জনাই জোনাক মোৰ প্ৰিয়।
জোনাকৰ শীতলতা তাতোকৈয়ো ..........
প্ৰেমৰ জানো মনত নাই?
এই জোনটোৱে আছিল
আমাৰ প্ৰেমৰ সাক্ষী।
কিন্তু আজি .....................
আমি দুয়ো অচিনাকি!
বুকুত তোমাৰ অবুজ চাৱনি,
দুটি ওঁঠত অচিনাকি গানৰ সুৰ
আৰু জোনটো......................
নতুন জীৱনৰ নতুন পৰিচয়। ❑

# প্ৰতীক্ষাঃ

দীপামণি দাস
উঃ মাঃ প্ৰথম বৰ্ষ।

মই বৈ আছো
শেৱালিজোপাৰ তলতে
আকাশৰ জোনৰ চাকিবোৰ
ই জিলিকি উঠিছিল
তলতে জোনাকীৰ ৰূপালী আভা
মাটিৰ বুকুলৈকে যেন সৰি পৰিছিল
শেৱালি জোপাৰ ফাঁকে ফাঁকে,
আৰু তেতিয়াই মই বৈ আছিলো
তুমি যোৱা বাটটোৰ পিনে চাই
তুমি আহিবা বুলি। ❑





# প্ৰেমত নপৰো কেনেকৈ

শ্ৰীদীপক পাঠক
উঃ মাঃ দ্বিতীয় বৰ্ষ।

তোমাৰ হাঁহি
যেন জোনাকী মনৰ এটি গান
তোমাৰ দুগাল
যেন গোলাপৰ দুটি পাহি
তোমাৰ দুচকু
যেন নীলা আকাশৰ জিল মিল তৰা
তোমাৰ চুলিটাৰী
যেন এখন সুবাসিত অৰণ্য
তোমাৰ ধুনীয়া সুৰৰ কথা
যি সুৰে ঘনে ঘনে বিন্ধে
মোৰ হৃদয় বাউল কৰে
কোৱাচোন কোৱা
প্ৰেমত নপৰো কেনেকৈ
তুমি যে গাভৰু ধুনীয়া
দে এবাৰ কথা ..............
আঁকি থওঁ তোমাৰ ছবি
চিৰ জীৱনৰ বাবে। ❑

B.H.B. College, Sarupeta

# স্নেহাংকৰ

শ্ৰীৰাহুল অধিকাৰী
স্নাতক ১ ম বৰ্ষ।



কপালত .............
চকুত ..................
গালত ...............
ডিঙিত ..............
ওঁঠত ...............
আহা বৰষুণ........
নামি আহি
বুৰাই পেলোৱা.......
নৈৰ ঢৌবোৰে
সৰু সৰু চৰাই ......
পোক পতঙ্গই
পাহাৰৰ টিংবোৰে
আধা আঁকা ছবিবোৰলৈ চাই সিএৱে
বৰ ফিকা ফিকা লাগে
লালিত উছাহৰ ৰংবোৰ
খোলাৰ ভিতৰত বোঁৱতী সুৰটিও ঘুৰণীয়া হয়
চকু যেতিয়া নাওঁ হয়
কাণ যেতিয়া ঢৌ হয়
ৰঙ বিলাকে সাৰ পায়
অথবা
সপোনৰ বোলেৰে ৰঙীণ হয়
অধিক
থাৰিবোৰ ফুল হৈ সৰে মহাকাশৰ সিপাৰৰ পৰা
কপালত.......
চকুত ...........
গালত ...........
ডিঙিত ..............
ওঁঠত .............
বৰষুণ । ❑

# নৱবৰ্ষৰ ম

এটা যুগৰ অবসান
আকৌ এটা নতুন যুগ
জীৱন ব্যাপি চলি গ'
গহীন গম্ভীৰ কৰুণ
এটা দানৱৰূপী যুগ
কাৰুণ্যৰে ভৰা সংঘা
আজি সঁচাকেয়ে বিদ
অৱমানিত এটা ভীষ
আৰু বৈ গ'ল
নিস্ক্ৰিয়ৰ কিছুমান স্ম
ক্ৰুৰৰ মৰহা পাপৰি
তথাপিও নাই যুগৰ
আকৌ আনিলে সাদ
এটা নব যুগৰ সুপ্ৰভা
যি প্ৰভাতে সৃষ্টি কৰে
কাৰোবাৰ বেদনা বিষ
এতিয়া বিচাৰে মাথো
সমাগত নতুন যুগৰ
বস্তত মৰমৰ উপহাৰ



B.H.B. College, Sarupeta



# আমাৰ প্ৰতিশ্ৰুতি

*ৰুমী বৰ্মন*
*উঃ মাঃ দ্বিতীয় বৰ্ষ।*

[illegible] পিছত বছৰ আহিল
[illegible] বাণী লৈ
[illegible] আমি সকলোৱে মিলিজুলি
[illegible] আদৰো গৈ।
[illegible] ও কিৰণ সনাইছে
[illegible] নাচিছে
[illegible] বহিছে বেলি
[illegible] গীতেৰে ঘাত প্ৰতিঘাতে
[illegible] বিদায় পুৰণিক।
[illegible] কঢ়িয়াই আনক
এই বতাহে শান্তিৰ বাণী।
[illegible] দুখীয়া সকলোৱে মিলি
[illegible] সুন্দৰ কৰিম
[illegible]।
[illegible] আৰু নিৰাশাৰ মাজেৰে
[illegible] আৰু নোপোৱাৰ বেদনাৰে
[illegible] হ'ত আবৰ্জনা
[illegible] কৰিম সাৰি পুচি একতাৰে
[illegible] নৱ প্ৰভাতত
[illegible] প্ৰতিশ্ৰুতি আমি। ❑

# তোমাৰ অপেক্ষাত

*জ্যোমা বৈ*
*উঃ মাঃ প্ৰথম ব*

বহাগ আৰু শৰতত তুমি আহিবা
ক'ৰবাত যেন হেৰাই গ'ল
তোমাৰ বাবে থোৱা কপৌপাহি
আৰু স্নিগ্ধ জোনাক মুঠি
নিয়ৰ সনা দুবৰি আৰু
পশ্চিমৰ পচোৱা ছাতি
ক'ত এৰি আহিলো বাৰু?
শীত আৰু ফাগুণতো
তুমি নাহিবা।
আউসীৰ নিশা সমাধিলৈ আহিবা
তাতে মোক লগ পাবা
ধুসৰ ধোঁৱাৰে
এপাহি কপৌফুল আৰু
জ্বলন্ত আঙঠাৰ
ৰঙা মদাৰ পাহি ৰাখিম মাথো
তোমাৰ বাবেই।। ❑



B.H.B College, Sarupeta

# স্মৃতি

*শৰ্মিলা পাঠক*
*স্নাতক দ্বিতীয় বৰ্ষ*

তুমি নুবুজিবা
লুইত পাৰৰ বকুলজোপা
কিয় মোৰ অতিকৈ আপোন
হৃদয়ৰ সাজ খুলি
এৰি থৈ আহিছোঁ
মোৰ গোটেইটো শৈশৱ
চিৰ বহমান লুইতৰ
ওভতনি সোঁতত
মানসপটত ভাহি উঠে মোৰ
শৈশৱৰ সেই সোণোৱালী ৰংবোৰ
তুমি অনুভৱ কৰানে
আঘোণৰ সোণালী ধাননিত
আৰু নিয়ঁৰভৰা আহিনৰ পথাৰত
মই যে বিচাৰি পাওঁ মোৰ হেৰোৱা অতীত।❑



# অনাহূত

*ছোনিয়া বেগম*
*স্নাতক প্ৰথম বৰ্ষ*

অনেক আশাৰে সাজিছিলোঁ সেই
মোৰ মৰমৰ ঘৰ,
আছিল সেয়া মোৰ
অতিকৈ হেপাহৰ।
পাইছিলোঁ মই
তাতেই প্ৰেৰণা,
কিন্তু হঠাতে আহিল
এজাক নিৰ্দয় ধুমুহা।
কৰি গ'ল ছিন্ন বিছিন্ন
মোৰ সেই হেপাহৰ বালিঘৰ
থৈ গ'ল মোৰ বাবে
মাথো ছায়া নিৰাশাৰ।
কেনেকৈ কৰিম মই
তাৰ প্ৰতিকাৰ,
চাৰিওফালে দেখিছোঁ মই
অন্ধকাৰ, মাথো অন্ধকাৰ................।❑



# সোঁৱ

মোৰ বুকুৰ মজিয়াত
সাগৰ হৈ
স্বীকাৰ কৰিছো
তোমাৰ উদাৰতা
মোৰ সেমেকা নয়নত
হেপাঁহ হৈ ফুলিছে
পাই হেৰুৱা দিনৰ আ
মোৰ সোঁৱৰণিৰ শিপা
তোমাৰ অৱস্থিতিৰ
উমান শীতৰ পিছত
বসন্ত অহাৰ দৰে
সময়ৰ আঙুলিত
তোমাৰ প্ৰজন্মৰ
নতুন লেখ
তোমাৰ প্ৰতিশ্ৰুতিত
শেষ ৰাগিনীত অঙ্কুৰিত
মৃতপ্ৰায় আশা
কিজানিবা চাকি ধৰে
উদয়ৰ ক্ষণ
যুগে যুগে যুগমীয়া
তুমিয়ে সোঁৱৰণ।।❑

B.H.B. College, Sarupeta

# জোনাক নিশাৰ বিছিন্ন সপোন

*পম্পী দাস*
*উঃ মাঃ দ্বিতীয় বৰ্ষ*

অন্ধকাৰৰ আৱৰণ আঁতৰাই
এক স্নিগ্ধ জোনাক
মোৰ চৌপাশে এক পোহৰৰ খেলা।
অতীতৰ মধুৰ স্মৃতি ৰোমন্থন
মই ৰৈ আছো তোমালৈ.....
অনন্ত পৰেনে তোমাৰ?
জোনাক নিশাৰ চোতালত বহি
তুমি আৰু মই ........
সোমাই গৈছিলোঁ তৰা ভৰা আকাশত
দুইজনে সিজনৰ কোঁচত ভৰাই দিছিলো
আনন্দৰ মধুৰ বাৰ্ত্তালাপ.....
আৰু __আৰু তুমি.....!
চকুৰ নিমিষ নেপেলাকৈ
চাইছিলা.......
এমুঠি জোনাক বিচাৰি....।
মই সপোন দেখিছিলো
এখন সুখৰ সংসাৰ, আৰু....
আৰু এমুঠি বিশ্বাসৰ।
চোৰাচোন তুমি..................চোৰাচোন............
নিয়তিৰ কি নিষ্ঠুৰ সময়
সেই একেই আকাশ, বতাহ
তৰা ভৰা জোনাক নিশা।
অথচ মোৰ দুহাত শূন্যতা
এক বিশাল শূন্যতা।



কঢ়িয়াই ফুৰিলো হিয়াৰ মাজত
জোনাকহীন এন্ধাৰ মাথোন।
নিৰৱতাৰ এছাতি বতাহত
আজি মই নিঃসঙ্গ।
আৰু তুমি..............।
তুমি এতিয়া অন্য এক জগতৰ প্ৰাণী
য'ত প্ৰৱেশ কৰাৰ অধিকাৰ মোৰ নাই।
সোঁ-শৰীৰে তোমাক বিচাৰি
প্ৰস্থান হ'ব নোৱাৰো...........
এক অনামী বেদনা।
মোৰ হৃদয়জুৰি এক নিঃসঙ্গতা।❑

# স্মৃতি

শিবেন ডেকা (জোন)

তাই মোক ঘনাই মাতে
বুকুৰ দুৱাৰত টোকৰ মাৰে.
তৰালি আকাশে ধেমালি কৰে
গান গোৱা চৰাইজাক উৰি আহে।❑



B.H.B. College, Sarupeta

# ছাত্ৰ-ছাত্ৰীৰ অনুভৱ

সা
আলো

**প্ৰশ্ন ঃ- বি.এইচ্.বি . মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে আপুনি কি কৰিব লাগে বুলি ভাবে?**

➢মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কৰিবলৈ হলে আমি সকলোৱে মহাবিদ্যালয়খনৰ সকলো সম্প
লগতে মহাবিদ্যালয়খনক শৈক্ষিক দিশত আগবঢ়া এখন উচ্চমানদণ্ড বিশিষ্ট মহাবিদ্যালয় হিচাপে গঢ় দিবলৈ
মই ভাবো।

**প্ৰশ্নঃ- ছাত্ৰ-ছাত্ৰীৰ মাজত আহি পৰা সমস্যা সমূহ সমাধান কৰিবলৈ আপুনি কি কৰিব লাগে বুলি ভাবে?**

➢আচলতে এই ক্ষেত্ৰত আমি নিজে দায়ী। কাৰণ আমি ছাত্ৰ-ছাত্ৰীবোৰে এখন দেশৰ ভৱিষ্যত নাগ
আহিব পৰা যিকোনো সমস্যাৰ বাবে আমি ছাত্ৰ-ছাত্ৰীবোৰে নিজে নিজে সজাগ হৈ আনকো সজাগ থাকিবলৈ
ছাত্ৰীয়ে এই সজাগতা উপলব্ধি কৰিলে আমাৰ মাজত আহি পৰা অনেক সমস্যাৰ সমাধান আমি নিজে কৰিব

**প্ৰশ্ন ঃ বি.এইচ. বি. মহাবিদ্যালয় সম্পৰ্কে আপোনাৰ পূৰ্বৰ তুলনাত বৰ্তমানৰ ধাৰণা কেনেকুৱা?**

➢আৰম্ভণিৰ পৰাই মহাবিদ্যালয়ৰ পৰিবেশটো মোৰ খুবেই ভাল লাগিছিল। ছাৰ-বাইদেউসকলে ছাত্ৰ-
ভালদৰে শিক্ষাদান কৰে। আগতে মহাবিদ্যালয় খনত ছাত্ৰ-ছাত্ৰী সকলে খোৱাপানীৰ অভাৱ অনুভৱ কৰিছিল
খনত খোৱাপানীৰ ব্যৱস্থাটো সুবিধাজনক হৈছে। নৱ নিৰ্মিত ফুলনি বাগিছাখনেও মহাবিদ্যালয়ৰ সৌন্দৰ্য্য
মহাবিদ্যালয়ৰ পুথিভঁড়ালটোৰ শান্ত পৰিৱেশে সমূহ ছাত্ৰ-ছাত্ৰীকে পূৰ্বৰ তুলনাত বৰ্তমান অধিক উপকৃত কৰি

B.H.B. College, Sarupeta

**প্ৰশ্নঃ- বি. এইচ. বি. মহাবিদ্যালয়খনে জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব পাৰিছে বুলি ভাবেনে?**

➢বি. এইচ. বি. মহাবিদ্যালয়ৰ শিক্ষা ব্যৱস্থা উন্নতৰ পৰা উন্নততৰ হৈছে। জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ বাবে
প্ৰয়োজন। বৰ্তমান যুগটো প্ৰতিযোগিতাৰ যুগ হোৱা বাবে ছাত্ৰ-ছাত্ৰীয়ে পৰিস্থিতিৰলগত সমানে ফেৰ মাৰিব পৰা
যথেষ্ট কষ্ট কৰিবলগীয়া হৈছে। শিক্ষক-শিক্ষয়িত্ৰীয়ে অগ্ৰসৰ হব পাৰিছে। গতিকে মই ভাবো যে মহাবিদ্যালয়খ
বৃদ্ধিত বিশেষ ভূমিকা লবলৈ সক্ষম হব।



# সমৰ্পণ

অংকুমনি দাস
স্নাতক তৃতীয় বৰ্ষ।

কালিকো নোচোৱাকৈ ফোঁ-ফোঁৱাই জোনাকী গাওঁৰ মাজৰ সুৰসুৰীয়া বাটটোৰে আহি আছে। ঘনকান্ত মাষ্টৰৰ ঘৈণীয়েকে জোৰা কথাটোৰে টোৰে পাৰত খুন্দা মৰাৰ দৰে তাইক খুন্দিয়াই আছে। কমলা বুঢ়ীয়ে পদুলিমুৰত বৈ আছিল, জোনাকীৰ লগত এবাৰ চেষ্টা বুলি ভাবিছিল চাগে, নাই তাই নাচালে। ইচ্ছা নাই কথা পাতিবলৈ। কিহবাই যেন ডিঙিটোতে তাইক চেপি ধৰিছেহি। গাৱঁৰ মাজৰ সুৰসুৰীয়া বাটটোত অকণ অকণ এন্ধাৰে আহি ভিৰ কৰিছিলহি। পোহলিত জাগ দিয়া থুপৰ গোন্ধ এটা আহি তাইৰ নাকত লাগিছিল। আজেমান পৰ হ'ল চাগে? মাষ্টৰৰ ঘৈণীয়েকজনীয়ে এটাৰ পিছত এটা কাম উলিয়ায়ে থাকে। পৰাহিয়ে খবৰ পঠাইছিল পিঠাগুৰি অলপমান খুন্দিব বোলে। আজি গৈহে দেখিলে কাম বহুত- পিঠাগুৰি খুন্দা, নাৰিকলৰ লাৰু বন্ধা, থাউকতে ঘিলাপিঠাও দুটামান তৈয়াৰ কৰিলে জোনাকীৰ হাতেৰে। পুতেকৰ জন্মদিনত শৰাই এখন দিব। গতিকে জোনাকীৰ হাতেৰে বস্তুবোৰ কৰি ললে। কোনোবাই খবৰ পঠিয়ালে জোনাকী যায় আৰু কামবোৰ কৰি দি আহে। এনেদৰে ইঘৰ-সিঘৰত কামবনবোৰ কৰি তাই সংসাৰখন চলাই আছে। বেমাৰী গিৰিয়েকটোৰ ঔষধৰ পইচা, ল'ৰা-ছোৱালীদুটাৰ পঢ়াৰ খৰছৰ জোৰা টাপলিবোৰ যে তাই কিদৰে মাৰে সেইয়া একমাত্ৰ তাইহে জানে। ঘৰৰ কেতিয়াবা বাঁহ দুটামান, নাৰিকল, তামোল আদি বেচিলে কেতিয়াবা পইচা দুটামান নোপোৱা নহয়। কিন্তু তথাপি যেন সংসাৰৰ জোৰা টাপলিবোৰ মৰি নাহে। শাহুৱেক আৰু ননদ এজনী আছে, সিহঁতে বেলেগকৈ খায়। দেওৰেক এজন আছে, সি গুৱাহাটীত কেঁচা আঞ্জাৰ বেপাৰ কৰে। সি মাজে মাজে দুয়োখন সংসাৰলৈ সমানে পইচা পঠায়। তথাপিও অভাৱবোৰ শেষ নহয়।

গধুলিৰ এন্ধাৰে ঢাকিবলৈ চেষ্টা কৰা লুংলুঙীয়া বাটটোত এটি দুটি জোনাকী পৰুৱা উৰি আছে। জোনাকী পৰুৱাবোৰক লৈ সৰুতে সিহঁতে কম স্ফূৰ্তি কৰিছিলনে? জোনাকী পৰুৱাবোৰ হাতৰ মুঠিত ধৰি ৰাখিব বিচাৰিছিল নাইবা কেতিয়াবা বটলত ভৰাই থৈছিল। বৰদেউতাকেতো তাইক জোনাকীৰ লগত 'পৰুৱা' শব্দটো লগাই জোনাকী পৰুৱা বুলিয়ে মাতিছিল। এতিয়া সেই জোনাকী পৰুৱা ধৰি ভাল পোৱা, বৰযুগত তিতি ভাল পোৱা জোনাকীজনী হা-হুমনিয়াহ, যন্ত্ৰণা, অভাৱৰ নিৰ্মম আঁচোৰত শিল হৈ পৰিছে। জোনাকী পৰুৱা এতিয়া আৰু তাইৰ ভাল নালাগে। কোনখিনিৰ পৰা বাৰু তাইৰ জীৱনটোত কেণা লাগিল? কোনে কেণা লগালে তাইৰ জীৱনটোত? তাই নিজেই নে তাইক আলসুৱা সপোন এটা দেখুওৱা মানুহজনে? মাষ্টৰৰ ঘৈণীয়েকে কোৱা কথাবোৰে আকৌ তাইক খুন্দিয়াবলৈ ধৰিলে। কি কৈছিল মাষ্টৰৰ ঘৈণীয়েকে? কৈছিল "তোৰ পুতেৰৰ আচাৰ-ব্যৱহাৰ, কথা-বাৰ্তা দেখোন বৰ এটা ঠিক নহয়।" চাবি তাকো যেন বাপেকৰ বেমাৰটোৱে নধৰে।

কথাবোৰ ভাবি ভাবি কেতিয়ানো ঘৰ পালে উমানেই নাপালে। ঘৰখন দেখোন উখল মাখল। কোনোবা আহিল নেকি? তাই কাথিত ভৰি দিয়া মাত্ৰকে ল'ৰা ছোৱালী দুটা দৌৰি আহিল, "মা খুৰা আহিছে।" তাই আজৰি হৈ আহে মানে ননদজনীয়ে কৈ গ'ল, "আজি বেলেগকে ৰান্ধিবা নালগে, আমাৰ লগতে ৰান্ধ।" এনেয়ে শাহুৱেক আৰু ননদজনীয়ে বেলেগকৈ খায়। কিন্তু আলহী আহিলে বা দেওঁৰেকে আহিলে একেলগে ৰন্ধাবঢ়া কৰে। পাগঘৰত গৈ দেখে যে খোৱা বস্তু বিধে বিধে, মাংস, চাহৰ লগত খোৱা গজা, নিমকি ইমানবোৰ বস্তু আনিব লাগেনে? সাঁচতীয়া আটাইবোৰ পইচা সি উৰুৱাই থৈ আহে। ল'ৰা-ছোৱালী দুটাইয়ো খুৰাক আহিলে বৰ ভাল পায়, বিধে বিধে বস্তু পায় বাবে, নহলে দেউতাকৰনো ক'ত সামৰ্থ?

এদিন দেওঁৰেকৰতো এখন নিজৰ সংসাৰ হব? তেতিয়া চাবনে সিহঁতক? দেওৰেক আহিলে জোনাকীৰো গা সাতখন আঠখন লাগে। লৰালৰিকৈ জোনাকী আখলত সোমাল। মাংসখন দেওঁৰেকে ভাল পোৱা জুটিত ৰান্ধিব লাগিব। দেওঁৰেকে আহিলে মানুহজন আঁতৰি আঁতৰি থাকে। নিজৰ অক্ষমতাত লজ্জা অনুভৱ কৰে চাগে? লাজ আছেনে মানুহজনৰ? কেতিয়াবা তাইৰ ভাব হয় মানুহজনৰ লাজ নোহোৱা হ'ল চাগে? নহ'লে এনেকৈ বেলেগৰ



B H B College, Sarupeta

উপাৰ্জনত দপ্‌দপাই খাই নুফুৰে। এনেয়ে দপ্‌দপনি কি চাবা, লাগ বুলিলে চাহ। দিনটোত কেইবাৰ যে চাহ খায় এই মানুহজনে? দিনত বোলে দিনত মাজৰাতিও যে চাহ বিচাৰে মানুহজনে। অথচ চেনিখিনি নহ'লেও ভাবিব লাগিব তাইয়ে।

'অ' মা ইয়াক চাহিচোন! মোৰ ভাগৰটো কাঢ়ি নিলাক্‌। 'কি হৈছে অ' মৰণে নাপ আহাৰ।" বুলি তাই খেদি আহিল। এনেয়ে মাষ্টৰৰ ঘৈণীয়েকৰ কথাবাৰ তাইৰ মুৰত তুঁহজুইৰ দৰে উমি উমি জ্বলি আছিল, এতিয়া দপ্‌কৈ জ্বলি উঠিল। কোনে কি কৰিছে নোচোৱাকৈয়ে দুয়োটাকে ধুপ্‌ধাপ মাৰিলে। 'মৰি নায কিয়? এটাই মোক জুই জ্বলে খাবা লাগ্‌ছি, তুহঁনো মৰি থাকলি হলাক হৈ।" বকিয়েই থাকিল তাই।

"ছলি দুটাক কিয় মাৰবা লাগ্‌ছা। এই সাজৰ বেলা। মোৰ ছলিক পাগল কৰলি। শান্তি হনাই তোৰ।" শাহুৱেকে শুই থকাৰ পৰাই মাত দিলে।

'এই বুঢ়ীয়ে মাত নিদিলে নহয়?' বকি বকি বুঢ়ীয়ে জোনাকীক অতীষ্ট কৰি তোলে। মানুহজন, ঘৰখন কাৰো পৰা একা শান্তি নাপালে তাই। এতিয়া যদি পুতেকৰো..........

নাই নাই হ'ব নোৱাৰে। অমংগলীয়া কথাবোৰ জোৰকৈ মনৰ পৰা আঁতৰাই পঠালে তাই। এইবাৰ হাতলৈ দুটামান পইচা বেছিকৈ আহিলে পুতেকক এবাৰ ডাক্তৰৰ ওচৰলৈ লৈ যাব। পাৰিলে গুৱাহাটীলৈকে নিব। এজন মানুহে তাইৰ জীৱনত যি জুই জ্বলালে পুনৰ আৰু একুৰা জুইৰ সন্মুখীন হ'ব নিবিচাৰে। পুতেক-জীয়েকক আৰু একো নবকি তাই পুনৰ ৰন্ধা বঢ়াত লাগিল। কিবা কোৱা মানে বুঢ়ীয়ে ওলোটাই বকি থাকিব। শেষত এখনি ডাঙৰ কাজিয়া হ'ব। ইমান আশাৰে দেওঁৰেকে বস্তবোৰ আনিছে, গতিকে মনে মনে থকাই ভাল।

সপোনতো ভবা নাছিল জীৱনে যে তাইৰ লগত এনে এক পৰিহাস কৰিব। এই মানুহজনে তাইক এদিন এটা সোণাৰুৰ দৰে হালধীয়া, কৃষ্ণচূড়াৰ দৰে ৰাঙলী সপোন এটা দেখুৱাইছিল, আৰু সেই সপোনটোৰ পিছে পিছে লৰি তাই পাহৰি গৈছিল সকলো।

.................কলেজত পঢ়া দিনৰে কথা সেইয়া। তাই কলেজলৈ যোৱাৰ বাটতে জলসিঞ্চনৰ অফিচটো। সদায় কলেজলৈ যোৱাৰ পৰত এজন মানুহে তাইক বিশেষ ধৰণেৰে চোৱা আৰম্ভ কৰিছিল আৰু এদিন সেই অফিচতে কাম কৰা মামাকৰ লগত মানুহজনে এদিন সিহঁতৰ ঘৰলৈ আহিছিল। এনেদৰেই চিনাকি। লাহে লাহে মানুহজনে সদায় সিহঁতৰ ঘৰলৈ ফুৰিবলৈ আহিবলৈ আৰম্ভ কৰিলে। মানুহজন কেতিয়াবা দুমাহমান নোহোৱা হয় আৰু এদিন হঠাৎ আহি ওলায়। সুধিলে কয়,' গাৱৰ ঘৰত খেতিৰ কাম কৰিব লাগে।" এদিন

মানুজনে যেতিয়া তাইক বিয়া কৰোৱা
কোনো কাৰণ বিচাৰি নাপালে। দেউতা
উতনুৱা সপোনটোৰ ভৰত বাউলী হৈ
সকলো। জন্ম-জন্মান্তৰৰ বান্ধোনেৰে বা
এখন সুখৰ সংসাৰৰ সপোনেৰে ওল
আছিল বৰ কইনাৰ ভাত দিয়া। জোন
পৰা নাছিল। মাত্ৰ মানুহজনৰ চিএৰ বা
দালৈ খেদি যোৱা দেখিছিল। ঘৰৰ বা
তাইক ঘটনাটোৰ পৰা আঁতৰাই ৰা
ৰীতিমতে তাই ঘৰলৈ আহিছিল। এক
বাৰে শিহৰি উঠিছিল। গিৰিয়েকৰ কথা
ক'ব পৰা নাছিল।

পুনৰ তাই স্বামী গৃহলৈ উভ
দিন বোৰ পাৰ হৈছিল। আলফুলীয়া
মেলিবলৈ আৰম্ভ কৰিছিল। বেয়া কথা
হৈছিল নিজৰ সুখী সংসাৰখনক লৈ।
মানুহজনৰ পুৰণি সেই বেমাৰটোৱে আ
চিএৰি মানুহজনে ৰাস্তাৰে দৌৰি ওলা
তাবোল বকি থাকিবলৈ আৰম্ভ কৰিছিল
বেদি গৈছিল। আচৰিত হৈছিল তাই এ
তাই এইবোৰ কথা একো নজনাকৈয়ে
মুখৰ পৰা শুনিছিল মানুজনৰ এই বেমাৰ
তিনিবাৰমান হয়। গাৱঁৰ মানুহেতো
অথচ তাই একো গম নোপোৱাকৈ থা
তাইকে জগৰীয়া কৰিছিল।

হৃদ্‌ৰ্কৈ তাইৰ সুখৰ সংসাৰখ
এতিয়া জোনাকীয়ে? শাহুৱেকে সকলো
দিছিল। তাইয়ে পগলা কৰিলে মানুহজ
তাই ঘৰলৈ গুচি যাব। দেউতাকৰ মৃত্যু
ওপৰত তাই বোজা হ'ব নিবিচাৰিলে। সব
থকাটোৰ কথা ভাবি তাই মানুহজনৰ
জুইকুৰাক সাক্ষী কৰি বান্ধ খোৱা বন্ধ
তাইৰ দৰে এগৰাকী ছোৱালীৰ কাৰণে
সুখী পত্নীৰ অভিনয় কৰি গ'ল। অভিনয়
ভালপোৱা, শ্ৰদ্ধা সকলোবোৰ লাহে লা
সুখৰ সংসাৰ এখন গঢ়িবলৈ বাউলী হৈ
প্ৰতি পৰম বিতৃষ্ণা হ'ল। ল'ৰা ছোৱালী
সংসাৰখনৰ জোৰা টাপলিবোৰ তাইয়ে

B.H.B. College, Sarupeta

কি মনুহজন এটা ধোদৰ পচলা হৈ পৰিছিল। দিনটো খাইছে আৰু শুইছে। লাহে লাহে সিহঁতৰ দূৰত্ব বাঢ়ি আহিছিল, শোৱাপাটিত মনুহজনৰ স্পৰ্শই তাইক আৰু আকুল কৰি নোতোলা হ'ল। কথাই কথাই গিৰিয়েক আৰু তাইৰ মাজত কাজিয়া লগা হ'ল। বছৰটোত তিনিবাৰ চাৰিবাৰকৈ গিৰিয়েকৰ বেমাৰটোৱে উক দিয়ে। সেইকেইটাদিন ঘৰখনত অশান্তিৰ সৃষ্টি কৰি থাকে। ৰাতি প্ৰায়ে তাইক আৰু ল'ৰা-ছোৱালী দুটিক মাৰিবলৈ দাৰৈ খেদি আহে। সেইজন মনুহ গিৰিয়েকৰ লগত তাই কিদৰে শুব পাৰে?

ইচ! কিনো কথাবোৰ ভাবি আছিল তাই। মাংসৰ আঞ্জাখন সেই গোন্ধ চাগে! লৰা-লৰিকৈ তাই আঞ্জাখন ৰান্ধিলে। ভাত দিলে সকলোকে। তাইৰ ভৰিত আজি পাখি গজিছে এক উলাহত ঘৰখনীয়ে জপিয়াই ফুৰিছে। গিৰিয়েকেও আজি জোনাকীক চাইছে। তাইটো যে আজি জোনাকীৰ মুখৰ পৰা নুগুচাই হৈছে। ল'ৰা-ছোৱালী দুটি আচৰিত হৈছে মাকে আজি সিহঁতক খোৱাৰ পাতত গালি নিদিয়াকৈ থকা দেখি।

ভাত-পানী খাই সকলো বিচনাত পৰিল। কাষৰ কোঠাত গিৰিয়েকে শুইছে। ল'ৰা-ছোৱালীদুটিৰ কেতিয়াবাই টোপনি আহিল। জোনাকীয়ে টোপনি আহিব পৰা নাই। ৰাতি কিমান পৰ হ'ল বা? দূৰত বাহজোপাৰ তলত দুটামান শিয়ালে হোৱা দিছে। আমজোপাত ধপধপাই চৰাই এটি উৰি আহি পৰাৰ শব্দ হ'ল। 'বৌ কাকা ক'ত' বুলি চিঞৰা চৰাইটোৱে অবিৰাম চিঞৰি আছে। কিবা এটা শব্দ হৈছে। কোনোবা উঠিছে চাগে, দেওঁৰেকে নেকি? সি দুৱাৰমান কহাৰ নিচিনা কৰিলে। বিয়াৰ পিছৰ সেই উত্তাল ৰাতিবোৰৰ কথা মনত পৰিল। ক'ত হেৰাই থাকিল সেই মাদকতা? ভাতৰ পাতত বহোতে লক্ষ্য কৰিছিল দেওঁৰেকে যেন তাইক কিবা ক'ব বিচাৰিছিল, কি ক'ব বিচাৰিছিল বাৰু দেওঁৰেকে। নাই, নাই এইবোৰ কি ভাবিছে তাই কাষৰ কোঠাত তাইৰ গিৰিয়েক শুই আছে, হোমৰ জুইকুৰাৰে বান্ধ খাইছিল তাই সেইজনা মানুহৰ লগত। তাইৰ কোনো প্ৰয়োজন পূৰাব নোৱাৰা এজন অকৰ্মণ্য মানুহ, একুৰা জুই জ্বলিছে তাইৰ দেহত........। হাতত সাৰে ভৰিত সাৰে তাই উঠিল। লাহেকৈ তাই দুৱাৰত হাত দিলে..।

❑❑❑




—ধনজিৎ কলিতা
সাধাৰণ সম্পাদক



# খিৰিকিত তোমাৰ মু

হঠাৎ পোহৰ দেখি মই চক খাই উঠিলো। মই বেলকনিলৈ ওলাই আহি চাবলৈ ধৰিলো। পৰিত্যক্ত হৈ থকা চৌধুৰী ভিলালৈ কোনোবা আহিছে। নবৌৰ চকুৰ পৰা এই চুবুৰিত ঘটা কোনো ঘটনাই সাৰি যাব নোৱাৰে। হাতত লৈ থকা পানী গিলাচ খাই মই বেলকনিৰ দুৱাৰখন বন্ধ কৰি শুই থাকিলো। পিছদিনা পুৱা শুই উঠি চাহকাপ বিচাৰি পাকঘৰলৈ গৈয়ে মই খিৰিকিয়েদি পুনৰ চৌধুৰী ভিলালৈকে দৃষ্টি পেলালো। সঁচাকৈয়ে ঘৰটোলৈ কোনোবা আহিছে। তাতে সেই আবাসী সকলৰ মাজত যে নাৰী আছে সেয়া নিশ্চিত। মই কৌতুহলেৰে ঘৰটোলৈ চাই থকাটো নবৌয়ে লক্ষ্য কৰিছিল। মন কৰিছো, ঘৰটোলৈ কোনোবা আহিল হবলা।

ঃ " 'অ' তুমি এতিয়াহে গম পালা নেকি? ঘৰৰ ওচৰত কত কি হৈছে খবৰেই নোপোৱাচোন।" —নবৌয়ে হাহি মাৰি ক'লে, সঁচাকৈয়ে মই একেবাৰে নেজানো। মই চকীখনত বহিবলৈ নওঁতেই নবৌয়ে ক'লে—

ঃ "এটা পৰিয়াল আহিছে বুজিছা। লগত এগৰাকী সুন্দৰী গাভৰুও আহিছে। গাভৰু গৰাকীৰ দীঘল কলা চুলিও আছে।"

সাংবাদিকতাৰ বৃত্তি লবলৈ যোৱা মোৰ সিদ্ধান্তটোক পৰিয়ালৰ কোনেও ভাল পোৱা নাই। দেউতাই সদায় আই.এ.এছ., এ.চি.এছ. দিবলৈ কৈ কৈয়েই চকু মুদিলে, মায়ে এইবোৰৰ ভু-ভা নাপায়। তেওঁৰ মতেৰে মই এতিয়া বিয়া পাতিব লাগে। দাদাৰ মতে মই ব্যৱসায়ত দিন ৰাতি সহায় কৰিব লাগে। নবৌ আঢ্যৱন্ত পৰিয়ালৰ জীয়াৰী এজনী বিয়া কৰাই ব্যৱসায় দুয়োটা চলাব লাগে।

ঃ "আজি তেনেহলে তোমাৰ জিৱনি থাকিবা ঘৰতে পৰি। মই সোনকালে ভাত পানী নবৌয়ে কলে।

ঃ "কলৈনো? মই সুধিলো। এ, ন কলনিৰ ৰাটাৰ চাপ্পাই সদায় বেয়া হৈ থাকে"—

---

**মোৰ বুকুখনত যেন কোনোৱ কোবালে। তেনেহলে কি বিনি আছিল। মোৰ মূৰৰ ওপৰেদি পাৰ হৈ গ'ল।**

---

তেনেহলে আন্দোলনৰ কাৰ্যসূচী আৰম্ভ কৰিব ভিলালৈ দৃষ্টি নিবদ্ধ কৰিলো। এই নাৰীগৰাৰ নাই। কেনেকুৱা হব পাৰে, মহাকাব্যৰ নায়িক নাৰীৰ দৰে? মই বেলকনিৰ দুৱাৰখন খুলি চ



B.H.B. College, Sarupeta

সোণালী বদ হৰমুৰকৈ মোৰ কোঠালৈ সোমাই আহিল। সেয়া ঘৰটোৰ পৰা এগৰাকী নাৰী নহয়, এজন শুকুলা চুলিৰ বৃদ্ধ ওলাই আহিল। সেয়া তেওঁ ৰিক্সা এখন ৰখাইছে। সময় লাহে লাহে আগবাঢ়িল। মই স্থানীয় বাতৰি কাকত এখনৰ সাংবাদিক, সাংবাদিক হিচাপে মই বৰ বেছি উন্নতি কৰিব পৰা নাই যদিও স্থানীয় এলেকাত মোৰ যথেষ্ট সুনাম আছে বুলি মই জানিব পাৰিছো। চৌধুৰী ভিলালৈ অহা নতুন অতিথিৰ বিষয়ে অনুসন্ধান বৰ বেছি কৰা নহ'ল। ছোৱালীজনীৰ প্ৰতি মোৰ কৌতূহল বাঢ়িয়ে থাকিল। ঃ "বুজিছা ৰিপৰ্টাৰ, মানুহ ঘৰ বৰ ভাল দেই। তেওঁৰ লৰা দুটা, ছোৱালী এজনী, লৰা দুটা বাহিৰে বাহিৰে থাকে। মানুহজনে ভাল চাকৰি কৰিছিল, ৰিটায়াৰ কৰাৰ পিছত ইয়াৰে এটা কোম্পানীত একাউন্টেন হিচাপে থাকে।" —সন্ধিয়া অফিচৰ পৰা আহি ঘৰ সোমোৱাৰ লগে লগে নবৌয়ে চৌধুৰী ভিলাৰ আবাসীৰ বিষয়ে সংগ্ৰহ কৰা বাতৰি মোৰ সন্মুখত মেলি দি কলে। ঃ "ইমানবোৰ খবৰ কেনেকৈ পালা।" —মই সুধিলো। ঃ "এহ আজি আমি এই অঞ্চলৰ মানহৰ চহী গোটাবলৈ গৈছিলো। ছোৱালীজনীৰ লগত চিনাকি হৈ আহিছো। বৰ কবিতা ভাল পায় জানো পাওঁ? তোমাৰ লগত বেছ মিলিব" —নবৌয়ে কলে। মোৰ হাঁহি উঠিল। মানুহগৰাকীৰ এটাই কাম মোলৈ ছোৱালী চোৱা। মই ওচৰৰ পৰা উঠিলো, আজিও মোৰ জিৰণিৰ দিন।

ঃ "হেৰা, আমাৰ বাতৰিটো তোমাৰ পেপাৰত নোলালচোন। তুমি কি কাম কৰা?" নবৌয়ে দিয়া বাতৰিটো প্ৰকাশ নোপোৱাত ক্ষোভ প্ৰকাশ কৰি কলে। মই নবৌৰ কথা কাণ নিদি কোঠাৰ ফালে গলো। মোৰ ওচৰতে কবিতা ভাল পোৱা ছোৱালী আছে। মই খিৰিকীৰে ঘৰটোলৈ নিক্ষেপ কৰিলো। দেখিছো, দেখিছো, ছোৱালীজনী মই দেখিলো। লগত এজন কলা কোট পৰিহিত ব্যক্তি মানে এজন অধিবক্তা। ছোৱালীজনী অধিবক্তাৰ লগত অটোৰিক্সাত গৈছে, কলৈ গৈছে! মই ভাবিবলৈ ধৰিলো। নিশ্চয় কিবা জৰুৰী কাম আছে মোৰ নিজৰ ওপৰতে খং উঠিল। ইমান চিন্তা কৰাৰ প্ৰয়োজন নাই। বিভিন্ন ব্যস্ততাৰ মাজতো মই চৌধুৰী ভিলালৈ চাবলৈ পাহৰা নাই। এদিন মই চৌধুৰী ভিলালৈ চাই থাকোতে নবৌয়ে পিছফালৰ পৰা মাত দি কলে- ঃ "আজি কিন্তু তুমি আমাৰ এনজিঅ'চনলৈ যাব লাগিব। এইবাৰ কিন্তু আমাৰ কামৰ ভাল ৰিপোৰ্ট ওলাব লাগিব। মই বিদিশাকো মাতিছো, তাই এখন ছবিও দিব।" মই প্ৰদৰ্শনীলৈ গলো। আশা কৰা মতে বিদিশা অৰ্থাৎ প্ৰতিবেশী ছোৱালীজনী আহিছে। পিন্ধনত এখন নীলা শাৰী। যেন তাই আকাশ আৰু সাগৰৰ সকলো ৰং কাঢ়ি আনিছে। মই তাইক আঁৰে আঁৰে চাই ৰলো। নবৌয়ে সুযোগ বুজি আমাক চিনাকি কৰি দিলে। অৱশ্যে তাই দুটা কথা পাতি আঁতৰি গ'ল। আজি দুদিনমানৰ পৰা বিদিশাই মোৰ মনৰ সকলো স্থানতে স্থিতি লৈছে। মই বিচাৰি থকা মহাকাব্যৰ নায়িকা গৰাকী, সাগৰৰ সকলো ৰং কাঢ়ি অনা ছোৱালীজনী বিদিশা। যদি মই বিদিশাক জীৱন সংগী হিচাপে বিচাৰো, তাই না নকৰে। আজিও মই কামলৈ যোৱাৰ পূৰ্বে তেওঁলোকৰ ঘৰলৈ চালো। আজিও সেই তপা অধিবক্তাজনৰ লগত বিদিশা কৰবালৈ ওলাই গৈছে। মোৰ অলপ খং উঠিল। সেইদিনা নিশা পলমকৈ আহি ঘৰ সোমাই দেখিলো নবৌয়ে ভাত বাঢ়ি মোলৈ বৈ আছে। মাও সাৰে আছে। দাদায়ো পেপাৰ পঢ়ি আছে। ঃ "কি কথা? আজি কিবা তিথি আছে নেকি? সকলো যে মোলৈ বৈ আছা?" —মই সুধিলো। ঃ "এৰা, আমি সকলোৱে একেলগে এসাঁজ খাবলৈ মন কৰিলো।" —নবৌয়ে কলে। দাদায়ো আহি খোৱা টেবুলত বহিল। মায়ে বোধহয় ভাত খালে। ঃ "বুজিলানে, কাৰ ভাগ্যত কি হয় কোনে জানে? চোৱাচোন বিদিশা আজি কেচত জিকিলে।" —নবৌয়ে কলে। ঃ "কেচ? কি কেচ?" —মই কৌতূহলেৰে সুধিলো। ঃ "ডাইভোৰ্চ কেচ। বুজিলা পাঁচ বছৰ যুঁজি যুঁজি আজি তাই জিকি গ'ল। সকলো সম্পত্তি তাই ঘূৰাই পাব।" —নবৌয়ে কলে। মোৰ বুকুখনত যেন কোনোবাই হাতুৰীৰে কোবালে। তেনেহলে কি বিদিশা বিবাহিতা আছিল। মোৰ মূৰৰ ওপৰেদি এজাক ধুমুহা পাৰ হৈ গ'ল। নবৌয়ে তেনেহলে বিদিশা যে বিবাহ বিচ্ছেদিত এগৰাকী নাৰী তাকে জনাবলৈ ইমান নিশালৈকে ৰৈ আছিল। মই ডাইনিং ৰুমৰ পৰা উঠি আহি নিজৰ কোঠালৈ খোজ ললো। বিদিশা এতিয়াৰপৰা একেবাৰে নিসঙ্গ হৈ নপৰিবনে? বিদিশাক চাবৰ এবাৰ মোৰ মন গ'ল। মই বেলকনিৰ দুৱাৰখন খুলি দিলো। এন্ধাৰত ডুব গৈ থকা চৌধুৰী ভিলাটোহে ছায়াময়কৈ মোৰ চকুত ধৰা দিলে।

□□□

B.H.B. College, Sarupeta

# প্ৰেম এক বৰ্ণিল প্ৰকাশ

প্ৰেমৰ কথাতো আৰু আনক কব নোৱাৰি.....

"প্ৰেমৰ কথাতো আৰু আনক কব নোৱাৰি
নিশ্বাসৰ দৰে নিঃশব্দে ই যেন বিচাৰি ফুৰে
শব্দ বৰ্ণ আৰু পোহৰৰ উৎস" (হীৰেণ ভট্ট)

ই নিঃ শব্দ। পৃথিৱীৰ আদিতম অনুভৱ। দুটা বৰ্ণৰে এটা সৰু শব্দ। য'ত লুকাই থাকে এক অবৰ্ণনীয় মূৰ্ছনা। জীৱনৰ যৌৱনৰ অবৰ্ণনীয় সেউজীয়া উৎসৱ। দেহৰ সমস্ত প্ৰয়োজন পূৰণ হৈ যোৱাৰ পিছতো মনৰ অপূৰ্ণতাখিনিক যি পূৰণ কৰিব পাৰে সেয়াই প্ৰেম। প্ৰখ্যাত মনস্তত্ত্ববিদ এৰিম ফ্ৰেমে "The Art of Living "ত কৰৰ দৰে "I love you because I need you". প্ৰেম অভিলাষ। প্ৰতিশ্ৰুতি ৰ কুঁৱলি ফালি আশাৰ পোহৰ কঢ়িয়াই ফুৰে প্ৰেমে।



প্ৰেমৰ কোনো ভাষা নাই, সেয়ে ইয়াৰ কোনো নিৰ্দ্দিষ্ট সংজ্ঞা নাই। ব্যক্তি ভেদে নিজ ধাৰণা অনুসৰি প্ৰেমৰ সংজ্ঞা ভিন্ন। বহুতে ভাবে প্ৰেম বিপৰীত লিঙ্গৰ মাজত সৃষ্টি হোৱা এক আশক্তি। প্ৰেম বিষয়ক এই ধাৰণা সৰহ সংখ্যক লোকে সমৰ্থন নকৰে। বহুতৰ মতে প্ৰেম মৌলিক সত্যবোধৰ ভিতৰত তৃতীয়। প্ৰথমটো মৌলিক সত্য জন্ম আৰু দ্বিতীয়টো হ'ল মৃত্যু। এই ধাৰণা এশ শতাংশই মানি লব নোৱাৰি। বহুতৰ জীৱনলৈ তথাকথিত প্ৰেম নাহেই।

প্ৰেমক অস্বীকাৰ কৰাৰ শক্তি কাৰোৰেই নাই। যদিও ৰগৰ কৰি ক'ব পাৰি - True love is like ghosts, which every body talks about and few have seen" কিন্তু এইটো ঠিক যে প্ৰেম কেতিয়া কেনেকৈ কাৰ লগত হৈ যায় তাৰ কোনো নিৰ্দ্দিষ্ট ব্যাকৰণ নাই। পৃথিৱীৰ সকলো মানুহেই স্বাৰ্থপৰ আৰু জীৱন কালত কিছুমান প্ৰবৃত্তি আৰু ইচ্ছা লৈ জীয়াই থাকে। প্ৰেম হ'ল তেনেই

এক প্ৰবৃত্তি। ই সাৰ্বজনীন। কাকো শিকাব না
পৰিব লাগে। প্ৰেমৰ নিজস্ব শক্তি আৰু
সৌন্দৰ্য্যবোধ আছে। ইয়াত বুৰ গৈ থাকে অ
কিছু তাড়না। প্ৰেমক সংলাপ, সুকাম আৰু স্প

**প্ৰেমৰ সূত্ৰপাত ঃ**

মনস্তত্ত্ববিদসকলে কয়- শিশু অৱ
প্ৰেমৰ উদ্ৰেক ঘটে। "জীৱনৰ প্ৰথম প্ৰেম
সৈতে কৰে। শৈশৱলৈকে কাৰোবাক ভাল
শিশুৰ মাজত সীমা
নাহে ই বিস্তাৰিত হয়
গতিত। সাধাৰণতে
সন্তানে ডাঙৰ হৈ
পুত্ৰ সন্তানে মাকৰ
তুলে। এয়া হ'ল বিপ
হোৱা আকৰ্ষণৰ প্ৰা
প্ৰত্যেকেই এনেদৰে
অনুভূতিক হৃদয়ংগম
নাহে ঘৰৰ বেষ্টনী
পৃথিৱীত ভৰি দিয়ে।
মন্তাৰ প্ৰয়োজন নাই,
আবেগেৰে। শিশু
প্ৰেমেই জীৱনৰ সঁচা
ই জীৱনক বুজিবলৈ
কৰে।

প্ৰেম হৃদয়জুৰি
অনুভূতিৰ সীমনাত বৈ মানসিক প্ৰফুল্লতা
নিসংগতা বা নিৰ্জনতাক আকোৱালি ললেও
মানুহৰ বাবে সংগ একান্তই প্ৰয়োজন। জনস
সিজনক পাব বিচাৰে। নহলে নিসংগতাত বু
জ্বেলকাৰৰ দৰে চি এৰিব লাগিব-

B.H.B College, Sarupeta

"Oh! solitude where are the charms that sages have ever seen.........."

প্ৰেমৰ ভাষাঃ

প্ৰেমৰ ভাষা শব্দ অৰ্থহীন আদি বুজোতাই বুজে। অনুভৱ আৰু স্পৰ্শৰ মাজেদি এজনৰ পৰা আন এজনৰ বুকুলৈ বিয়পি পৰে। কম সময়ৰ ভিতৰত সহস্ৰ শব্দই ব্যাখ্যা কৰিব নোৱাৰা অনুভৱ সামান্য চকুৰ চাৱনি বা স্পৰ্শ এটাই প্ৰেমাস্পদক কৈ দিব পাৰে। পৰিৱেশ, পৰিস্থিতি আৰু পাত্ৰ অনুসৰি প্ৰেমৰ ভাষা ভিন্ন। এই ভিন্নতাত আকুলতা আৰু আৱেগ বিয়পি থাকে। প্ৰেমিক-প্ৰেমিকাই এই শব্দহীন ভাষাকে প্ৰেমৰ ভাষা আখ্যা দিয়ে। পৃথিৱীৰ চুকে কোনে ভাষা বৰ্ণৰ ভিন্নতা থাকিলেও প্ৰেমৰ ভাষাত কোনো ভৌগলিক বিভেদ নাই। ই স্বতঃস্ফূৰ্ত আৰু অনুভৱ লব্ধ। গ্ৰীকৰ পৌৰাণিক দেৱপুৰুষ নাৰচিছাছ অতি সুন্দৰ পুৰুষ আছিল। তেওঁৰ মানুহক সন্মোহন কৰিব পৰা শক্তি ইমানে বেছি আছিল যে তেওঁ কাৰোবালৈ চালেই চাওঁতাজন তেওঁৰ প্ৰেমত পৰিছিল। এয়াই চাগে সহজ অৰ্থত আছিল প্ৰেমৰ ভাষা।

**প্ৰেমৰ অভিজ্ঞতা ঃ**

প্ৰেমত পৰা সকলৰ বাবে প্ৰেমৰ অভিজ্ঞতা ভাল বেয়া যিকোনো হ'ব পাৰে।তেওঁলোকে ব্যক্তিগত ভাবে লোৱা সিদ্ধান্ত আৰু তেওঁলোকৰ চিন্তা চৰ্চাৰ ওপৰত প্ৰেমৰ অভিজ্ঞতা নিৰ্ভৰশীল। মূলতে প্ৰেম এটা আধ্যাত্মিক অভিজ্ঞতা। যিসকলে প্ৰেমক ভয় কৰে তেওঁলোকৰ বাবে জীৱনটো অৰ্থহীন। বাট্ৰাণ্ড ৰাছেলে কবৰ দৰে- "জীৱনৰ মহত্তম আদৰ্শ হ'ল প্ৰেম। এই প্ৰেম জ্ঞানৰ দ্বাৰা পৰিচালিত হ'ব লাগে।" প্ৰেমত সুখী হ'ব পৰাতো নিজৰ কথা।"

**প্ৰেম পত্ৰ/উপহাৰ ইত্যাদি ঃ**

প্ৰেমত পৰাসকলৰ বাবে প্ৰেমপত্ৰ একো ডাঙৰ কথা নহয় কিন্তু এখন ভাল প্ৰেমপত্ৰ লিখা অতি কষ্টকৰ। মনত খেলি-মেলি হৈ থকা কথাবোৰ জুকিয়াই লিখিব পৰা দক্ষতা বহু কম লোকৰহে থাকে।

প্ৰেমত উপহাৰ বিনিময় কৰাটো নিয়ম। ৰোমান সকলে বিজনী ছোৱালীৰ সৈতে বিয়াত বহিব তাইক হাত মৌজা উপহাৰ দিয়ে, ইংলেণ্ডত বং বিৰঙৰ পুতলা, ভাৰতত কাৰ্ড, প্ৰয়োজনীয় সামগ্ৰী। ৰঙা গোলাপ বহু দেশত প্ৰেমাস্পদসকলে বিনিময় কৰে।

**প্ৰেম আৰু ইয়াৰ শ্ৰেণী বিভাজন ঃ**

ভালপোৱা আৰু ভাললগাৰ মাজত পাৰ্থক্য আছে। ভালপোৱা বিষয়টো তিনিটা কাৰকৰ ওপৰত নিৰ্ভৰশীল-

(ক) প্ৰতিপালন (এজনে আনজনক লক্ষ্য কৰা)

(খ) অনুৰাগ (চিন্তা চৰ্চাৰে আগ্ৰহ প্ৰকাশ কৰা)

(গ) একাত্মবোধ (নিবিড় সম্পৰ্কৰ প্ৰতি আগ্ৰহ)

মনোবিজ্ঞানী সকলৰ মতে প্ৰেমৰ ভাগ দুটা-

(ক) মতলীয়া বা কামুক প্ৰেম।

(খ) সংগশীল বা বন্ধুসুলভ প্ৰেম।

**প্ৰেমৰ শেষ ক'ত ঃ**

প্ৰেমৰ শেষ আচলতে হয়নে? বহুতে কয় বিবাহ প্ৰেমৰ সমাধি। তাৰমানে বিয়াৰ পিছতে প্ৰেম শেষ হৈ যায় নেকি? কথাষাৰৰ হয়তো যুক্তি আছে। সংসাৰৰ দায়িত্বলোৱাৰ পিছত প্ৰেমৰ অনুভৱবোৰ হৈ পৰে গৌণ। সেয়ে প্ৰেম শেষ নহলেও ই বিলীন হৈ যায়। কিন্তু প্ৰেমৰ প্ৰাপ্তি বুলি কলে বিয়াত বহি এখন ঘৰৰ দায়িত্ব লৈ জীৱনৰ বাকী দিনকেইটা পৰস্পৰে পৰস্পৰৰ কাষত থকাটোৱে বুজা যায়। এয়াই সাধাৰণ অৰ্থত প্ৰেমৰ শেষ স্তৰ। ব্যৱহাৰিক দিশৰ পৰা প্ৰেম থাকিলেও সাধাৰণ অৰ্থ প্ৰেমিক-প্ৰেমিকাৰ মাজত প্ৰেম শব্দটো কোনো পতি-পত্নীৰ মাজত ব্যৱহাৰ কৰা নহয়।

প্ৰেম প্ৰেমেই।কোনো নিৰ্দিষ্ট সংজ্ঞাৰে ইয়াক ব্যাখ্যা কৰিব নোৱাৰি। প্ৰেম আহি যায়, জোৰ প্ৰয়োগ কৰি কাৰো লগত প্ৰেম কৰিব নোৱাৰি। প্ৰেম সঁচাকৈয়ে অপূৰ্ব। সৃষ্টিৰ মূলতে প্ৰেম। প্ৰেমেই জীৱনৰ প্ৰধান প্ৰেৰণা। প্ৰেম বুলি হাবিয়াস কৰি ফুৰাজনৰ জীৱনলৈ হয়তো তথাকথিত প্ৰেম নহাকৈয়ে থাকি যায়। প্ৰেম সহজ কিন্তু প্ৰেমেই অতি টান যাক বুজি পোৱা যেন লাগিলেও বুজি পোৱা নাযায় কোনো দিনে।

□□□

B.H.B. College, Sarupeta

# তেজৰ চেকা

শ্ৰীপ্ৰণীতা দাস
স্নাতক তৃতীয় বৰ্ষ।

সীমান্তৰ মৃত্যুই মিচেহ্ নিতা চলিহাৰ জীৱনৰ শেষ করুণ মৰ্মান্তিক ঘটনা বুলি ইমান দিনে ভাবি অহা তাইৰ এই ভ্ৰান্ত ধাৰণাটোক শুধৰাই দিলে এইমাত্ৰ টেলিফোনত ভাহি অহা বিমল বৰুৱাৰ কথাখিনিয়ে।

সীমান্তৰ মৃত্যু হোৱাৰ আজি প্ৰায় পাঁচ বছৰেই হ'ল। আনৰ সুখ-দুখৰ সমভাগী হ'ব পৰা শান্ত ল'ৰাটো, দেখিলেই মৰম লগা, সহজ-সৰল সীমান্তই কি দোষ কৰিছিল যাৰ বাবে তাক মৃত্যু দণ্ডৰে দণ্ডিত কৰিলে সেই নিষ্ঠুৰ পাষণ্ডহঁতে। কি লাগে ৰাজীৱহঁতক? স্বাধীনতা ! এনেদৰে নিৰপৰাধী লোকক হত্যা কৰি কি স্বাধীনতা বিচাৰে সিহঁতে? কথাখিনি ভবাৰ লগে লগে নিতা চলিহা ভিতৰি ভিতৰি উত্তেজিত হৈ পৰিল।

যিজন ৰাজীৱ, ৰাজীৱৰ নাম শুনিলেই এদিন দেহত মৃদু শিহৰণ জাগিছিল, যাক এদিন নেদেখিলে ৰাতি টোপনি নাহিছিল সেইজন ৰাজীৱেই এতিয়া তাইৰ জীৱনৰ কালস্বৰূপ। এদিন ৰাজীৱৰ বুকুত মুৰ গুজি সোণালী ভবিষ্যতৰ সপোন ৰচিছিল নিতা চলিহাই। কিন্তু সেই ৰাজীৱেই এতিয়া তাইৰ জীৱনটোক তিল্‌তিলকৈ ঠেলি দিছে মৃত্যুৰ মুখলৈ। মানসপটত ভাহি উঠিল তাইৰ অতীত জীৱনৰ এখনি প্ৰতিচ্ছবি।

এটা দেওলগা গধূলি। বি.এইচ.বি. কলেজ ৰোড্‌ৰ ওচৰৰ উত্তৰমুৱা ৰাস্তাটোৰে আগবাঢ়িছে নিতা। লক্ষ্যপথ ৰে'ললাইন। মনত তাইৰ তিল্‌মাত্ৰ ভাবলেশ নাই। উদ্দেশ্য এটাই। আত্মহত্যা। ৰেললাইন পায়েই উজনিমুৱা পেচেঞ্জাৰ গাড়ীখন দেখি তাই জাপ মাৰি দিলে। হঠাৎ তাইক পিছফালৰ পৰা কোনোবাই ঠেলি দিয়া যেন অনুভৱ হ'ল। চকু মেলি দেখে এজন যুৱকৰ সৈতে তাই বাগৰি পৰিছে ৰে'ললাইনৰ কাষৰ দাঁতিৰ জোপোহাত। নিমিষতে পাৰ হৈ গ'ল সিহঁতৰ ওচৰেৰে পেচেঞ্জাৰখন। যুৱকজনে তাইক তাৰপৰা উঠাই লৈ খঙেৰে সুধিলে- "কোন তুমি? কিয় মৰিবলৈ ওলাইছিলা?"

ঃ আপুনি মোক কিয় মৰিবলৈ নিদিলে? মোক মৰিবলৈ দিয়ক। প্লিজ মোক মৰিবলৈ দিয়ক। —তাই কান্দি কান্দি যুৱকৰ বাহুৰ পৰা ওলাবলৈ চেষ্টা কৰিলে।



যুৱকজনে তাৰ সোঁহাতেৰে তাইৰ ক
এটা সোধালে।

তাই মাথোন কান্দিলে আৰু কান্দি
ঃ ঘৰ ক'ত তোমাৰ? ব'লা মই তোম
যুৱকজনে এইবাৰ অলপ কোমলভাৱে ক'লে
ঃ নাই নাই। মই ঘৰলৈ নাযাওঁ। ঘৰৰ ম
দিছে। মই আৰু কেতিয়াও ঘৰলৈ উভতি নায
ঃ কিয় উলিয়াই দিছে তোমাক ঘৰৰ ম
উঠিল যুৱকে।

ঃ ঘৰৰ মানুহৰ গাত কোনো ভুল ন
সেয়া মই। মোক আপুনি কিয় মৰিবলৈ নিদিলে
যাওঁ। প্লিজ মোক যাবলৈ দিয়ক। তাই কান্দি
কৰিলে।

মই তোমাক ক'লৈকো যাবলৈ দিব
ঘৰলৈ উভতি নোযোৱা তেন্তে ব'লা মোৰ ল
আসাম পুলিচ ডিপাৰ্টমেণ্টৰ চাকৰি
এনেদৰে এদিন নিতাক তাৰ কোৱাৰ্টাৰলৈ লৈ
সকলো কথা শুনাৰ পিছত ক'লে—

B.H.B College, Sarupeta

ঃ তোমাৰ সন্তানৰ পিতৃত্বৰ দায়িত্ব মই ল'ম নিতা। তুমি ভুল কৰিছা সঁচা। মানুহ মাত্ৰেই ভুল কৰে। সেইবুলি তোমাক মই এনেদৰে মৰিব দিব নোৱাৰো। তুমি মোৰ লগত থাকিবা। সীমান্তৰ এই দৃঢ় উক্তিক পাৰ্যমানে বাধা দিছিল নিতাই। কিন্তু তাইৰ এই সকলো বাধা নেওচি এদিন সীমান্তই নিতাৰ কপালত সেন্দুৰৰ ফোঁট পিন্ধালে আৰু সীমান্তৰ ঘৰখনেও তাইক বোৱাৰীৰূপে আদৰি ল'লে। তাইৰ নিজকে সীমান্তৰ ওচৰত বৰ অপৰাধী যেন লাগে। কিয় সীমান্তই তাইৰ দৰে এজনী কলুষিতা ছোৱালীক বুটলি ল'লে। ৰাজীৱ আৰু সীমান্ত। কিমান পাৰ্থক্য।

স্নাতক শ্ৰেণীত পঢ়ি থকা অৱস্থাত ৰাজীৱৰ লগত চিনাকি হৈছিল নিতাৰ। প্ৰথম দুটি বছৰ বন্ধুত্ব, তাৰ পিছত প্ৰেম। বছৰ বাগৰিছিল। লাহে লাহে সিহঁতৰ প্ৰেমো গভীৰ হৈ আহিছিল। এম্.এ. কমপ্লিট কৰি চাকৰিৰ সন্ধানত ঘূৰি ফুৰিছিল ৰাজীৱ। তেনে এটা সময়তে এদিন নিৰিবিলি গধূলি ৰাজীৱৰ প্ৰেমত ব্যাকুল হৈ নিতাই ছোৱালী জীৱনৰ সৰ্ব্বোচ্চ সঁপি দিছিল তাক। ৰক্ষণশীল সমাজৰ নিয়ম ভঙ্গ কৰি অন্তঃসত্বা হৈ পৰিল নিতা। আনহাতে চাকৰিৰ কাৰণে ব্যতিব্যস্ত হৈ পৰিল ৰাজীৱ। চাকৰি বিচাৰি অফিচে অফিচে ঘুৰি চাকৰি নাপাই হাবাথুৰি খাই এদিন মাজপথত মাৰ্কচিটসহ চাৰ্টিফিকেটবোৰ দলিয়াই পেলাই যোগ দিলে এটি সন্ত্ৰাসবাদী সংগঠনত। যাবৰ সময়ত এবাৰো দেখা নকৰিলে নিতাক। মাত্ৰ এখন চিঠি তাইলৈ পঠালে—

মৰমৰ নিতা

মৰম ল'বা। নিতা, তুমিটো জানাই মোৰ জীৱনৰ সকলো কথা। ইমানদিনে ঘূৰি ঘূৰি চাকৰি এটা ল'ব নোৱাৰিলো। আচলতে নিতা টকা নহ'লে সকলো মিছা। নিতা, মই বৰ নিৰুপায়। ঘৰলৈ গৈ দাদা-নবৌৰ একেটা কথাকে আৰু কিমানদিন শুনিম- এজন উচ্চশিক্ষিতা ডেকা ল'ৰাক এনেদৰে আমি ঘৰত পুহি ৰাখিব নোৱাৰো, আৰু ক'ত যে কিমান.....। খেতিৰ মাটি থাকিলে হয়তো মই খেতি কৰিলোহেঁতেন। ব্যৱসায় কৰিবলৈও বহু টকাৰ প্ৰয়োজন। সেয়ে যোবাৰাতি বহু ভাবি ভাবি সিদ্ধান্ত এটা ল'লো। এই সিদ্ধান্তত তোমাৰ মোৰ ৰঙীন ভৱিষ্যতৰ সপোন নাই; আছে মাথোঁ এক ভৱিষ্যতবিহীন উশৃংখল জীৱন। এক সোনালী ভৱিষ্যতৰ সপোন দেখি তোমাক মোৰ জীৱনৰ লগত সাঙুৰি লৈছিলোঁ। এতিয়া এনেদৰে এৰি আহিব লগা হোৱা বাবে মোক ক্ষমা কৰিবা।

ইতি-

তোমাৰ ৰাজীৱ

চিঠিখন পায়েই বাউলী হৈ পৰিল নিতা। তাই কেতিয়াও ভবা নাছিল এদিন ৰাজীৱে তাইক এনেদৰে এৰি থৈ গুচি যাব বুলি। কিয় ৰাজীৱে তাইক এনে কৰিলে। তাই এতিয়া কি কৰিব। তাইৰ গৰ্ভত থকা ৰাজীৱৰ সন্তানটিক হত্যা কৰিব! নাই! তাই হত্যা কৰিব নোৱাৰে। লাগিলে তাই আত্মহত্যা কৰিব। সেয়ে এদিন উপায়হীন হৈ আত্মহত্যাৰ পথ বাচি লোৱা নিতাক উভতাই আনিলে সীমান্ত চলিহাই।

সীমান্ত-নিতাৰ বিবাহৰ ছমাহ পিছতেই নিতাৰ গৰ্ভত থকা ৰাজীৱৰ ভ্ৰূণ সীমান্তৰ জীয়াৰীৰূপে জন্ম ল'লে পৃথিৱীত। প্ৰখৰ ৰ'দত লেৰেলি শুকাই যোৱা গছ এজোপাই হঠাৎ পানী পাই নতুনকৈ কুঁহিপাত মেলাৰ দৰে সীমান্তৰ সংস্পৰ্শত নিতাই নতুন জীৱন আৰম্ভ কৰিলে। পিতৃত্বৰ মৰমৰ পৰা তিলমাত্ৰও বঞ্চিত হোৱা নাই নিতাৰ জীয়ৰী মেঘালী। মেঘালীৰ উপস্থিতি আৰু সীমান্তৰ মৰমসনা কথাই লাহে লাহে ঢাকি ধৰিলে নিতাৰ দুখৰ স্মৃতিক। দুখৰ দেওঁনা পাৰ হৈ সুখৰ পৃথিৱীত খোজ পেলাবলৈ ওলাইছিলহে মাত্ৰ এনেতে নিতা পিচলি পৰিল দুখৰ গভীৰ অন্ধকাৰময় গুহাত। হঠাৎ সীমান্তৰ মৃত্যুৰ বাতৰিয়ে নিতাক বিচলিত কৰি তুলিলে।

উন্নৈচশ নিৰানব্বৈ চনৰ পচিশ জানুৱাৰী। সীমান্তৰ ডিউটি পৰিল পাঠশালা টাউনৰ মাজত থকা পতাকা উত্তোলন কৰা ফিল্ডখনত। হঠাৎ ডিউটি দি থকা অৱস্থাত পিছফালৰ পৰা মটৰ চাইকেলেৰে অহা দুজন যুৱকে গুলিয়াই হত্যা কৰিলে সীমান্ত আৰু তাৰ লগৰজনক।

খবৰটো পোৱাৰ লগে লগে নিতা চলিহাৰ চৌহদ ভৰি পৰিল মানুহৰ সমাবেশেৰে। অজ্ঞান হৈ পৰিল নিতা চলিহা। এটা সময়ত তাই জ্ঞান ঘূৰাই পাই দেখে সীমান্তৰ মৃতদেহটো লৈ আহিছে একে ডিপাৰ্টমেন্টত চাকৰি কৰা তাৰ লগৰ বন্ধুকেইজনে। তাই সীমান্তৰ প্ৰাণহীন দেহৰ ওচৰলৈ যাবলৈ ওলাই অজ্ঞান হৈ ঢলি পৰিল মাটিত। কোনোবাই তাইক সান্ত্বনাবাণীও শুনালে কিজানি। তাই কিন্তু একো শুনা নাই। তাইক চাৰিওফালে আগুৰি ধৰিছে অন্ধকাৰে কেৱল অন্ধকাৰে।

অন্ধকাৰৰ মাজতে তাই খেপিয়াই পালে এটি উৎস। তাই জীয়াই থকাৰ সমল। মেঘালী। মেঘালীক লৈ তাই জীয়াই থাকিব লাগিব। এদিন তাইক সমাজত ডাঙৰ মানুহ কৰিব লাগিব।

সীমান্তৰ মৃত্যুৰ কিছুদিন পাছতে নিতা চলিহাই শিক্ষয়িত্ৰীৰ চাকৰি পালে ধেমাজীত। এদিন বোকোচাত বান্ধি অনা কণমানি মেঘালীয়ে ধেমাজীত চাৰিটা বছৰ গচকিলে। তাই এতিয়া মানুহৰ কথা বুজা হ'ল, দেউতাকৰ কথা শুধিব পৰা হ'ল—

ঃ মা মা ছহিদ মানে খুব ভাল মানুহ নেকি? আমাৰ দেউতা হোনো ছহিদ।

B.H.B College Sarupeta

ঃ দেউতাৰ কথা শুধিলে তুমি কিয় মনে মনে থাকা।

অ মা, শুনানা তুমি, কালি জোনামনিহঁতৰ ঘৰলৈ যাওঁতে জোনামনিৰ দেউতাকে মোক কি ক'লে জানা, ক'লে— "দেউতাক নথকা ছোৱালী বৰ বেয়া লাগে।" তেনেকৈ ক'বলৈহে পালে জোনামনিৰ মাকে মৌলৈ পেঙোৱাকৈ চাই যেনেকৈহে ক'লে— "দেউতাক নাথাকিল কি হ'ল, তাইচোন পাঁচ লাখ টকাৰ অধিকাৰিণী।"

ঃ হয়নে মা, মই শুনিবলৈ পাইছোঁ তুমি হেনো দেউতাৰ সলনি বহু টকা আনিছা।

অ মা, তুমি টকাখিনি ঘূৰাই দি দেউতাক ওভোতাই আনা না। টকা আমাক নালাগে। দেউতাই মোক মৰম কৰিব, দেউতাৰ লগত খেলিম, ফুৰিবলৈ যাম আৰু কিমান কিযে কৰিম। কিযে মজা লাগিব নহয়নে মা?

কণমানি মেঘালীক বুকুত সোমাবাই নিৰবে কান্দে তাই। তাইৰ ঘৰৰ পদুলিমুখেৰে পাৰ হৈ যোৱা মানুহবোৰে এবাৰ হলেও তাইৰ ঘৰটো চাই ক'বলৈ নেপাহৰে— এয়া ছহিদ পত্নীৰ ঘৰ। ইমানেই ভাগ্যবান তাই। তাইৰ কেতিয়াবা চিঞৰি চিঞৰি ক'বৰ মন যায়— তোমালোক যদি ছহিদৰ মাতৃ হ'লাহেতেন, পত্নী হ'লাহেঁতেন তোমালোকেও বুজিব পাৰিলাহেঁতেন ছহিদৰ মাতৃ হোৱাৰ, ছহিদৰ পত্নী হোৱাৰ আনন্দ কিমান। আৰু স্থূলভোগী, অৰ্থলোভী তোমালোক, তোমালোক ইমানেই নীচনে? মানুহক টকাৰে জুখিব পৰা হ'লা। তাইৰ বুকুৰ মাজত উমি উমি জ্বলে একুৰা জুই।

নিতা চলিহাই আনদিনাতকৈ আজি অলপ সোনকালে উঠিল। উঠিয়েই মেঘালীক ড্ৰেছ্ পাতি কৰাই দি সোনকালে স্কুললৈ পঠাই দিলে। তাই আজি স্কুললৈ নাযায়। পোন্ধৰ আগষ্ট ক্লাচ্ নহয় যেতিয়া ইমানদূৰ বাটকুৰি বাই আৰু নাযায়। তাতে ঘৰতো ঢেৰ কাম পৰি আছে।

ৰাতিপুৱাৰ কামখিনি খৰ্‌খৰ্‌কৈ কৰি উঠি ভাগৰুৱা দেহটো ড্ৰয়িংৰুমৰ ছোফাত এৰি দি হাতত পেপাৰখন তুলি লৈছিলহে মাত্ৰ, এনেতে টেলিফোনটো বাজি উঠাত নিতা চলিহাই ৰিচিভাৰটো দাঙি ধৰিলে—

ঃ হেল্লো

আপুনি মিচেচ্ চলিহা হয়নে? মই বিমল বৰুৱাই কৈছোঁ।

ঃ হয়

ঃ আপোনাৰ ছোৱালীজনীক মই ধেমাজী কলেজ ফিল্ডলৈ যোৱা দেখিছিলো।

ঃ তাতে কি হ'ল বৰুৱা?

ঃ ধেমাজি কলেজ ফিল্ডত এইমাত্ৰ বোমা বিস্ফোৰণত দহটা শিশুৱে প্ৰাণ হেৰুৱালে।

নিতা চলিহাৰ হাতৰপৰা খহি প...

বিস্ফোৰণ।। দহটা শিশুৱে প্ৰাণ হেৰুৱালে! ...

তাইৰ কণমানি মেঘালীবো? নাই নাই ...

নোৱাৰিলে। তাই এইবোৰ কি দেখিবলৈ পা...

তাইৰ চাৰিওফালে তীব্ৰ গতিবেগত নামি ...

এই বানে তাইকো উটুৱাই নিবলৈ ...

আৰু............আৰু............এয়া কোনে ...

চাৰিওফালে শুনিবলৈ পাইছে কোনোবাৰ ...

চাগে কোনোবা নববিবাহিতা স্ত্ৰীৰ স্বামী হেৰুৱা...

পুত্ৰ হেৰুৱা মাতৃৰ হিয়া ভুকুৱাই কন্দা ...

কোনোবাই বুকুৰ কেচুবাটি হেৰুৱাই চিৎকাৰ ...




B.H.B College, Sarupeta



বি. এইচ্. বি. মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ একাংশ

B.H.B. College, Sarupeta



প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰিছে জ্যেষ্ঠ প্ৰবক্তা প্ৰভাত ৰাজবংশীয়ে




মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ চাইকেল পৰিভ্ৰমণৰ এটি দৃশ্য





B.H.B. College Sarupeta

# পূৰ্ণতা

পুতুৰেখা কলিতা
স্নাতক প্ৰথম বৰ্ষ।



সকলো শুই নিঃপালি দিছে। নিশাৰ ভয়াবহতা তথা নিজৰ ক্লান্তিবোধ দূৰ কৰি সতেজ মানসিকতাৰে এটি পুৱাক আদৰিবলৈ প্ৰতিজনৰ এয়া গতানুগতিক এই ভয়ংকৰ নিৰৱতাৰ মাজত সাৰে আছে তাই। নিদ্ৰাৰ লগত তুমুল সংগ্ৰাম কৰি। নিজৰ পৰাজয়ৰ গ্লানি শিৰত লৈ তাই মাথো পাৰ কৰিছে প্ৰতিটো মুহূৰ্ত্ত তীব্ৰ মানসিক অন্তৰ্দ্বন্দৰ মাজত। 'ইউলিকা' নামৰ এই প্ৰকাণ্ড বিল্ডিংটোৰ এটা কোঠাত আন্ধাৰৰ লগত নিঃসংগ আলাপত ব্যস্ত তাই। এনেদৰে পৰ কৰে বহু বিনিদ্ৰ ৰজনী মাথো ... তৰ লগত সংগ্ৰাম কৰি। তাইৰ জীৱনলৈ এনে এক মুহূৰ্ত্ত আহি পৰিছে য'ত তাই তাইৰ আজীৱন এক সপোনক ভৰিৰে মোহাৰি পেলাব লাগিব। তাইৰ আকৌ খুড়াকৰ কথাকেইটা মনত পৰিল। বি.এ. পৰীক্ষা দিয়াৰ পিছত তাইক খুড়াকেই মোমায়েকহঁতৰ ঘৰত কেইদিনমান থকাকৈ থৈ গৈছিল। তাইক পাই তেওঁলোকৰ কিযে আনন্দ। আৰু পল আৰু পৰী সিহঁত দুটাই যেন তাইক পাই মাক দেউতাকক পাহৰি গ'ল।

আজিও আবেলি পল, পৰী আৰু তাই লুডু খেলি থাকোতে তাইক মামীয়েকে মাতিলে খুড়াকে ফোন কৰাৰ কাৰণে। তাই তৎক্ষনাত গৈ ৰিচিভাৰটো ডাঙি ললে। ভাঁহি আহিছিল তাইৰ খুৰাকৰ কণ্ঠস্বৰ। তাইৰ খা-খবৰ লোৱাৰ পাছতে খুৰাকে উচ্ছ্বাসেৰে ক'লে—

ঃ মাজনী পূজা, তুমি কালি আহিব লাগিব। নীলম কালিলৈ আমাৰ ঘৰলৈ আহিব। মই মামীয়েৰাক সকলো কৈছো, তেওঁলোকৰ লগতে আহিবা।—কৈয়েই খুৰাকে ফোনটো কাটি দিলে।

এক বুজাব নোৱাৰা দুখে হেঁচা মাৰি ধৰিলে। তাই যেন এক প্ৰস্তৰমূৰ্ত্তিলৈকে ৰূপান্তৰ হ'ল। দুৰ্বল খোজেৰে তাই আগবাঢ়িল ... ৰ কোঠাটোলৈ। কোঠাত সোমায়েই দুৱাৰখন বন্ধ কৰি দিলে। পল, পৰীয়ে মাতি আছিল যদিও তাই কোনো সঁহাৰি নিদিলে। কোঠাত সোমায়েই লাইটটো অফ কৰি দিছিল আৰু গাৰুত মুখখন গুজি কান্দিবলৈ ধৰিলে। লগে লগেই মনলৈ ভাহি আহিল সেইযুৰি চকু যাৰ অস্তিত্বক তাই শৈশৱৰ পৰাই বুকুত কঢ়িয়াই লৈ ফুৰিছে। সেই দুচকুৰেই তাইৰ দুচকুত সিঁচি দিছিল কিছুমান মিঠা সপোন, মিঠা অনুভূতি তাইৰ অলক্ষিতে, সংগোপনে। সেই মিঠা অনুভূতিৰ বাবে তাই কিমান যে হাহাকাৰ কৰি ফুৰিছে।

এবা, কাইলৈ নীলম আহিব। ড° নীলম কলিতা। তাইক বিয়া কৰোৱাৰ মানসেৰে চাবলৈ আহিব। এবুকু যন্ত্ৰণাই অলস কৰি পেলাইছে। ৰাতিৰ ভাত খাবলৈ মামীয়েকে মতাতো তাই নাখালে, গা বেয়া বুলি শুই থাকিল। পল আৰু পৰীয়েও তাইৰ খং উঠা বুলি আজি তাইৰ লগত নুশুলে। শেষ জোনাকৰ পাতল কিৰণে তাইক দুগুণে ভবাই তুলিছে। কোঠাটোৰ পৰা তাই লাহে লাহে ওলাই আহিল। বাহিৰত জোনাক ৰূপোৱালী কিৰণে গছ-লতা বিলাকক মিঠা চুমা যাচিছে। জোনবাইজনীয়ে নিজৰ মায়াবী সৌন্দৰ্য্যৰে এনেকৈয়ে মানুহবোৰক বশীভূত কৰে। জোনাকে সিঁচি দিয়া সৌন্দৰ্য্য ৰাশিয়ে পূজাক দুগুণে যন্ত্ৰণাহে দিছে। এই জোনাকেই তাইক লৈ যাব খোজে তাইৰ শৈশৱলৈ য'ত লাগি থাকে অভিমান ভৰা কিছুমান মধুৰ অনুভূতিৰ প্ৰলেপ, যি মাথোঁ এতিয়া তাইৰ বাবে স্মৃতিহে। কিন্তু তাই যে আজি বাধ্য হৈছে জোনাকৰ হাতত ধৰা দিবলৈ। সদায় পলাই ফুৰে জোনাকৰ পৰা তাই।

কিন্তু আজি? আজি যে তাই আপোনা আপুনি গুচি যাব ধৰিছে অতীতৰ সেই দিনবোৰলৈ য'ত বিধ্বস্ত আৰু বিপন্ন জীৱনৰ লগতেই আছে মিঠা অনুভূতিবোৰ। তাই আগবাঢ়ি গৈছে অতীতলৈ খুউব সংগোপনে, খুউব নিঃশব্দে....

'পদুমনী' গাঁওখন চহৰৰ পৰা বহু নিলগত আৰু তাতেই বাস কৰিছিল পূজাহঁতৰ পৰিয়ালটোৱে। পৰিয়াল বুলি ক'লে মাক, দেউতাক আৰু তাই। পূজা গাঁওৰ সকলোৰে মৰমৰ আছিল। পূজাৰ

B.H.B College, Sarupeta

দেউতাক প্ৰাথমিক স্কুলৰ প্ৰধান শিক্ষক আছিল। খুবেই সুখী পৰিয়াল আছিল সিহঁতৰ। সেই গাঁৱতেই পূজাৰ প্ৰতিমুহূৰ্ত্তৰ লগৰী আছিল সেই ল'ৰাটো— 'কমল'। একেলগে ধূলি বালিত ওমলা, একেলগে বৰশী বোৱা, একেলগে স্কুলত পঢ়া এই আটাইবোৰ মুহূৰ্ত্তৰ লগৰী আছিল কমল। শৈশৱ পাৰ হৈ ক্ৰমাৎ যৌৱনত ভৰি দিলে আৰু দুয়ো নতুন সম্পৰ্কৰ দ্বাৰা বান্ধ খালে। সিহঁতৰ হৃদয়ৰ মিলন হ'ল।

ঠিক তেনে সময়তে পূজাৰ মাক দেউতাক এদিন সম্পৰ্কীয় মানুহ এঘৰলৈ বিয়া খাবলৈ গৈছিল। বিয়া খাই ঘূৰি আহোঁতে বাছ দুৰ্ঘটনাত দুয়োকে নিষ্ঠুৰ নিয়তিয়ে কাঢ়ি নিলে। এই মৃত্যুৱে তাইৰ জীৱনলৈ দুৰ্দশা, দৰিদ্ৰতা আৰু সীমাহীন নিঃসংগতা আনি দিলে। তেনে সময়ত কমলে তাইক কিমান যে বুজাইছিল। সঁচাকৈয়ে তাইৰ চকুলৈ চাই তাই বাচি থাকিব বিচাৰিছিল।

তাৰ পিছত তাইক খুৰাকে নিজৰ ঘৰলৈ আনিছিল আৰু কলেজত নাম লিখি দিছিল। কিন্তু তাই কমলক এক মুহূৰ্তৰ বাবেও পাহৰা নাছিল। কমলে কোৱা কথাবোৰ তাই কেতিয়াও পাহৰা নাছিল। বিশেষকৈ ঘৰ এৰি আহিবৰ দিনা সি কোৱা কথাষাৰ। তাই যেতিয়া তাক মাত লগাবলৈ গৈছিল অশ্ৰুৰে প্লাবিত ৰঙা চকুৰে সি তাইলৈ মুৰ তুলি চাইছিল আৰু কঁপা কঁপা মাতেৰে কৈছিল-

ঃ যোৱা পূজা, তোমাক মই এদিন নিজৰ কৰি লমেই।

খুৰাক খুৰীয়েকৰ মৰমৰ মাত থাকিলেও তাইক কমলৰ সেই আবেগ বিহ্বল দুচকুৱে আৰু মাক দেউতাকৰ স্মৃতিয়ে খুউব আমনি কৰিছিল। তাইৰ ভগবানৰ ওপৰত তীব্ৰ ক্ষোভ জাগে। ভগৱানৰ নাম শুনিলেই তাইৰ সুকোমল নাকৰ পাহি দুটা ফুলি উঠে।

সময় আৰু পৰিস্থিতিৰ আহ্বানক তাই স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল। অকস্মাতে নিঃসংগ হৈ পৰা জীৱনটো তাই খুৰাকহঁতৰ লগত কটাবলৈ ধৰিলে।

এনেতে এদিন তাই সিহঁতৰ গাঁৱৰ এজন কাকতিক লগ পাইছিল। তাই মানুহজনক গাঁৱৰ লগতে কমলৰ কথা শুধিছিল। তাইৰ মৰমৰ কমলৰ কথা। কিন্তু মানুহজনৰ প্ৰত্যুত্তৰত তাই ভাগি পৰিছিল। তেওঁ কৈছিল তাই গুচি অহাৰ পাছতেই গাঁৱ এৰি গুৱাহাটীলৈ গৈছিল। আৰু তেওঁ কৈছিল সি হেনো অলপতে ডাক্তৰি পাছ কৰি অসমৰ বাহিৰলৈ গৈছে। কথাবোৰ শুনি তাই হতাশাত ভুগিছিল। তাৰ সান্নিধ্যৰ বাবে তাইৰ হৃদয়খনে আজীৱন হাঁহাকাৰ কৰি ফুৰিছে। তাই জানো কমলক পাহৰি যাব পাৰিছে? তাৰ মূৰ্ত্তিকে আজীৱন বুকুত লৈ ফুৰিছে। তাৰ লগত কটোৱা নিবিড় মুহূৰ্ত্তবিলাকৰ ৰোমন্থন কৰি তাই ৰোমাঞ্চিত হয়। এয়াই নেকি বাৰু প্ৰেম? হয়, এয়াই প্ৰেম। কাৰোবাক আপোন কৰি লবলৈ, কাৰোবাৰ সান্নিধ্যৰ বাবে উদ্বাউল আৰু কাৰোবাৰ বিষয়ে ভাবি ভাবি গোটেই সময়বোৰ

নিজৰ অলক্ষিতে পাৰ কৰোৱাৰ উদগ্ৰ হে
শৈশৱৰ সোনোৱালী কাননত মিঠা জোনাকে
মুহূৰ্ত্তত সিয়েইটো তাইৰ হৃদয়ত সিঁচি দি
সেই বীজৰ অংকুৰণ ঘটি হৃদয়ৰ প্ৰেম বৃক্ষ
বাঢ়ি আহিছিল। তাই এতিয়া প্ৰতি মুহূৰ্ত্তত
কমলৰ অবিহনে জীয়াই থাকিবলৈ খুব কষ্ট হৈ
পৰা আশ্বাস আজিলৈকে তাইক কোনেও
তাৰ ওপৰত ভীষণ অভিমান জাগে। সি যে ত
নিজৰ কৰি ল'ম বুলি, কিন্তু সি আজিলৈকে

তাইক বাৰু সি পাহৰি গ'ল নেকি
কৰে তাই। হয়তো জনসমুদ্ৰৰ কোনোবা প্ৰান্ত
হেৰাই গ'ল। পাহৰি গ'ল পদুমনীৰ পূজাক।
নিজৰ যৌৱনক তাৰ বাবে আজিও সাঁচি
প্ৰস্তাৱ তাই প্ৰত্যাখ্যান কৰিছে। তাৰ বাবে
ওচৰত প্ৰায়ে তাই উপহাসৰ পাত্ৰ হ'ব লাগে
যেতিয়া তাইৰ প্ৰেমিক তুষাৰৰ কথা কয়
বিষাই উঠে। তেতিয়া তাইৰ কমললৈ মনত

কিন্তু হঠাতেই নিলম আহি পৰিছে
ভংগ কৰিবলৈ। খুৰাক-খুৰীয়েকৰ পচন্দৰ দ
প্ৰত্যাখ্যান কৰিলে তাইৰ খুৰাকে মানি ল'ব।
সেইজন খুৰাকে তাইক লালন পালনৰ দায়ি
অৱস্থা হ'লহেতেন তাইৰ? হয়তো কোনোবা
হৈ থাকিব লগা হ'লহেতেন। নতুবা কাৰোব
অকালতে বহন কৰিব লগা হ'লহেতেন
পাৰিবনে তাই খুৰাকৰ ওচৰত অকৃতজ্ঞ হ'ব
স্মৃতি পাহৰিব লাগিব। তাইৰ সমস্ত আশাক
লাগিব নীলমক....

এক অচিন চৰাইৰ বিকৃত চিএৰত
যতি পৰিল। ঘূৰি আহিল নিষ্ঠুৰ বাস্তৱলৈ। নিশ
গাত লৈ থকা শ্বলখন ভালদৰে মেৰিয়াই
সন্তৰ্পণে আগবাঢ়িল তাইৰ নিৰ্জন কোঠাটোৰ

ৰাতিপুৱা মোমায়েকহঁতৰ লগতে তাই
ৰাওনা হ'ল। তাই নিজৰ মনৰ সৈতে বহুত যুঁজি
তাই নিলমকে বিয়া কৰাব। খুৰাকক সন্তুষ্ট কৰি
লৈছে। আজি তাইৰ অতি মৰমৰ মনৰ মানুহ
বিদায় দিব। আঁকোৱালি ল'ব নিলমক। তাই
তাইৰ বুকুখনে বৰ কষ্ট পাব। কিন্তু কাৰোবাক প
হেৰুৱাবই লাগিব।

B.H.B College, Sarupeta

খুৰাকৰ ঘৰ পাই তাই গেটৰ সম্মুখত বাদামী ৰঙৰ মেটিজ কাৰ এখন দেখি সেইখন নীলমৰ বুলিয়েই অনুমান কৰিলে। দুৰ্বল খোজেৰে তাই ভিতৰলৈ সোমাই গ'ল। ডাইনিং ৰুমৰপৰা কাৰোবাৰ কণ্ঠস্বৰ ভাঁহি আহিছে। খুৰীয়েকে তাইৰ কোঠালৈ আহি হাঁহি মুখেৰে ক'লে ঃ নিলমৰ মাক-দেউতাকো আহিছে তুমি অলপ ফ্ৰেচ হৈ আহা।

ঘৰখনত এক উৎসৱমুখৰ পৰিবেশ। সকলোতেই উদুলি-মুদুলি। খুৰীয়েক আৰু মামীয়েকৰ নিৰ্দেশমতে এযোৰ চাদৰ মেখেলা পিন্ধিলে তাই। খুৰীয়েকে পুনৰ তাইৰ কোঠালৈ সোমাই আহিল।

ঃ ড্ৰয়িং ৰুমতে নীলম আছে। যোৱা, নিজেই চিনাকি হৈ আহাগৈ।

তাই ছফদানিটো লৈ ড্ৰয়িং ৰুমৰ ফালে খোজ আগবঢ়ালে। বুকুখন অসম্ভৱ কঁপিছিল। খোজবোৰেও স্বাভাৱিক ছন্দ হেৰুৱাইছিল। পৰ্দাখনৰ সম্মুখত ক্ষন্তেক ৰ'ল তাই। বুকুত পৃথিৱীৰ সমস্ত সাহস গোটাই পৰ্দাখন টানি সোমাই গ'ল। ছোফাখনতে বহি নীলমে কিবা আলোচনী এখন চাই আছিল। তাইৰ আগমনৰ উমান পাই সি মুৰ তুলিলে।

কি.....স্ত ! এয়া তাই কি দেখিছে ! এয়া যে কোনোবা যুগৰ চিনাকি মুখ। আৰু সেই চকুযুৰি।

ঃ পূ....জা।

ঃ কমল.....তু...মি!

আবেগৰ আতিশয্যত তাই তাৰ ওচৰলৈ লৰি যোৱাৰ দৰে গ'ল আৰু স্থান-কাল-পাত্ৰ পাহৰি তাৰ বুকুৰ মাজত সোমাই পৰিল।

ঃ পূজা ! নিজকে প্ৰতিষ্ঠা কৰিব পৰা নাছিলো বাবে তোমাৰ কাষলৈ ইমান দিন অহা নাছিলো।

ঃ কিন্তু তুমি নিজৰ নাম কিয় সলালা ?

ৰ'বা ৰ'বা, মইয়ে কওঁ তোমাক জোকাবলৈকে মইয়ে তেওঁৰ নাম সলনি কৰিছিলো —খুৰাকে ক'লে। তাই খুৰাকৰ ফালে ঘোপাকৈ চালে। তাকে দেখি খুৰীয়েক, মামীয়েক আৰু কমলে হাঁহিবলৈ ধৰিলে।

□□□

## কৌতুক

এবাৰ এখন স্কুলৰ এজনী শিক্ষয়িত্ৰীয়ে ছাত্ৰবোৰক ক'লে-

"কালি তোমালোকে পাঁচটা পাঁচটা বাক্যই হওক বা শব্দই হওঁক মুখস্থ কৰি আহিবা। এতিয়া পন্টু নামৰ লৰাজনৰ চিন্তা লাগিল, কি মুখস্থ কৰি আহিব।

সিদিনা গধুলিৰ কথা-

পন্টুই মাক দেউতাকক সুধিম বুলি আগবাঢ়িল। তেতিয়া মাক-দেউতাকৰ মাজত তুমুল তৰ্কযুদ্ধ চলি আছিল।

ঃ 'ননচেন্স। দেউতাকে মাকক .................

ঃ আমুলৰ টেমা৷ এইবাৰ মাকে দেউতাকক............

"তেতিয়া পন্টুই ভাবিলে দুটা কিবা কৰি হ'ল ৰবা।"

এইবাৰ সি বাইদেউৰেকৰ ওচৰলৈ গ'ল-

ঃ আজি নহয় ডাৰ্লিং, কাইলৈ! মানে বাইদেৱে প্ৰেমিকক ফোন কৰি আছিল। তেতিয়া ল'ৰাজনে ভাবিলে আৰু এটা হ'ল।

এইবাৰ সি দদাইয়েকৰ ওচৰলৈ গ'ল-

ঃ ইয়াহ অমিতাভ বচ্চন।' দদায়েকে অমিতাভৰ চিনেমা এখন চাই আছিল।

এইবাৰ সি সিহঁতৰ চাকৰটোক এটা বাক্য সোধাত চাকৰটোৱে খঙতে ক'লে-'লেটৰিনৰ ধামা"।

ঃ পন্টুই চিঞৰ মাৰি ক'লে - 'পাই গ'লো'।

দ্বিতীয় দিনাৰ স্কুলৰ কথা। যেতিয়া পন্টুৰপাল পৰিল-

ঃ ননচেন্স। পন্টুৰ প্ৰথম উত্তৰ।

শিক্ষয়িত্ৰীজনীৰ উঠিল খং। লগে লগে খঙত কৈ উঠিল কি ?

ঃ 'আমুলৰ টেমা' । এইবাৰ দ্বিতীয় উত্তৰ।

ঃ আহ্, আজি তোক হেড্ছাৰৰ তাত লৈ যাম। শিক্ষয়িত্ৰীজনীয়ে কলে-

ঃ আজি নহয় ডাৰ্লিং কাইলৈ। পন্টুৰ তৃতীয় উত্তৰ ।

হেডছাৰৰ তাত । বাইদেউৱে যেতিয়া হেড্ছাৰক সকলো কথা কৈ দিলে-

ঃ তই মোক কি বুলি ভাবিছ? হেড্ছাৰৰ প্ৰশ্ন।

ঃ অমিতাভ বচ্চন। পন্টুৰ চতুৰ্থ উত্তৰ।

কি ? এইখন কি জানানে? হেড্চাৰৰ আকৌ........

ঃ লেটৰিনৰ ধামা। পন্টুৰ শেষ উত্তৰ।

*ধনজিৎ কলিতা*

*স্নাতক তৃতীয় বৰ্ষ* □

B.H.B College Sarupeta

# নীলা খামৰ চিঠি

*শ্ৰীদিগন্ত বৈশ্য*
*স্নাতক প্ৰথম বৰ্ষ*



২০০৫-২০০৬ ইং চনৰ "মহাবিদ্যালয় সপ্তাহ" ত "আলোচনী বিভাগৰ" পৰা হোৱা নীলা খামৰ চিঠি লিখা প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰা শ্ৰীমান দিগন্ত বৈশ্যৰ চিঠিখন।

বিষয় ঃ- "প্ৰেমিক প্ৰেমিকাই প্ৰেম প্ৰত্যাখ্যান কৰাৰ পিছত প্ৰতিউত্তৰত তেওঁলৈ লিখা চিঠিখন-

"Everything is done by God"

মৰমৰ মন সাগৰৰ

"অনামী"

জীৱন নহয় সাৰদি জোনাক,
নহয় শেৱালীৰ পাপৰি।
প্ৰেম নহয় জোনাকৰ মায়া,
পলকতে যাব যে উৰি।।

পাতনি নোলোৱাকৈয়ে গাঁঠিবলৈ ওলাইছো তোমালৈ শব্দৰ মালাধাৰি। মৰমৰ বুলি মতাৰ হয়তো আৰু অধিকাৰ নাই তথাপি অতীতকনো পাহৰো কেনেকৈ। তুমিতো মোৰ পৰা বহু দূৰত; মোৰ হৃদয়ে দাগবোৰৰ বেদনা আকৌ ভৰাই তোলে। তোমাৰ অভিমানী মনে এবাৰৰ কাৰণেও বুজিব নোৱাৰিলে তোমাৰ প্ৰতি থকা মোৰ সঁচা প্ৰেম। তুমি অভিমানী হৈয়েই আঁতৰি গলা আৰু মই মাথো সোঁৱৰণীৰ লেছেৰী বুটলিলোঁ। কিন্তু অনামী; তুমি পাহৰি গলেও কিন্তু মই তোমাক পাহৰিব নোৱাৰিলে, সেয়ে ৰোমন্থনে ক্ষত-বিক্ষত কৰা মোৰ হৃদয়ৰ উপলব্ধিৰ দন্তা-বেজনত বহন হিচাপে মানি পঠাইছো।

" Every midnight you came to me
And knocked at my heart
you are someone great
oh ! my love."

অনামী, .......তোমাৰ মতে সিদিনা প্ৰথম প্ৰেমত পৰিছিলো সেইদিনা কেনে লাগিছিল জানা, মোৰ বাবে যেন এসাগৰৰ নীলা; এবুকু সেউজীয়া তেতিয়াৰ পৃথিৱী। সঁচাই সপোন দেখিবলৈ বৰ সুন্দৰ,তাতকৈ সুন্দৰ সপোনবোৰ দিঠকত পোৱাতো।

কিন্তু তুমিতো মোৰ পৰা নীৰৱে আতৰি অধিকাৰে নিদিলা যে কি কম আছিল আমাৰ এটা কথা সঁচা তোমাক দিব পৰাকৈ মোৰ নাছিল, কিন্তু আছিল এখন সঁচা হৃদয়ে বহন

অনামী; তুমিতো মোৰ পৰা বহু দূৰ মই এতিয়াও তোমাৰ চিন্তাত পাৰ কৰো স্মৃতিয়ে আমনি কৰিলে এতিয়াও তিতি উঠে সঁচাই দুখীয়াৰ কিজানি সপোন দেখাবহে বাস্তৱত পোৱাৰ নহয়। বাৰে বাৰে চেষ্টা কৰো থকাৰ কিন্তু বিফল হওঁ। কিয় জানা অনামী, হৃদয়ৰ সপ্ত সুৰঙ্গ ভৰাই তুলিছিল।

"প্ৰেম কিজানি বিষাদৰেই ফটিকা।
এচুমুক দিলেই তিতা আস্বাদন পো
মৰমৰ হয়তোবা মায়াৰেই সাঁথৰ
ইমান সৰল অথচ কঠিন।
তিনিটা মাথোন দৰদী আখৰ।

অতীতক আৰু কিমান ৰোমন্থন কৰিম ভাৱাক্ৰান্ত কৰা হৃদয়ৰ বোজাবোৰ আজিক ডায়েৰীৰ পাতত। তুমি পাহৰি গলেও মই কি পাহৰিব নোৱাৰো। এতিয়াও আশা কৰো তুমি পুনৰ আহিবা আকৌ এবাৰ বিচাৰি পা

B.H.B. College, Sarupeta

প্ৰেৰণা, উৎসাহ। মাত্ৰ এবাৰৰ কাৰণে মোক বুজিব পাৰিলেই হ'ল। তোমাৰ দুই ওঁঠৰ সেই মমতাসনা ভাষাৰে মোক আকৌ এবাৰ কলেই যে " অনামী মই তোমাৰ ওচৰলৈ পুনৰ আহিছো"।

আহা যদি আহিবা অনামী
হৃদয়ৰ পদুলিত মই ফুল সিচি থম।
তুমি আহিলে মোৰ হৃদয়ত
পুনৰ জোনাকৰ বৰষুণ পৰিব।
বোমন্থনে বিক্ষত কৰা
কলিজাৰ দাগ বোৰ
বৰষুণ জাকে ধুই নিব।
মাথো তুমি আহিবা
মই তোমাৰ অপেক্ষাত ৰ'ম।

বৰ কষ্ট হৈছে জানা অনামী; তোমাক এৰি জীয়াই থাকিবলৈ। চিঠিৰ নীলাভ ৰহণবোৰ ৰহণ বুলিয়েই সামৰি নথবা। তাত মই ৰহণ সনা নাই লিখিছো মোৰ হৃদয়ৰ কৰুণতাহে। এটি পল তোমাক এৰি থাকিব নোৱাৰো আৰু ওৰেটো জীৱন মই ভাবিবই নোৱাৰো অনামী। তুমি আহিবা অনামী। মই তোমাৰ অপেক্ষাত ৰ'ম।

I can't forget you
Not only a day of
my life
But also the day of my
whole life.

ইতি
তোমাৰ হতভগীয়া
"অনাম"

❑❑❑

> ➤ জ্ঞান হৈছে স্বৰ্গীয় বস্তু। জ্ঞানেই পূণ্য। জ্ঞান থাকিলে মানুহ সুখী হব পাৰে।
>
> —*চক্ৰেটিছ*
>
> ➤ তুমি নিজে এজন সাধু হোৱা আৰু তেতিয়া তুমি নিঃসন্দেহে কব পাৰিবা যে এজন অসৎলোক পৃথিবীৰ পৰা কমি গৈছে।
>
> —*কালাইল*
>
> ➤ আন কোনোৱে আমাক সহায় কৰিব নোৱাৰে। নিজেই নিজৰ সহায়ক হোৱা।
>
> —*গৌতম বুদ্ধ*
>
> ➤ জীৱনক ভাল পালে, সময়ৰ অপব্যৱহাৰ নকৰিবা। কাৰণ জীৱন এই বস্তুটোৰেই গঢ়া।
>
> —*বেঞ্জামিন ফ্ৰেংকলিন*
>
> ➤ পৃথিৱীৰ ভিতৰত আটাইতকৈ সহজে ঠগাব পৰা লোকজন হ'ল নিজেই।
>
> —*বলুৱাৰ লিটন*
>
> ➤ কেতিয়াও নিৰাশ নহবা। নৈৰাশ্যৰ মাজেৰেই কাম কৰি যোৱা।
>
> —*এডমাণ্ড বাৰ্ক*
>
> ➤ প্ৰকৃত মহৎলোক এজনক তিনিটা লক্ষণেৰে চিনা যায়- উদ্দেশ্যত উদাৰতা, কাৰ্য সম্পাদনাত মানৱতা আৰু কৃতকাৰ্য্যতাত আত্ম সংযম।
>
> —*বিচমাৰ্ক*

B.H.B College, Sarupeta



# আৰোগ

*চিলেকচন গ্ৰেড্ প্ৰবক্ত*

গোটেই শাওনৰ মাহটোত এটোপালো বৰষুণ আকাশৰ পৰা নপৰিল। কামেশ্বৰে বৰ কষ্টেৰে আহাৰতে মাটি কেইবিঘা ৰুইছিল। বৰ আশা আছিল এইবেলি যদি ভবামতে ঠিকে-ঠাকে খেতিখিনি চপাব পাৰে তেনেহলে খোৰাখিনি ৰাখিও কিছু ধান বেচিব পাৰিব। পাৰিলে এইবেলিয়েই গাওঁৰ মহাজন দেউতাৰ পৰা মাহিলি পাঁচটকা সুতত লোৱা ঋণখিনি মাৰিব লাগিব। যোৱাবাৰ গৰুহাল কিনোতেই মহাজনৰ পৰা তিনিহাজাৰ টকা ধাৰত লৈছিল। তদুপৰি উকথা ঘৰটো ভালকৈ ছোৱাব লাগিব। বৰষুণ দিলে সিহঁতৰ শোৱা নহয়। চালখনেৰে আকাশৰ তৰা গণিব পাৰি। মাক আৰু সি এইবোৰ পৰিঘটনাৰ বাবে বৰকৈ অভ্যস্ত। কিন্তু ন-কইনা ৰেণু ন-কইনাক লৈ সুখৰ সপোন ৰচা মুহূৰ্ত্তত হৰ-হৰকৈ অহা ধুমুহাজাকে সিহঁতৰ জুপুৰিটো মোহাৰি পেলাব খোজে, উকথা প্ৰাণীয়ে সপোনবোৰ ধুই লৈ যায় সেই মুহূৰ্ত্তত বৰুণ(?) দেৱতাক স্তুতি কৰাত বাদে সিহঁতৰ কোনো গত্যন্তৰ নাথাকে।

যোৱাবেলি অধিক খেতি কৰি যিখিনি ধান পাইছিল মহাজনৰ তিনিহাজাৰ টকাৰ সুতৰ বাবে দিওতেই ধানখিনি গ'ল-খেতিৰ ধানেৰে মাঘৰ বিহুলৈ খাবলৈ নুজুৰিলে। তিনিজনীয়া পৰিয়ালটোৰ খাওতাৰ সংখ্যা তেনেই কম, বৃদ্ধা মাক আৰু নব-বিবাহিতা পত্নী ৰেণু।

ৰেণুক লৈ চিগা শিকলিৰ খাৰু জোৰা লগোৱাৰ দৰে কামেশ্বৰে বহুত সপোন দেখিছে। হওতে নতুন মানুহ গৰাকীক সি বৰ বেছি একো দিব পৰা নাই। আনকি খোৱা মুঠিৰো ভালকৈ যোগান ধৰিব পৰা নাই। বেচেৰী মানুহজনীয়ে মাহ
লৈয়েই ভৰ বাৰিষাৰ পথাৰত ভুঁই ৰোৱাৰ কাম
আনকি কামেশ্বৰৰ ৰোগ আজাৰ হ'লে গৰু হাল
কষ্টেৰে খেতি দৰা কৰিও সেই ধানৰ ভাত
নাপালে। গোটেই বছৰটোৰে সমবায়ৰ
গোন্ধযুক্ত চাউলৰ ভাত খায়েই সময়বোৰ অ
কথাবোৰ ভাবিলে কামেশ্বৰৰ হৃদয়খন
তথাপিও এটি বাৰলৈ সি ৰেণুকাৰ মনত বিষাদ

এইবেলি পুনঃ তাৰ মনত আশাৰ
উঠিছে। বহু আগ্ৰহেৰে এইবেলি খেতিখন কৰি
..., এইবাৰ যে সিহঁতৰ ঘৰলৈ এক নতুন অ
ঘটাৰ মুহূৰ্ত্ত প্ৰায় সমাগত হৈছে। ভাবিলে তাৰ
ৰাইজাই কৰি উঠে। পল-অনুপল কৰি ৰেণুকাৰ
উঠে এক নবপ্ৰজন্মৰ আগমনৰ সমস্ত লক্ষণ।
শৰীৰটো চাই চাই কামেশ্বৰৰ হৃদয় মন ৰঙীন হৈ
অভাৱ অনাটনে তাৰ দুৰ্দমনীয় মনটোক তলাৰ

Again we can generate as many tautologics as we wish with the help of Reference formulas and it shows that it deals with form not with content.

Another very important point to be noted that in the development of modern logic is that it includes some discussion of Philosophy of logic. Other sciences donot try to penetrate behind the basic concept. Modern logicians want to know the fundamental questions- why we are doing this etc.

Proposition logic and predicate logic are the two areas of logic. Actually there is not much difference between these. They are complementary to each other. In propositional logic propositions are regarded as basic unit and cannot analyse the internal structure of the proposition e.g.variable 'p' stands for one proposition (It rains).

But in predicate logic we study the internal structure of the proposition.In Aristotalian logic, we found four fold classification of proposition A.E.I.O.

A= All s is p. A proposition is written as $(x)(Hx \supset Mx)$

E= No man is perfact $(x)(Mx \supset \sim px)$

I= Some men are honest $(\exists x)\ Mx.Hx)$

O= Some men are not honest $(\exists x)(Mx \sim Hx)$

So, in this way predicate logic expresses the internal structure of proposition.

Through the history of logic in the middle ages, one finds such symbols for the logical relation, used as a kind of short hand. But the use of symbolism begins with a view to the correction and extension of traditional logic from the time of Leibnitz. Actually symbols are used for the sake of abbriviation on economy of expression.

The next important name in the development of symbolic logic is that of George Boole. There are three fundamental ideas in Boole's system.

(i) The conception of the operation of and of " elective symbols".

(ii) The laws of thought expressible as rules of operation upon these symbols.

(iii) The rules of operation are the same

B H B College Sarupeta

which would hold in an algebra of the number O and I.

Boole applied his algebra to several branches of logic including the syllogism of the classical logic. This was an important achievement as he showed that the doctrine of Aristotalian syllogism which had neither to been regarded as practically Co-entensive with deductive logic could be shown to be special case of a kind of logical algebra. So,in the long run we can say that classical logic is related to symbolic logic. Modern symbolic logic is a development of concepts and techniques which were implicit in the work of Aristotle.

Modern logic,is not at all monolithic in character, and the sketch just given is a little stylized, depicting modern logic not as a living discipline but rather as a new 'tradition' that has [illegible] the old that give the older tradition a mea[illegible] justification.


Notes and References.

1. Cohen and Nagel : AnIntrodu[illegible] logic and Scientific Method.

2. I.M. Copi and James A Gould : C[illegible]porary Readings in Logical theory.

3. Basson and O' Connor : Introdu[illegible] symbolic Logic.

4. L.S. Stebbing : A Modern Introdu[illegible] Logic.

5. I.M. Copi : Introduction to Logic


❑❑❑



B.H.B. College Sarupeta

# Music, the food of life.

*Kalyan Kalita*

"Music is the medicine of every disease".

Shakespeare said, "Music is the food of life". It is the festival of sounds rhythms and tunes. Music is an essenee of life. It is the melody of life. Not only human beings but the animals also feel its magic. The snakes dances to the tune of the "bin". The language of music is universal.

Every human being is a lover of music and he is a singer also. He may not be a maestro but atleast he can be a bathroom singer. Life has both happiness and hazzardness. Life means more and it compels us to be profound. The inteneity and authenticity of life cannot be understood without music. Music attributes and enlarges the galary of humanity with plenty of hope for future. Truely it is the essence of life.

Music lightens labour and promotes harmony and concord among men. Music is eternal, heavenly. It has no origin but it originates. It solaces us in adversity and imspires us in prosperity. It enlivens our leisure moments and adds a touch of refinement to all the pleasures. In the word "MUSIC" means 'M' stands of Melody, 'U' for Universal, 'S' for sensuous, 'I' for inevitable and 'C' for Cordial. So music is the melody which is universal, sensuous, inevitable and cordial. What can not be said in words can be expressed in music. Music can give us spritual energy. It is a sort of meditation in which we forget all our worries while engrossed in it. Now a days medical science also approves that music has the power to cure some sort of diseases and therefore they have invented a new therapy, which is called "music therapy".

There is music everywhere in rains, in storms, in buzzing of bees, chirping of birds. So music is universal. It is played on all oceasions. Life without music is a poetry without rhyme. Music doesnot have any boundary at all. It has the power to rule the world. Music has an endless history which is not possible to express without a few words. In India music has a special dignity since the ancient time, for example we can mention the name of Tansen who was one of the "Nov-ratnas" in the court of king Akbar. Today music has been performing a great role in India. In Assam also music has a proud history. In our state nobody can forget Rupkonwar Jyotiprasad, Kalaguru Bishnu Prasad, Parbatiprasad, Anandiram Das, Bhupen Hazarika, Khagen Mahanta, Rameswar Pathak and so on.

But today unfortunately, the new generation has fallen pray to the lure of western culture, the vulgar songs and remixes; and cheap music has become favourite with the new generations. (Therefore, the youth's heart throb singers like Zubeen are not hesitating to pass stupid comments on our great masters of music and behaving in stupid manners in the live shows or the musical reality shows.) It is very unfortunate for our society. We would protest it. Otherwise one day we will have to lose the real taste of music. Because music needs peace of Music and make it really an enjoyable part of life. ❑

B.H.B. College, Sarupeta

# SMALL FAMILY NORMS

*Sri Krishna Ta...*
*Ex-St...*

The size of the family is a matter of great importance not only for the country as a whole but also for the welfare of health of the individual, the family and the community.

Observing the rapid growth in population our country has now adopted the two child family norm. The achievement of this goal has consequences both on the micro level i.e.,level of individuals and family at the macro level i.e. for the nation as a whole.

A norm in relation to family size according to sociologists implies a pattern which sets limits for any community's fertility behaviour.

A size of the family effects the quality of life of human beings. The quality of life does not only pertain to economics stanards of living. Rather it has a much wider horizon.

FAMILY SIZE EFFECTS :

–Basic human needs.

–Income and growth of the economy savings.

–Food and nutrition-quality and quantity.

–Uses of land and urban public system.

–Health, especially that of mother and children.

–Education. particularly that of children.

Every increase in family size, results in decrease in per capita food and nutrition availability and this slows down the quality of nutrition and improvement of health standard. This, in turn, has its effect on productivity of labour, which ultimately affects the overall economic development of the country.

Family size is seem to be related to e... tion, where the mother's education is high, the ... ily size is usually smaller and infant mort... also relatively lower. The level of the mother's ... cation and its impact on family size is wi... the state of Kerala, where female literecy ... highest and it has the lowest birth rate, and the ... mortality rate is also the lowest in the coun...

A small planned family has many adv... and benefits. The planning for a family star... marriages at the proper age. Keeping in ... thelegal and biological apects, a girls shou... be married before the completion of ei... years.

ADVANTAGES OF A SMASS AND PLAN... FAMILY :

Advantages of mothers:

–More time and energy to give prop... tention and love to her children.

–More time to participate in other ... activities like education, vocational training ... munity projects etc.

–Can avail of better job opportunities ... not tied down by small children.

–Less chances of foetal death, birth, ... mortality during infancy and childhood.

<u>Advantages for the child:</u>

–Canducive atmosphere for proper ... cal and psychological growth of the child.

–Gets proper nutrition, education, p... care and love.

B.H.B. College, Sarupeta

Advantages for the community and country:

–Conservation of natural resources and savings.

–Enough schools, hospitals and other basic services.

–More employment.

–Planned families would gradually bring happiness, peace, harmony prosperity.

NATIONAL POPULATION POLICY -2000 :

Promotional and motivational measures for adoption of small Family norms.

(i) *Panchayats* and *Zila Parishads* will be rewarded and honouredfor exemplary performance in universalising the small family norms, achieving reductions in infant mortality and birth rates and promoting literacy with completion of primary schooling.

(ii) the *Balika Samridhi Yojana* runs by the Deptt. of women and child Development to promote survival and care of the girl child will continue. A cash incentive of Rs. 500 is awarded at the birth of the girl child of birth over 1 or 2.

(iii) A revolving fund will be set up for income generating activities by village level self-help groups, who provide community level health care services.

(iv) Facilities for safe abortion will be strengthened and expanded.

(v) Products and serviceswill be made affordable through innovative social marketing schemes.

(vi) Increased vocational training schemes for gilrs, leading to self-employment will be encouraged.

(vii) Strict enforcement of Child Marriage Restraint Act., 1976.

(viii) Strict emforcement of the Pre-Natal Diagnostic Techniques Act. ,1094.

While it may appear self evident that two child family is a happy family, wide spread acceptance of the two child norms has not yet taken place in the country due to various religious, cultural and socio-economic factors. Concerted efforts, therefore, needto be made to provide the necessary information and education to the people, especially in rural areas and urban slums to motivate them to accept the two child family norm. It is indeed impertive on the part of each one of us to adovocate and adopt the two child family norm and constructively contribute our share in our own work settings and in the development efforts aimed at achieving the quality of life and physical, mental and socio-economic well-being of the people and the family and the community at large.



B.H.B. College Sarupeta

# ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে মই মহাবিদ্যালয় প্ৰতিষ্ঠাপন তথা উন্নতিত যি সকল মহান ব্যক্তিৰ নিঃস্বাৰ্থ শ্ৰম আৰু প্ৰচেষ্টাৰ বাবে আমি আজি এনে এটা পৰ্য্যায়লৈ উন্নীত হ'ব পাৰিছে তেখেতসকলক মই মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো।

মহাবিদ্যালয় তথা মহাবিদ্যালয়ৰ উন্নতিৰ লগত জড়িত সকলোলৈকে মোৰ সংভাব আছে আৰু চিৰদিন থাকিব। জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৰে জ্ঞান বুদ্ধি বিকাশৰ স্থান মহাবিদ্যালয়লৈ সেৱা আগবঢ়াব পোৱাটো মই সৌভাগ্যৰ কথা বুলি ভাবো। আৰু সেয়ে ২০০৫-০৬ ইং বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ- একতা সভাত থাকি মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুবিধা দিয়া সকলৰ ওচৰত মই কৃতজ্ঞ।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত কৰ্তব্য পালনক লৈ কেতিয়াও মই অৱহেলা কৰা নাছিলো। সীমিত ক্ষমতাৰে মই মোৰ কাৰ্য্যখিনি সুচাৰুৰূপে কৰিবলৈ চেষ্টা কৰিছিলো। কাৰ্য্যকালৰ সময়চোৱাত ছাত্ৰ- একতা সভাৰ আটাইৰে লগত মোৰ সম্পৰ্ক আছিল মধুৰ। সকলো সম্পাদক নিজৰ নিজৰ কৰ্তব্যৰ প্ৰতি সচেতন আছিল যাৰ বাবে কাৰ্য্যকাল সুচাৰুৰূপে পৰিচালিত হোৱাত অসুবিধাৰ সৃষ্টি হোৱা নাছিল।

সন্মী শেষত বি.এইচ. বি. মহাবিদ্যালয়ৰ ভৱিষ্যৎ উজ্জ্বল কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু বি.এইচ.বি মহাবিদ্যালয়"

নিৰুপম তালুকদাৰ (২০০৫-০৬)

B.H.B. College Sarupeta

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

সুহৃদ সতীৰ্থৰ আন্তৰিক মৰম,শুভ-কামনা একান্ত ব্যক্তিগত ইচ্ছা আৰু বি.এইচ. বি মহাবিদ্যালয় নিৰ্বাচনৰ উৎসা উদ্দীপনাৰ মাজেৰে সহকাৰী সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনত সেৱা কৰা যি সুযোগ দিলে তাৰবাবে আটাইলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

বি.এইচ. বি মহাবিদ্যালয়খনে বিভিন্ন খলা-বমা জখলাইদি বগাই আজিৰ এই মুহূৰ্ত্তত উপনীত হৈছে। মহাবিদ্যালয়খনে আমাৰ এই অঞ্চলৰ শিক্ষাজগতখনক নেতৃত্ব দি আহিছে। শিক্ষাৰ ক্ষেত্ৰত ইয়াৰ সুনাম সৰ্বজনবিদিত। সংস্কৃতি আৰু সমন্বয় এনাজৰীৰ এক নিবিড় বান্ধোনেৰে বান্ধ খাই আছে বি.এইচ. বি মহাবিদ্যালয়।

মই কাৰ্যভাৰ পোৱাৰ পিছত মহাবিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি, মাধৱ দেৱৰ তিথি,সৰস্বতী পূজা আদি সফলতাৰে অনুষ্ঠিত কৰা হয়।

ছাত্ৰ একতা সভাৰ দ্বাৰা অনুষ্ঠিত কৰা সভাত নবাগত সকলক আদৰণি জনোৱা হয়। আদৰণি সভাখন অনুষ্ঠিত কৰাৰ পিছত সাধাৰণ সম্পাদকে তেওঁৰ পদটোৰ পৰা কিছুদিন বিৰতি থকাৰ বাবে লিখিত ভাবে ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ক জনোৱাৰ পিচত মহোদয়ে সাধাৰণ সম্পাদকৰ পদটো চলাই নিয়াৰ বাবে মোক ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনত সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিছিল। ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিচত 'মহাবিদ্যালয় সপ্তাহ' আৰু চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰী সকলক শুভেচ্ছা জ্ঞাপনাৰ্থে শুভেচ্ছামূলক সভাখন অনুষ্ঠিত কৰা হৈছিল ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত চন্দ্ৰকান্ত তালুকদাৰৰ সভাপতিত্বত । মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ উন্নতিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিছিলো কাৰণ সুস্থ শৈক্ষিক পৰিবেশৰ মাজতহে ছাত্ৰ-ছাত্ৰীসকলে আকাংক্ষিত শিক্ষা লাভ কৰিব পাৰে।

মোৰ কাৰ্যকালৰ আৰম্ভণিৰ পৰা বিভিন্ন দিশত গঠনমূলক দিহা পৰামৰ্শ আগবঢ়াই অহা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, সন্মানীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকলক আন্তৰিকতাৰে শলাগিছো।

ধন্যবাদেৰে-
জিন্টু ডেকা
ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক, (২০০৫-২০০৬)

B.H.B. College, Sarupeta

# সমাজসেৱা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে জাতীয় সংগ্ৰামত কেঁচা শোণিতেৰে প্ৰাণ আহুতি দিয়া জাতীয় শ্বহীদ সকলৰ প্ৰতি সৱল শ্ৰদ্ধা নিবেদন কৰিছো। যি সকলৰ বৰঙণি আৰু শ্ৰমদানৰ বিনিময়ত বি.এইচ্.বি. মহাবিদ্যালয়ৰ নামত বিদ্যা মন্দিৰটো গঢ়ি উঠিছে সেই সকল মহান ব্যক্তিলৈ মই ভক্তি শ্ৰদ্ধা নিবেদন কৰিছোঁ। সমাজ সেৱা বিভাগৰ সম্পাদক পদটো এটা অতি গুৰুত্বপূৰ্ণ পদ। এনেকুৱা এটা গুৰুত্বপূৰ্ণ পদত মোক সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰা হেতুকে মই আটাইলৈ ধন্যবাদ জনাইছোঁ।

সমাজৰ জৰিয়তে গঢ়ি উঠে এখন ঠাই বা দেশৰ সভ্যতা। সেয়ে সমাজ সেৱাৰ ক্ষেত্ৰ খন বৰ বিশাল। মাথোন এটা বছৰৰ ভিতৰতেই সকলো সপোন বাস্তৱত ৰূপায়িত কৰাটো সম্ভৱপৰ নহয়। তথাপিও মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ প্ৰাকৃতিক পৰিবেশ ৰক্ষণাবেক্ষণৰ বাবে আগবাঢ়িছিলো। নৱবৰ্ষৰ পাঠদান আৰম্ভ হোৱাৰ আগে-আগে মহাবিদ্যালয়খনৰ পৰিবেশ সৌন্দৰ্য্যময় কৰি তোলাৰ বাবে চাফাই প্ৰতিযোগিতা কাৰ্য্যসূচী মই নিজে হাতত তুলি লৈছিলোঁ।

আমাৰ কাৰ্য্যকালতে মহাবিদ্যালয়খনত বিভিন্ন সুবিধা অসুবিধাৰ মাজেৰে তেতিয়া সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে মোক দিয়া দায়িত্ববোৰ অতি শৃংখলাবদ্ধভাৱে পৰিচালনা কৰি যাওঁ। সেই সময়ছোৱাতে আমাৰ N.S.S. ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ জৰিয়তে মহাবিদ্যালয়ৰ সম্পূৰ্ণ চৌপাশ আৰু সৰুপেটা অঞ্চলৰ বহুকাংশ ঠাই পৰিষ্কাৰ কৰা কাৰ্য্যসূচী হাতত লোৱা হৈছিল। কিন্তু দেখিবলৈ পালো যে তাৰ পিছত N.S.S.ৰ সহায়েৰে কৰিবলগীয়া কোনো কাম কতৃপক্ষই হাতত লোৱা নাই। এইখিনিতে মই কতৃপক্ষলৈ টানি অনুৰোধ জনাওঁ যে উক্ত N.S.S.ৰ সহায়েৰে আমাৰ মহাবিদ্যালয়খনৰ কাম কৰাৰ সুবিধাকণ দিয়ে যেন। মই পুণৰ কাৰ্য্যসূচী লওঁ মহাবিদ্যালয় সপ্তাহৰ আগমুহূৰ্ত্ততে। মোৰ কাৰ্য্যকালত মহাবিদ্যালয় সপ্তাহৰ সমূহ প্ৰতিযোগিতা সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে মই আপ্ৰাণ চেষ্টা কৰিছিলোঁ।

মহাবিদ্যালয় এখন যিহেতু পবিত্ৰ জ্ঞানৰ মন্দিৰ, সেয়ে মহাবিদ্যালয়ৰ চৌপাশ অতি পৰিস্কাৰ আৰু পবিত্ৰ হৈ থকাটো নিত্যান্তই প্ৰয়োজন। সেয়ে এই ক্ষেত্ৰত মই অতি গুৰুত্ব দিছিলো। পৰিস্কাৰ লেতেৰা যিকোনো কামতে মই নিজে প্ৰথমে আগবাঢ়ি গৈছিলো।

সদৌ শেষত মোৰ কাৰ্য্যকালত অজানিতে হোৱা দোষ-ত্ৰুটিৰ মাৰ্জনা বিচাৰি বি.এইচ্.বি. মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে-

"জয়তু বি.এইচ্.বি. মহাবিদ্যালয়"

শ্ৰীমনোৰঞ্জন তালুকদাৰ, সম্পাদক, সমাজসেৱা বিভাগ।

(২০০৫-০৬)❑

B.H.B. College, Sorupeta

# তর্ক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে বি.এইচ.বি. মহাবিদ্যালয়ৰ ০৫-০৬ ইং বৰ্ষৰ তৰ্ক বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে বি.এইচ.বি. মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ, উপাধ্যাক্ষ, শ্ৰদ্ধাৰ শিক্ষকবৃন্দ আৰু সমূহ কলেজ কৰ্মচাৰীলৈ মই শ্ৰদ্ধা নিবেদিছোঁ।

মোৰ কাৰ্য্যকালত মই কিমান কৃতকাৰ্য্য বা সফলতা লাভ কৰিছো সেয়া বিচাৰ কৰিবলৈ আপোনালোকলৈ এৰিছোঁ। বিগত বছৰ কেইটিৰ দৰে এইবাৰো মহাবিদ্যালয় সপ্তাহত তৰ্ক বিভাগৰ প্ৰতিযোগিতাবোৰ অনুষ্ঠিত কৰা হৈছিল। কিন্তু ক'বলৈ লাজ লগা কথা যে আমাৰ নেকুৱা এখন মহাবিদ্যালয়ত এই প্ৰতিযোগিতাসমূহৰ প্ৰতি আগ্ৰহী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নিচেই কম। অতি দুখৰ বিষয় যে মই মহাবিদ্যালয় সপ্তাহত প্ৰতিযোগীৰ অভাৱৰ কাৰণে আটাইকেইখন খেল অনুষ্ঠিত কৰিব নোৱাৰিলো। ভৱিষ্যতে যেন এনেকুৱা নহয় আৰু ছাত্ৰ-ছাত্ৰী সকলে যেন তৰ্ক বিভাগৰ খেল সমূহত অংশগ্ৰহণ কৰে তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীকে মই বিনম্ৰভাৱে অনুৰোধ জনালোঁ।

তৰ্ক বিভাগৰ প্ৰতিযোগিতা সমূহত মোক বিভিন্ন দিশত সহায় আৰু পৰামৰ্শ দি সুচাৰুৰূপে মোৰ কাৰ্য্যাৱলী চলোৱাত সহায় কৰা শ্ৰীযুত প্ৰবোধ কলিতা চাৰ, মৃণাল চাৰ, আৰু নমিতা বাইদেউলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আৰু মোক বিভিন্ন ধৰণে সহায় কৰা মোৰ বন্ধু- ধৰণী, জ্যোতি, বিপুল, সঞ্জয়, কুল, নিবাৰণ, ৰাকন আৰু বান্ধৱী- বিমা, মিনাক্ষী, ৰঞ্জিতা, ভবিতা, চিনু, শেৱালীৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ হিয়াভৰা অভিনন্দন জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্বল কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছো।

শ্ৰীকিংকৰ দাস, সম্পাদক
(২০০৫-০৬)❑

B.H.B. College, Sarupeta

# লঘু খেল বিভাগৰ বাৰ্ষিক প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে বি.এইচ্.বি. মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰিলো।

যিসকল বন্ধু-বান্ধৱীয়ে মোক বি.এইচ্.বি. মহাবিদ্যালয়ৰ নিৰ্বাচনত লঘু খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচন কৰি মহাবিদ্যালয়ৰ উন্নতিত সেৱা আগবঢ়াব পাৰিম বুলি আশা ৰাখিছিল তেওঁলোকলৈ সমবেদনা জ্ঞাপন কৰিলোঁ।

আমাৰ কাৰ্য্যকালৰ সময়ছোৱাত মহাবিদ্যালয়ৰ কোনো উন্নতি হোৱা মোৰ পৰিলক্ষিত নহ'ল। এজন সম্পাদক হিচাপে মহাবিদ্যালয়ৰ উন্নতিত ময়ো কোনো ধৰণৰ সেৱা আগবঢ়াব নোৱাৰিলো। এইক্ষেত্ৰত আমাৰ সাধাৰণ সম্পাদকো আংশিকভাৱে দায়ী। কোনো ছাত্ৰ-ছাত্ৰীৰ যদি মহাবিদ্যালয়ৰ উন্নতিত সেৱা কৰাৰ ইচ্ছা থাকে তেনেহ'লে তেওঁলোকক মই মহাবিদ্যালয়ৰ নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাৰ পৰা বিৰত থাকিবলৈ অনুৰোধ জনালো।

লঘু খেল বিভাগৰ সম্পাদকৰ অভিজ্ঞতাৰ পৰা মই কওঁ যে আমাৰ মহাবিদ্যালয়ত প্ৰতিযোগীৰ অভাৱ। বহুতো খেল প্ৰতিযোগীৰ অভাৱৰ বাবে বাতিল কৰিবলগীয়া হয়। মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি তেনেই সেৰেঙা। আকৌ উপস্থিত থকাৰ অৰ্ধাংশ প্ৰতিযোগী নহয়।

কাৰ্য্যকালৰ সময়চোৱাত বিভিন্ন দিশৰ পৰা সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে মই বন্ধু-বান্ধৱী মহলৰ ওচৰত চিৰকৃতজ্ঞ। এইক্ষেত্ৰত সৃষ্টি, গজেন, দেৱজিৎ, ধনজিৎ আৰু অঞ্জনৰ নাম বিশেষভাৱে উল্লেখ কৰিলো। বিভিন্ন দিশত মোক সহায় আৰু প্ৰেৰণা আগবঢ়োৱাৰ কাৰণে শিক্ষাগুৰু শ্ৰীযুত মৃণাল দত্তক বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ অজানিতে হোৱা ভুল-ত্ৰুটিৰ কাৰণে শিক্ষাগুৰু তথা বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা ভিক্ষা মাগিলো।

'জয়তু বি.এইচ্.বি. মহাবিদ্যালয়"

শ্ৰীবিকাশ জ্যোতি দাস
সম্পাদক, লঘু খেল বিভাগ, (২০০৫-০৬)

B.H.B. College, Sarupeta

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

জ্ঞানত গভীৰ
বিজ্ঞানত গভীৰ
খেলত সুস্থিৰ
কলাত অধীৰ হৈ
আগবাঢ়ো আমি।

"মানুহ খন্তেকীয়া কিন্তু স্মৃতি যুগমীয়া" এই কথা পুনৰ সুঁৱৰি প্ৰতিবেদনৰ পাতনিতে সেইসকল জ্ঞাত অজ্ঞাত মহান ব্যক্তিক মোৰ অশ্ৰু-সিক্ত নয়নেৰে সোঁৱৰিছো যি সকল মহান ব্যক্তিয়ে স্ব জাতিৰ স্বাৰ্থ আৰু সবাংগীন উন্নতিৰ বাবে হাঁহিমুখে প্ৰাণ বিসৰ্জন দিছিল আৰু যি সকল মহান ব্যক্তিৰ ৰঙা তেজেৰে অসম মাতৃ আজিও ৰঙীণ হৈয়ে আছে। লগতে আন্তৰিক শ্ৰদ্ধা ও ভক্তি নিবেদিছোঁ সেই প্ৰতিজন আজ্ঞানুৰাগীৰ প্ৰতি, প্ৰতিজন মানবীয় ব্যক্তিৰ প্ৰতি যাৰ অমূল্য ত্যাগৰ চূড়ান্ত নিদৰ্শন বি. এইচ. বি. মহাবিদ্যালয়।

প্ৰতিবেদন লিখিবলৈ কলম তুলি লোৱাৰ লগে লগে মনত বহুতো কথাই ভুমুকি মাৰিছে। ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাবে কি লিখিম কাৰণ আজিও আমাৰ মহাবিদ্যালয় সমস্যা মুক্ত নহয়। তথাপি এই সমস্যাৰ মাজতে মই কৰ্তব্যৰ প্ৰতি সদায় সচেতন আছিলো। 'মহাবিদ্যালয় সপ্তাহ' ত মোৰ ভাগত থকা খেল সমূহ অতি সুন্দৰকৈ চলাই নিছিলো। যদিও দুখৰ বিষয় যে খেল সমূহত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা লজ্জাজনক আছিল। আমাৰ ছাত্ৰী বান্ধবী সকলৰ এই ধৰণৰ খেলৰ প্ৰতি বিমুখিতা সচাঁকৈয়ে মন কৰিবলগীয়া বিষয়। পৰবৰ্তী সম্পাদিকাই এই কথালৈ লক্ষ্য ৰাখিব।

মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় কৰা বন্ধু-বান্ধবী, তত্বাবধায়িকা.....................
বাইদেউ, বি.এইচ.বি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতা যাচিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা দোষ-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি আমাৰ গ্ৰাম্যঞ্চলৰ এই মহাবিদ্যালয়খনিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু বি.এইচ.বি. মহাবিদ্যালয়।

ধন্যবাদেৰে
শ্ৰীমিতালী দাস, (২০০৫-০৬)

B.H.B. College, Sarupeta

# এবছৰীয়া স্বীকাৰোক্তি

সমূহ বি.এইচ.বিয়ানলৈ শ্ৰদ্ধা অভিনন্দন জ্ঞাপন কৰিলো। বি.এইচ.বিয়ান সকলৰ মৰম-ভালপোৱাই যে আমাক বি.এইচ.বি মহাবিদ্যালয় আলোচনী সম্পাদকৰ পদত অৱতীৰ্ণ কৰিলে তাক আমি স্বীকাৰ কৰিছো। সম্পাদক হোৱাৰ যোগ্যতা আছেনে নাই তাৰ বিশ্লেষণ আপোনালোকৰ হাতত।

আলোচনী এখন সম্পাদনা কৰা অতি কঠিন কাম যদিহে পূৰ্বৰ অভিজ্ঞতা নাথাকে। আমিও অনভিজ্ঞ, তথাপি সকলো ফালৰ পৰা চেষ্টাৰ ত্ৰুটি কৰা নাই। পূৰ্ণাংগ আলোচনী এখন সুন্দৰভাৱে প্ৰকাশ কৰিবলৈ ৫০হেজাৰ টকাৰে সম্ভৱ নহয়। বিশেষকৈ আগৰ তুলনাত বি.এইচ.বি মহাবিদ্যালয়ৰ দৰে 'নাক'ৰ (NAAC) দ্বাৰা 'B'গ্ৰেড্ পোৱা মহাবিদ্যালয়খনৰ বাবে।

বি.এইচ.বি. মহাবিদ্যালয়ত এক শান্তি-সংস্কৃতিৰ পৰিবেশ গঢ়ি তুলিবলৈ আমি অধিক যত্নপৰ হৈছিলো। ন ন প্ৰতিভাৰ বাবে আমি কেইখনমান সাহিত্য প্ৰতিযোগিতাৰ বাহিৰে আন একোকে পাতিব নোৱাৰিলো। তাৰ বাবে সম্পাদক হিচাপে আমি নিজেই দুঃখিত। বি.এইচ.বি মহাবিদ্যালয়ৰ সাহিত্য চ'ৰাৰ প্ৰাচীৰ পত্ৰিকা 'জোনাক' নৱাগত আদৰণি সভাত আৰু সৰস্বতী পূজাত উন্মোচন হোৱা প্ৰাচীৰ পত্ৰিকাৰ জৰিয়তে মহাবিদ্যালয়ৰ ন ন প্ৰতিভাক বিকাশ কৰিবৰ চেষ্টা কৰিছোঁ নিজেই প্ৰকাশ কৰা আজিৰ কবিতা, গল্প, প্ৰবন্ধ আৰু ছাত্ৰ-ছাত্ৰীৰ অনুভৱৰ দ্বাৰা।

আলোচনী এখন সম্পূৰ্ণৰূপে উন্নত মানদণ্ডৰ কৰি প্ৰকাশ কৰিবৰ বাবে অৰ্থনৈতিক ভাৱে টনকিয়াল হোৱাৰ উপৰিও উন্নত মানদণ্ডৰ লিখনিৰ অতি আৱশ্যক। কিন্তু এই ক্ষেত্ৰত আমি ছাত্ৰ-ছাত্ৰীৰ পৰা বিশেষ সহায় নাপালো। দুখ প্ৰকাশ কৰিছোঁ, বি.এইচ.বি মহাবিদ্যালয়ৰ কবিতা, গল্প, প্ৰবন্ধ লিখা ছাত্ৰ-ছাত্ৰীৰ অভাৱ। মহাবিদ্যালয় সপ্তাহত আমি পত্য প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰিবৰ বাবে ছাত্ৰ-ছাত্ৰীক জোৰ কৰিব লগা হৈছিল। এই কাৰণতে বহু প্ৰতিযোগিতা প্ৰতিযোগীৰ অভাৱত বাতিল কৰিব লগা হৈছিল।

আলোচনী সম্পাদক হিচাপে আমি নিজেই দুঃখীত। কাৰণ মই মোৰ ২০০৫-২০০৬ ইং বৰ্ষৰ আলোচনীখন সময়ত প্ৰকাশ কৰিব নোৱাৰিলোঁ। অৱশেষত তত্বাৱধায়কৰ সিদ্ধান্তমৰ্মে মই মোৰ আলোচনীখন ২০০৬-২০০৭ ইং বৰ্ষৰ লগত যুতীয়াভাৱে প্ৰকাশ কৰিলো।

সম্পাদনা সমিতিৰ আটায়ে সম্পূৰ্ণৰূপে সহায়ৰ হাত আগবঢ়োৱা বাবেই মই তেওঁলোকৰ ওচৰত কৃতজ্ঞ।

মোৰ কাৰ্যকালৰ সময়ছোৱাৰ সাহিত্য প্ৰতিযোগিতাৰ ফলা-ফল সমূহ তলত দিয়া ধৰণৰ—

স্ব-ৰচিত কবিতা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ঃ দিগন্ত বৈশ্য (স্নাতক প্ৰথম বৰ্ষ)

স্ব-ৰচিত এটা বাক্যৰ গল্প প্ৰতিযোগিতাৰ একমাত্ৰ পুৰস্কাৰ ঃ অংকুমনি দাস (স্নাতক দ্বিতীয় বৰ্ষ)

থিতাতে ৰচিত লিমাৰিক প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ঃচয়নিকা শৰ্মা (স্নাতক দ্বিতীয় বৰ্ষ), দ্বিতীয় পুৰস্কাৰ ঃ মিতালী দা (স্নাতক দ্বিতীয় বৰ্ষ)।

নীলা খামৰ চিঠি লিখা প্ৰতিযোগিতাৰ— একমাত্ৰ পুৰস্কাৰ ঃ দিগন্ত বৈশ্য (স্নাতক প্ৰথম বৰ্ষ)

সদৌ শেষত সাহিত্যৰ ক্ষেত্ৰ ত নিজৰ অনভিজ্ঞতাৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি বি.এইচ.বি. মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনাৰে এই প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

শ্ৰীখনীন্দ্ৰ দা

আলোচনী সম্পাদক (২০০৫-০৬)

B.H.B. College Sarupeta

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভনীতে মই সেই বীৰ শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু প্ৰণিপাত জনাইছোঁ। যাৰ বাবে আমি আজি স্বাধীন আইৰ কোলাত জন্ম লাভ কৰিছোঁ আৰু যিসকল বিশিষ্ট ব্যক্তিৰ অশেষ কষ্ট, অসীম ত্যাগ আৰু সাধনাৰ ফলত জ্ঞানৰ ভাণ্ডাৰ বি.এইচ্. বি.মহাবিদ্যালয়খন গঢ় লৈ উঠিছে।

মোৰ প্ৰতি আস্থা ৰাখি যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱীয়ে মৰম তথা উৎসাহ উদ্দীপনা দি আশাৰে মোক জ্ঞানৰ জ্যোতি বিলোৱা বি.এইচ্. বি. মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ মৰ্যাদাপূৰ্ণ আৰু গুৰু দায়িত্বপূৰ্ণ পদত নিৰ্বাচিত কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

ভৱানীপুৰ, হস্তিনাপুৰ, বিজনীৰ দৰে এটা অঞ্চল জ্ঞানৰ জ্যোতি বিলাই দিয়া এই জ্ঞান মন্দিৰটোলৈ সেৱা আগবঢ়োৱাৰ ইচ্ছা মোৰ বহু বছৰ আগৰ পৰাই আছিল। আজি সেই আশা পূৰণ হোৱাত মই খু-উ-ব আনন্দিতত হৈছোঁ। মাৰ্চ মাহৰ ০২ তাৰিখে আমাৰ হাতত কাৰ্য্যভাৰ তুলি দিয়া হৈছিল। মহাবিদ্যালয়খনৰ সাধাৰণ সম্পাদকৰ দৰে পদ এটাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰি মই খুবেই আনন্দিত হৈছিলোঁ।

আমাৰ কাৰ্য্যকালত ২০০৬ ইং বৰ্ষত আমাৰ মহাবিদ্যালয়ৰ নিম্ন বৰ্গৰ কৰ্মচাৰী তথা মহাবিদ্যালয়ৰ প্ৰাক্তন সাদাৰণ সম্পাদক মাননীয় শ্ৰীযুত পদ্মলোচন ঠাকুৰীয়াদেৱৰ অকাল বিয়োগ ঘটে। তেখেতৰ বিদেহী আত্মাৰ সদ্‌গতিৰ কাৰণে এখনি শোক সভা আহাবান কৰা হয় আৰু পৰম পিতা পৰমব্ৰহ্মৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয় যাতে তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰে।

মই মোৰ প্ৰতিবেদনত কিছুমান কথা উল্লেখ কৰিব ওলাইছোঁ। মোৰ বহু চেষ্টাৰ ফলত মহাবিদ্যালয়ৰ তোৰণৰ ওচৰত এটা Notice House সজাবলৈ সফল হৈছিলোঁ। আমাৰ কাৰ্য্যকালত ছাত্ৰ একতা সভাৰ সম্পাদক কেইজনৰ ৰেজাৰৰ ধনৰ পৰিমাণ ৮০০ টকাৰ পৰা ১১০০ টকালৈ বৃদ্ধি কৰি দিয়াৰ বাবে কৰ্তৃপক্ষলৈ কৃতজ্ঞতা জনাইছোঁ। বিগত বছৰৰ দৰে আমিও মহাবিদ্যালয়ৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰি লোৱাৰ উদ্দেশ্যে নৱাগত আদৰণি সভাখন ০৪ আৰু ০৫ চেপ্তেম্বৰ তাৰিখে অনুষ্ঠিতকৰা হয়। উক্ত অনষ্ঠানত মুখ্য অতিথি হিচাপে আহিছিল সাংসদ মাননীয় শ্ৰীযুত উৰ্খাও গৌৰা ব্ৰহ্মদেৱ, বিশিষ্ট অতিথি হিচাপে আহিছিল প্ৰাক্তন শিক্ষামন্ত্ৰী শ্ৰীযুত বৃন্দাবন গোস্বামীদেৱ, নিৰ্দ্দিষ্ট বক্তা হিচাপে আহিছিল অসমীয়া বাতৰি কাকতৰ সম্পাদক শ্ৰীযুত হেমন্ত বৰ্মনদেৱ আৰু সভাত উপস্থিত আছিল স্থানীয় বিধায়ক ড° মনোৰঞ্জন দাসদেৱ আৰু আমাৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ প্ৰাক্তন প্ৰবক্তা মাননীয় শ্ৰীযুত প্ৰভাত ৰাজবংশীদেৱ ছাৰ। মুকলি চ'ৰা অনুষ্ঠানখন পৰিচালনা কৰিবলৈ আহিছিল বিশিষ্ট অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ আৰু অভিনেতা হিৰণ্য ডেকা। উক্ত কাৰ্য্যসূচীত আমি সম্পূৰ্ণ সফলতা লাভ কৰিছিলো।

উলহ মালহেৰে আমি ০৩ জানুৱাৰীৰ পৰা ০৯ জানুৱাৰীলৈ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ আয়োজন কৰোঁ। সপ্তাহৰ কাৰ্য্যসূচীত মই "সমৰ কলা" (কংফু, কাৰেট, টাইকোৱাণ্ডো ...) খেলখন

B.H.B. College Sarupeta

নতুনকৈ অর্ন্তভূক্ত কৰোঁ আৰু ১১ জানুৱাৰী তাৰিখে বঁটা বিতৰণী অনুষ্ঠানটো আয়োজন কৰোঁ। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে আহিছিল বজালী মহাবিদ্যালয়ৰ অধ্যাপিকা মাননীয় ড° বিনীতা বৰা দেব চৌধুৰী।

আমাৰ মহাবিদ্যালয়ত পৰম্পৰাগতভাৱে চলি অহা কিছুমান অনুষ্ঠানৰ ভিতৰত আন এক অনুষ্ঠান হৈছে পৰীক্ষাৰ্থীসকলক পৰীক্ষাৰ আগমুহূৰ্তত এক শুভেচ্ছামূলক অনুষ্ঠান আয়োজন কৰি ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা জনোৱা। উক্ত অনুষ্ঠানটো মহাবিদ্যালয় সংবিধানত লিখিত নিয়ম অনুসৰি সাধাৰণ সম্পাদকক চলাব দিয়া হয় আৰু পৰম্পৰাগত ভাৱে এই বছৰো সাধাৰণ সম্পাদকে চলাই আহিছিল। কিন্তু মোৰ কাৰ্য্যকালত এই অনুষ্ঠানটো মোক চলাব নিদি চলাব দিলে ছাত্ৰ-একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকক। ইয়াৰ কাৰণটো হ'ল- যোৱা অনুষ্ঠানটিত অৰ্থাৎ বঁটা বিতৰণী সভাখনত মই কিছুমান নকবলগীয়া সঁচা কথা মোৰ ভাষণত উল্লেখ কৰিছিলোঁ। আধৰুৱা কিছুমান নকবলগীয়া সঁচা কথা উল্লেখ কৰিবলৈ মই শুভেচ্ছা মূলক সভাখনৰ মঞ্চতো সাজু হৈছিলোঁ। কিন্তু কথাবোৰ কবলৈ মোক বাধা কৰা হয়।

বিগত বছৰৰ দৰে আমাৰ কাৰ্য্যকালতো শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি, মাধৱদেৱৰ তিথি, ফাতেহা-ই-দোৱাজ-দাহম, স্বাধীনতা দিৱস, গণৰাজ্য দিৱস আৰু সৰস্বতী পূজা, এই আটাইবোৰ উৎসৱ সুকলমে পালন কৰা হয়। সৰস্বতী পূজাৰ সম্পাদক হিচাপে মোক নিৰ্বাচন কৰা হয়। সৰস্বতী পূজাখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীৰ উপস্থিতিৰে অতি উলহ মালহেৰে পালন কৰা হয়।

আমাৰ কাৰ্য্যকালতে ৰাজনীতি বিভাগৰ প্ৰৱক্তা শ্ৰদ্ধাৰ প্ৰভাত ৰাজবংশী ছাৰে অৱসৰ লয়। কাৰ্য্যকাল চলি থকা সময়ত ছাৰৰ পৰা মই বহু সু-দিহা পৰামৰ্শ পাইছিলোঁ। যাৰ বাবে মই ছাৰৰ ওচৰত চিৰ কৃতজ্ঞ। সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীবৃন্দ লগ হৈ ছাৰক বিদায় জনোৱাৰ বাবে এখনি বিদায় সভাৰ আয়োজন কৰা হয়। য'ত আমি ছাত্ৰ একতা সভাৰ ফালৰ পৰা ছাৰক এটি জাপি, এখনি ফুলাম গামোচা আৰু এখনি শৰাইৰে সম্বৰ্দ্ধনা জনাওঁ।

মোৰ কাৰ্য্যকালত মোৰ প্ৰতিটো কামতে বিভিন্ন দিহা-পৰামৰ্শ, সহায়-সহযোগিতা আগবঢ়োৱা মোৰ পৰম শ্ৰদ্ধাৰ সমূহ ছাৰ-বাইদেউৰ লগতে সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। শ্ৰদ্ধাৰ মফজ্জল হুছেইন ছাৰ, শ্ৰদ্ধাৰ মদন কাকতি ছাৰ, শ্ৰদ্ধাৰ ফণীধৰ মেচ ছাৰ, শ্ৰদ্ধাৰ বীৰেণ কলিতা ছাৰ, শ্ৰদ্ধাৰ চি.ডেনচিং ছাৰ, শ্ৰদ্ধাৰ ৰাতুল দাস ছাৰ আৰু শ্ৰদ্ধাৰ নমিতা গুপ্ত বাইদেউ আৰু শ্ৰদ্ধাৰ বীণা বাইদেউলৈ মই আকৌ এবাৰ অশেষ ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিব খুজিছোঁ, যিয়ে মোক প্ৰিয়ৰ প্ৰতিটো মূহুৰ্ত্ততে সুদিহা তথা সু-পৰামৰ্শৰে সহায়ৰ হাত আগবঢ়াইছিল।

মোৰ কাৰ্য্যকালত মোৰ ছাঁৰ দৰে লাগি থাকি প্ৰতিটো কামত সহায় আগবঢ়োৱা মোৰ বন্ধুবৰ- জিন্টু ডেকা, স্বদীপ ৰামচিয়াৰী, মন্টু দাস, দিগন্ত বৈশ্য, বিপুল ডেকা, কাৰ্ত্তিক ডেকা, হৃদয় দাস, নিজু আহমেদ, মৃনাল দাস (বাবু) বিউটী দাস, কাকলি শৰ্মা, চয়নিকা শৰ্মা, জাহানাৰা বেগমৰ লগতে প্ৰাক্তন সাধাৰণ সম্পাদক শ্ৰদ্ধাৰ মনোজ দা আৰু মোৰ ভাইটি প্ৰাণজিৎ কলিতালৈ এই প্ৰতিবেদনৰ জৰিয়তে মোৰ হিয়াভৰা মৰম আৰু অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

অৱশেষত বিভিন্ন সমস্যাৰ মাজেৰে মই মোৰ কাৰ্য্যকাল শেষ কৰিলোঁ যদিও মই ভালেখিনি সফলতা লাভ কৰিবলৈ সক্ষম হৈছোঁ বুলি কব খোজো একমাত্ৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু একাংশ শিক্ষক-কৰ্মচাৰীৰ সু-দিহা, পৰামৰ্শ আৰু সহায়ৰ ফলতহে। ভালেখিনি সফলতা লাভ কৰিছো বুলি মই উল্লেখ কৰিছোঁ যদিও ভুলো নিশ্চয় আছে। অজানিতে কৰা ভুলৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। সদৌ শেষত বি.এইচ্. বি. মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদ সহ- ধনজিৎ কলিতা
সাধাৰণ সম্পাদক (২০০৬-০৭)

B.H.B. College, Sarupeta



# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

সূৰ্য্যৰ প্ৰতিটো হেঙুলীয়া কিৰণৰ বহণে যেনেকৈ প্ৰকৃতিৰ শোভা বৰ্ধন কৰে ঠিক তেনেদৰে আমাৰ এই ঐতিহ্য মণ্ডিত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীবৃন্দয়ো বিভিন্ন দিশৰ পৰা সুনাম কঢ়িয়াই আনি পৰম শ্ৰদ্ধাৰ মহাবিদ্যালয়ৰ গৌৰৱ সদায় অক্ষুন্ন ৰখাৰ কামনাৰে এই মোৰ প্ৰতিবেদনৰ পাতনি মেলিছো।

প্ৰতিবেদনৰ আৰম্ভনিতে মোৰ কৰ্ম-প্ৰেৰণাৰ উৎস, অসমীয়া জাতি, ভাষা, সমস্কৃতি অস্তিত্ব ৰক্ষাৰ হকে বুকুৰ কেচা তেজৰে বোৱাই দিয়া চকুলোৰ বাঁ ৰতো আশাৰ সপোন দেখিবলৈ শিকোৱা জ্ঞাত-অজ্ঞাত শত সহস্ৰ সংগ্ৰামী বীৰ শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো, আৰু আমাৰ মহাবিদ্যালয়ৰ মানীয় অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী বৃন্দলৈ মোৰ সহস্ৰ প্ৰণাম আৰু ধন্যবাদ জ্ঞাপন কৰিলো। লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে ২০০৫-০৬ চনৰ বাবে মোক বি.এইচ. বি. মহাবিদ্যলয়ৰ সহ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচন কৰিলে তেওঁলোকলৈ মোৰ অলেখ ধন্যবাদ যাচিলো। বিভিন্ন সময়ত বিভিন্ন দিহা পৰামৰ্শৰে মোৰ কাৰ্যকাল আগবঢ়াই নিয়া চাৰবাইদেউ আৰু বন্ধু-বান্ধৱী আৰু লগতে ছাত্ৰ একতা সভাৰ সমূহ সদস্যলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো, আৰু সহঃ সাধাৰণ সম্পাদকৰ তৰফৰ পৰা মই আলোচনী সম্পাদনা সমিতিলৈ প্ৰতিবেদনৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰিলো।

প্ৰতিবছৰে আমাৰ মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ নিৰ্বাচন পতা হয়।২০০৫-০৬ চনত যোৱা উক্ত নিৰ্বাচনত মই বিপুল সংখ্যক ভোট পাই সহঃ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈ বৃহৎ মহাবিদ্যালয়খনৰ কাৰ্যভাৰ চলোৱাত বুজাত কিছু অসুবিধা হৈছিল যদিও শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা কৰ্মচাৰীবৃন্দৰ সহযোগিতাত সকলো কাম মই নিৰ্বাবিকে কৰি যাবলৈ সুবিধা পাইছিলো। মই মহাবিদ্যালয়ৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানবোৰত মই প্ৰায়ে জড়িত আছিলো। বিশেষকৈ ২০০৫-০৬ বৰ্ষৰ আদৰণী সভা আৰু উঃমাঃ দ্বিতীয় বৰ্ষৰ আৰু স্নাতক চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰী সকলক বিদায় দিয়াৰ বাবে সভাখন মোৰ দায়িত্বত পতা হৈছিল।

প্ৰতিবছৰৰ দৰে আমাৰ মহাবিদ্যালয়ত বিদ্যাৰ অধিধাত্ৰী দেৱী শ্ৰীশ্ৰীসৰস্বতী পূজা, অসমীয়া জাতিৰ জনক শ্ৰীশ্ৰীশংকৰদেৱ, মাধবদেৱৰ তিথি পতা হয়। মহাবিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালি সুচাৰু ৰূপে অনুষ্ঠিত হৈ যায়। বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ বিজয়ী প্ৰতিযোগী, উঃ মাঃ পৰীক্ষাত বিশেষ কৃতকাৰ্য্যতা দেখুওৱা ছাত্ৰ-ছাত্ৰী সকলক আৰু স্নাতক চূড়ান্ত বৰ্ষৰ কৃতকাৰ্যতা দেখুওৱা ছাত্ৰ-ছাত্ৰী সকলক বঁটা প্ৰদান কৰাৰ উদ্দেশ্য এখনি বঁটা বিতৰণি সভা অনুষ্ঠিত কৰা হয়।

আমাৰ মহাবিদ্যালয়খন এখন জাকত জিলিকা ঐতিহ্য মণ্ডিত মহাবিদ্যালয়। এই মহাবিদ্যালয়ৰ গৌৰৱ আৰু আইন শৃংখলা যাতে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে বজাই ৰাখে তাৰ বাবে মই প্ৰতিবেদনৰ জৰিয়তে সমূহ নবাগত ছাত্ৰ-ছাত্ৰীৰ লগতে নবাগত ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যাকে অনুৰোধ জনালো।

মোৰ প্ৰতিবেদনৰ প্ৰাক মুহূৰ্তত মই স্বীকাৰ কৰে যে মোৰ কাৰ্যকালত ভুল হোৱাটো একো অস্বাভাবিক নহয়। তাৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমাৰ প্ৰাৰ্থী।

সদৌ শেষত মোৰ অতি মৰমৰ মহাবিদ্যালয়খনিৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো। ভৱিষ্যতে যাতে এই মহাবিদ্যালয়খনিলৈ আৰু বেছি গৌৰৱ কঢ়িয়াই আনিব পাৰে, তথা এই মহাবিদ্যালয় খনিৰ যাতে সকলো ফালৰ পৰা চিৰযুগমীয়া হৈ ৰয় তাৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ ফালৰ পৰা বিশেষ অনুৰোধ জনাই মোৰ এই চমু বাৰ্ষিক প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু বি.এইচ. বি. মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা।
জয় আই অসম।
শ্ৰীমন্টু দাস,
সহঃ সাধাৰণ সম্পাদক।
(২০০৬-০৭)

B H B College Sarupeta

# সমাজসেৱা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে বি.এইচ. বি মহাবিদ্যালয়ৰ সমূহ বন্ধু-বান্ধৱী, দাদা, বাইদেউলৈ মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী কৰি ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ সুযোগ কণ দিয়াৰ বাবে অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

মনত বহুতো আশালৈ মোৰ কাৰ্যকালত মহাবিদ্যালয়খনত সমাজসেৱা বিভাগটো শক্তিশালী আৰু ছাত্ৰ-ছাত্ৰীৰ মনত সমাজৰ প্ৰতি কৰণীয়তাক বিশেষ ভাৱে অৱগত কৰি চেতনা স্তৰ বৃদ্ধি কৰিব পাৰিম বুলি উচ্ছাহেৰে আগবাঢ়িছিলো। কিন্তু মহাবিদ্যালয়ৰ মোৰ বিভাগটোৰ আৰ্থিক দিশটো একেবাৰে দুৰ্বল আছিল বাবে বহুতো মনতে ভবা কাম কাৰ্যকৰী কৰিব নোৱাৰিলোঁ। তথাপিও মোৰ কাৰ্য্যকালতত বহুকেইবাৰ চাফাই প্ৰতিযোগিতা অনুষ্ঠিত কৰি মহাবিদ্যালয়ৰ চৌহদ আৰু কোঠালি সমূহ পৰিস্কাৰ কৰি তোলা হয়। এই ক্ষেত্ৰত কিন্তু ছাত্ৰ-ছাত্ৰীৰ উৎসাহজনক সহাৰিৰ লগতে মহাবিদ্যালয়ৰ কেইজনমান শিক্ষক আৰু কৰ্মচাৰীৰ নাম উল্লেখ কৰিব লাগিব। মাননীয়া অমিয়া মহন্ত বাইদেউ, ৰাতুল দাস ছাৰ,কৰ্মকাৰ ছাৰ, মৃণাল দত্ত ছাৰ, অধ্যক্ষ চন্দ্ৰকান্ত তালুকদাৰ ছাৰ, মোৰ বিভাগৰ তত্বাবধায়ক হিচাপে থকা অশ্বিনী মেধি ছাৰ আৰু লগতে কৰ্মচাৰী গীতা বাইদেউ, ছতুৰ দা আৰু মুনাক এই চেগতে ধন্যবাদ জ্ঞাপন কৰিলো। 'মহাবিদ্যালয়ৰ সপ্তাহ' উপলক্ষে মোৰ বিভাগৰ পৰা বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি কিন্তু বিশেষ সন্তোষ জনক নাছিল।

মই ভাবো যদি এনেদৰে ছাত্ৰ-ছাত্ৰীৰ উৎসাহজনক সহাৰিক মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই সমাজসেৱা বিভাগটো কিছু উন্নত কৰি ছাত্ৰ-ছাত্ৰীক সমাজৰ প্ৰতি থকা দায়বদ্ধতাত অগ্ৰসৰ কৰিব পাৰিব নিশ্চয়।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা দোষ ত্ৰুটিৰ মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদনৰ মোখানি মাৰিলোঁ।

জয়তু বি. এইচ. বি. মহাবিদ্যালয়

মিঠুন শৰ্মা
সম্পাদক,
সমাজ সেৱা বিভাগ।
(২০০৬-০৭)

B.H.B. College, Sarupeta

# তৰ্ক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে মই মহাবিদ্যালয় প্ৰতিষ্ঠাপন তথা উন্নতিত যি সকল মহান ব্যক্তিৰ শ্ৰম আৰু প্ৰচেষ্টাৰ বাবে আমি আজি এনে এটা পৰ্য্যায়লৈ উন্নীত হ'ব পাৰিছো তেখেতসকলক মই মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। জাতি, বৰ্ণ নিৰ্বিশেষ সকলোৰে জ্ঞান বুদ্ধি বিকাশৰ স্থল মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ পোৱাটো মই সৌভাগ্যৰ কথা বুলি ভাবো আৰু সেয়ে যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱীয়ে মোক ২০০৫-০৬ ইং বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰ্ক বিভাগৰ সম্পাদকৰ পদত থাকি সেৱা আগবঢ়াবলৈ সুবিধা কৰি দিছিল তেখেতসকলৰ ওচৰত মই কৃতজ্ঞ।

ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ বাবে তৰ্ক বিভাগটো এটা গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগটোৱে ছাত্ৰ-ছাত্ৰীক যুক্তিপূৰ্ণ আৰু নিৰপেক্ষ ধ্যান-ধাৰণা দিয়াত যথেষ্ট সহায়ক হৈ পৰে। অৱশ্যে মই মোৰ কাৰ্য্যকালত এটা শতিকা পাৰ হৈ আন এটা শতিকাত খোজ দি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাক আদৰি এখন বিশেষ কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো। য'ত দৃশ্য-শ্ৰব্যৰ প্ৰয়োগ কৰিছিলো আৰু ছাত্ৰসকলৰ এখোজ আগবঢ়াত সহায় কৰি দিবলৈ সক্ষম হৈছিলো। 'কলেজ সপ্তাহ'ত ছাত্ৰক স্বনিৰ্বাচিত কবিতা আবৃত্তি কৰিবলৈ দিছিলো য'ত বেছি ছাত্ৰই অংশ গ্ৰহণ কৰিব পাৰিছিল। 'কলেজ সপ্তাহ'ৰ শেষৰ দিনা তৰ্ক প্ৰতিযোগিতাখনি পতা হৈছিল। য'ত প্ৰতিযোগীৰ সংখ্যা আছিল দহজন। এনেকুৱা উদুলি-মুদুলি পৰিবেশৰ মাজত হ'লেও আটাইকেইখন প্ৰতিযোগিতা খুব নিয়াৰিকৈ পাতিবলৈ সক্ষম হৈছিলো। আৰু কৃতকাৰ্য্যতাও লাভ কৰিছিলো।

সদৌ শেষত মোৰ কাৰ্য্যকালৰ অনিচ্ছাকৃত ভুল-ত্ৰুটীৰ বাবে ক্ষমা বিচাৰিছোঁ আৰু বি. এইচ্. বি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি প্ৰতিবেদন ইয়াতে সামৰিছোঁ।

জয়তু বি. এইচ্. বি. মহাবিদ্যালয়।

কাৰ্ত্তিক ডেকা
সম্পাদক, তৰ্ক বিভাগ (২০০৬-০৭)।

B.H.B. College, Sarupeta

# গুৰু খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

আৰম্ভনিতে যি সকল ব্যক্তিৰ অহোপুৰুষাৰ্থ পৰিশ্ৰমে বি.এইচ.বি. মহা... ক্ষুদ্ৰতমো উন্নতি কৰিছে সেই সকল ব্যক্তিলৈ মই ভক্তি আৰু শ্ৰদ্ধা নিবেদন কৰিছো...

গুৰু খেল বিভাগৰ সম্পাদক পদটো এটা অতি গুৰুত্বপূৰ্ণ পদ এনেকুৱা এটা... পদত মোক গুৰুখেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হলো। মোৰ এই গুৰু... আগত লৈ সফলতাৰ কিৰ্মানদূৰ আগুৱাইছো সেয়া ছাত্ৰ-ছাত্ৰী সকলে নিজে বিচা... মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ত সপ্তাহৰ গুৰুখেল বিভাগৰ সমূহ খেল ধেমালি অতি সু... পৰিচালনা কৰাৰ বাবে যত্নপৰ হৈছিলো। কিন্তু সম্পাদক হিচাপে মই এই কথা ... যে মহাবিদ্যালয়ৰ সপ্তাহত খেল ধেমালিত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ... এই ক্ষেত্ৰ ত অকল ছাত্ৰ-ছাত্ৰীয়ে দোষী নহয়। আমাৰ মহাবিদ্যালয়ৰ খেলৰ বাবে ... সা সামগ্ৰীৰ অভাবো ইয়াৰ মূল কাৰণ। গতিকে মই এই প্ৰতিবেদনৰ জৰিয়তে ... অনুৰোধ কৰিছো যাতে আগন্তুক দিনবোৰ শিক্ষাৰ লগতে খেল ধেমালিতো ... মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীয়ে বিশেষ ভাৱে পাৰদৰ্শিতা দেখুৱাব পাৰে তাৰে সু ব্যৱ... এই ক্ষেত্ৰ ত মই একান্ত মনে কামনা কৰিছো।

বৰ্তমান স্কুলীয়া শিক্ষা আৰু কলেজীয়া শিক্ষাৰ মাজত বিৰাট প্ৰভেদ আ... নহলে এই শিক্ষা বা খেল ধেমালী লাভৰ পৰিবৰ্তে ধংসৰ মুখলৈহে গতি কৰিব ল... প্ৰতি মুহূৰ্ততে আপোনালোকে খেল ধেমালিৰ প্ৰতি আগ্ৰহী শিক্ষাৰ প্ৰতি শ্ৰদ্ধাশীল ... পৰায়ণ হবলৈ যত্নপৰ হওক।

সৰ্বো শেষত মোৰ কাৰ্য্যকালত অজানিতে হোৱা দোষ ত্ৰুটীৰ বাবে মাৰ্জ... বি.এইচ.বি মহাবিদ্যালয়ৰ উজ্বল ভবিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মা...

জয়তু বি. এইচ্. বি. মহাবিদ্যালয়।

শ্ৰীমনোৰঞ্জন ...
গুৰুখেল বিভাগৰ স...
ছাত্ৰ একতা সভা (২০০...

B.H.B. College, Sarupeta

# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে মই পোন প্ৰথমে যি সকল ব্যক্তিয়ে অশেষ চেষ্টা আৰু ত্যাগৰ ফলত বি.এইচ্. বি. মহাবিদ্যালয়ে পূৰ্ণাংগ ৰূপ ললে সেই মহান ব্যক্তি সকললৈ আৰু যি সকল ব্যক্তিয়ে বি. এইচ্ বি. মহাবিদ্যালয় খনৰ উন্নতিৰ হকে এতিয়াও নিস্বাৰ্থ ভাবে কাম কৰি আছে সেই সকল ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ লঘু খেল বিভাগত প্ৰতিদ্বন্দিতা আগবঢ়োৱাত মোক সম্পাদক হিচাপে বাচনি কৰাৰ বাবে সমূহ মোৰ বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ লঘু খেল বিভাগৰ সম্পাদকৰ ওপৰত থকা সামগ্ৰিক গুৰুত্ব অতি বেছি আৰু জটিল। সেই দায়িত্ব মই কিমান দূৰ পালন কৰিবলৈ সমৰ্থ হৈছিলোঁ সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী সকলৰ মাজত একতা বজাই ৰখাটো বাঞ্চনীয়। মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত আয়োজিত খেল সমূহত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই তাকৰ। মোৰ কাৰ্য্যকালত পোন প্ৰথম বাৰৰ বাবে সমৰ কলা খেল খন আয়োজিত কৰিছিলোঁ। আৰু সেই খনৰ সম্পূৰ্ণ দায়িত্ব মই সুচাৰু ৰূপে পালন কৰিব পাৰিছিলোঁ নে নাই সেইটো আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। এইখন খেল আয়োজন কৰোতে মোক বিশেষ বাবে সহায় কৰিছিল- ধনজিৎ কলিতা, অৰূপ, ইউনিছ তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্যকালত বিভিন্ন কামত সহায় আগবঢ়োৱা জিতু, দিগন্ত, ধনজিৎ, দিবাকৰ, পিংকু, খনিনক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মই বি.এইচ্. বি. মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে-

শ্ৰীবিপুল ডেকা, (২০০৬-০৭)❑

B.H.B. College, Sarupeta



ছাত্র একতা সভাৰ একাংশ

B.H.B College, Sarupeta



মহাবিদ্যালয়ৰ পুথিভঁৰালত অধ্যয়ণৰত অৱস্থাত মহাবিদ্যালয়ৰ একাংশ ছাত্র-ছাত্রী



# বি, এইচ্, বি,
# মহাবিদ্যালয় আলোচনী

B.H.B. College, Sarupeta



Printed at Kalita Micro Printers, Sarupeta, Ph.: 94351-23983